# শীতকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

### তাৰিখ ঃ ২৪-১২-২০২১ শুকুৰবাৰ

**ইংৰাজী ২৪-১২-২০২১ তাৰিখে ৰাতিপুৱা ৯.০০ বজাত মাননীয় অধ্যক্ষ শ্ৰী বিশ্বজিৎ দৈমাৰী মহোদয়ৰ অধ্যক্ষতাত পূৰ্বনিৰ্ধাৰিত সময়মতে সদনৰ কাম-কাজ আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৮১, শ্ৰী ফণীধৰ তালুকদাৰ, উপস্থিত নাই। প্ৰশ্ন নং ৮২, শ্ৰী চৰণ বড়ো। মাননীয় মন্ত্ৰী।

**শ্ৰীযোগেন মহন (মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ online যোগে আৰু উত্তৰত দিয়া আছে।

**মাননীয় অধ্যক্ষ ঃ** Hon'ble Member.

**শ্ৰীচৰণ বড়ো (মাজবাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াতে তথ্য নাই বুলি কৈছে, কিন্তু মই উপায়হীন হৈছো, ইয়াৰ উত্তৰটো ক'ত পাম ? মই মাননীয় অধ্যক্ষ মহোদয়ৰ পৰা পৰামৰ্শ বিচাৰিছোঁ, ক'ৰ পৰা মই এই উত্তৰটো মই পাব পাৰো। বোধহয় সকলোৰে মনত আছে এই সদনত ২০১৮ নে ২০১৯ বৰ্ষৰ যি বাজেট অধিৱেশন আছিল, সেই সময়ৰ আমাৰ বিত্ত মন্ত্ৰী ডাঙৰীয়া ইয়াত নিজেই ঘোষণা কৰিছিল যে অসম আন্দোলনৰ যিমান শ্বহীদ পৰিয়াল আছে তেওঁলোকক সকলোকে ৫ লাখকৈ দিয়া হ'ব, এই একে লাইনত বড়োলেণ্ড আন্দোলনৰ যি সকল শ্বহীদ আছে তেওঁলোকক ৫ লাখকৈ টকা দিয়া হ'ব বুলি এই বাজেট অধিৱেশনত কৈছিল। তাৰকাৰণে মই এই তথ্যকে জানিব বিচাৰিছিলোঁ। কিন্তু আজি কৈছে যে relieve and revolution বা Disaster Management ত ইয়াত তথ্য নাই। তাৰ কাৰণে মই সদনত আপোনাৰ জৰিয়তে যদি মোক advice দিয়ে মই ভাল পাম কিয়নো মই তৃতীয়বাৰৰ কাৰণে এই প্ৰশ্নটো দিছোঁ। যোৱাবাৰো দিছিলোঁ, যোৱাবাৰ not related বুলি কৈ মোক ঘূৰাই পঠিয়াইছে। এইবাৰ গ্ৰহণ কৰিছে কিন্তু তথ্য নাই বুলি কৈছে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীযোগেন মহন (মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম আন্দোলনৰ শ্বহীদসকলক আমাৰ অসম চুক্তি ৰূপায়ণ বিভাগৰ দ্বাৰা এই ৫ লাখ টকা যি অসম চৰকাৰে ঘোষণা কৰিছিল, সেই বিভাগৰ দ্বাৰা উক্ত অনুদান দিয়া হৈছিল। আমাৰ Revenue & Disaster Management Department ত ইয়াৰ কোনো তথ্য নাই। কাৰণ আমাৰ বিভাগটোৱে প্ৰাকৃতিক দুৰ্যোগত যদি মানুহ মৃত্যুমুখত পৰে, ধুমুহা, বানপানী আদিত, সেইবিলাকতেহে এই বিভাগে ক্ষতিপূৰণ দিওঁ আৰু ইয়াতে জিলা উপায়ুক্ত, চক্ৰবিষয়াৰ পৰা যিটো ডি ডি এম এ, তাৰ পৰা যেনেকৈ তালিকা আহে তেনেকৈ দিয়াৰ ব্যৱস্থা আছে। কিন্তু সেই সন্দৰ্ভত আমাৰ হাতত তথ্য নাই। কিন্তু আমাৰ বোড়োলেণ্ড আন্দোলনৰ শ্বহীদ সকলকো ঠিক তেনেকৈ দিয়াৰ কথা চৰকাৰে ঘোষণা কৰিছিল, কিন্তু এই বিষয়টো গৃহ আৰু ৰাজনৈতিক বিভাগৰ লগত আলোচনা কৰিব লাগিব। গতিকে এই বিষয়টোৰ যিহেতু আমাৰ বিভাগত এই সন্দৰ্ভত তথ্য নাই সেই কাৰণে আমি দিব পৰা নাই। বিশেষকৈ অসম চুক্তি ৰূপায়ণ বিভাগ, গৃহ আৰু ৰাজনৈতিক

বিভাগৰ লগত আলোচনা কৰিলে বিষয়টোৰ এটা উত্তৰ পোৱা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰীচৰণ বড়ো (মাজবাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সমস্যাটো বহুত ডাঙৰ। ইতিমধ্যে শ্বহীদ পৰিয়াল সকলে দুবাৰ তিনিবাৰ আন্দোলনো কৰিলে আৰু মই জনাত প্ৰায় ৬০০ মান শ্বহীদ পৰিয়ালে ৫ লাখ টকাকৈ পালে ইতিমধ্যে সেই সময়তে। কিন্তু বাকী যিসকল শ্বহীদ, তেওঁলোকে এতিয়ালৈকে পাবলৈ সক্ষম হোৱা নাই। সমস্যা যিহেতু ডাঙৰ তাৰকাৰণে অধ্যক্ষ মহোদয়ৰ পৰা মই পৰামৰ্শ বিচাৰিছোঁ কি হ'লে যি সকলে বঞ্চিত হৈ আছে তেওঁলোকক এই ৫ লাখ টকাকৈ এককালীন অনুদান দিব পাৰি।

**শ্ৰীযোগেন মহন (মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, প্ৰথম পৰ্য্যায়ত যিখিনি দিয়া হ'ল মই বিত্ত মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰিছোঁ যে বাকীখিনিৰ প্ৰপোজেল আহিলে তেখেত সকলে অনুমোদন দিয়াৰ ব্যৱস্থা কৰিব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া দুৰ্গা দাস বড়ো।

**শ্ৰীদুৰ্গা দাস বড়ো (কলাইগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো ৰিপিট প্ৰশ্ন আচলতে, সদনত প্ৰকৃত উত্তৰ নোপোৱাটো বৰ দুখৰ বিষয় হ'ব। ক'ৰবাত এনেকুৱা অনুভৱ হ'ব নালাগে, মাননীয় মন্ত্ৰী মহোদয়ক প্ৰশ্ন কৰিব বিচাৰিছোঁ মই যে শ্বহীদসকলৰো classification তেনেকুৱা যদি এটা অনুভৱ হয় পিছলৈ সেই অনুভৱটো বৰ বেয়া হ'ব। তাৰকাৰণে মই আজি মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে, আপুনি এটা initiative ল'ব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীযোগেন মহন (মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, নিশ্চয় অসম আন্দোলনৰ শ্বহীদসকলক, বড়ো আন্দোলনৰ শ্বহীদ সকলক আমি আজি সদনৰ সকলোৱে তেখেতসকলক স্মৰণ কৰিছো আৰু আমি তেখেত সকলৰ যিটো চৰকাৰী ঘোষণা আছে এই ক্ষেত্ৰত মই মুখ্যমন্ত্ৰী মহোদয়, ৰাজনৈতিক বিভাগ আৰু অসম চুক্তি ৰূপায়ণ বিভাগৰ লগত কথা পাতি আপোনাক তথ্য বিলাক দিয়াত, মই ইয়াৰ আগতেও সদনলৈ আহি মই বিত্ত মন্ত্ৰীৰ লগত কথা পাতিছোঁ, কোন বিভাগৰ লগত কথা পাতিব লাগিব, গতিকে এই গোটেই কথাখিনিৰ মই এটা তথ্য পৰৱৰ্তী সময়ত দাঙি ধৰিম।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া, এই বিষয়ত মোৰ এটা পৰামৰ্শ হ'ব, মই বিষয়টো অৱগত, আপুনি কোৱাৰ নিচিনাই হৈছে, হয়তো concern বিভাগ হিচাপে আপোনাৰ বিভাগটো নপৰে আৰু তাৰ কাৰণে আপোনাৰতাত হয়তো তথ্যটো নাই। তথাপিও আপোনাৰ তাত যিহেতু প্ৰশ্নটো আহিছে আপুনি concern টো খবৰ লৈ এইটো কোনে ডিল কৰে তালৈকে যদি আপুনি খবৰটো জনাই দিয়ে। ইতিমধ্যে খবৰ কৰিছে আৰু কিছু আছে।

**শ্ৰীযোগেন মহন (মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, নিশ্চয় এই ক্ষেত্ৰত মই কিবা এটা কৰিব পাৰিলে ময়ো ভাল পাম।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। ধন্যবাদ। শ্ৰী আবুল কালাম ৰশিদ আলম আপুনি কব।

**শ্ৰী আবুল কালাম ৰশিদ আলম (পূব গোৱালপাৰা) ঃ** অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** এইটো বড়ো আন্দোলনৰ শ্বহীদৰ কথা।

**শ্ৰী আবুল কালাম ৰশিদ আলম (পূব গোৱালপাৰা) ঃ** বেলেগ শ্বহীদৰ কথা।

**মাননীয় অধ্যক্ষ ঃ** এইটোত বেলেগ শ্বহীদৰ কথা আনিব নালাগে। সেইটো বেলেগ দিনত আপুনি

আনক। এতিয়া প্ৰশ্ন নং ৮৩, শ্ৰী মজিবুৰ ৰহামান।

**শ্ৰীকেশৱ মহন্ত (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী মজিবুৰ ৰহামান উপস্থিত নাই। এতিয়া প্ৰশ্ন নং ৮৪, শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ।

**শ্ৰীযোগেন মহন (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ (সোণাৰি) ঃ** সন্মানীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী ডাঙৰীয়াক সুধিব বিছাৰিছোঁ, সোণাৰী সমষ্টিৰ সাপেখাতী আৰু সোণাৰী ৰাজহ চক্ৰৰ অন্তৰ্গত বহুকেইখন গাওঁ অৰ্থাৎ চৰকাৰী মাটিত এই লোক সকলে বাস কৰিছে। গতিকে এই গাওঁ সমূহত বাস কৰা ৰাইজে কেনেকৈ কেতিয়া মাটিৰ পট্টা পাব আৰু এতিয়ালৈ চৰকাৰী পট্টা পোৱা নাই। গতিকে তাৰ বিষয়ে মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰীযোগেন মহন (মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সাপেখাতী ৰাজহ চক্ৰৰ অন্তৰ্গত এক নং কঠিয়াখুণ্ডা আৰু ২ নং কঠিয়াখুণ্ডা ৰাজহ গাওঁৰ অন্তৰ্গত সোণালীপুৰ, বাকচু নৱজ্যোতি, বনগাঁৱৰ বাসিন্দা সকল প্ৰায় ৬০ বছৰ ধৰি বসবাস কৰি আছে। কিন্তু উক্ত গাওঁসমূহ বনবিভাগৰ মাটি হোৱাৰ বাবে ভূমি পট্টা দিব পৰা নাই।

অধ্যক্ষ মহোদয়, আমি জানো যে এই এনেধৰণে বনবিভাগৰ মাটিত বহু ঠাইত অসমৰ মানুহ বসবাস কৰি আছে। বিভিন্ন কাৰণত বানপানীত গৰাখহনীয়াত ক্ষতিগ্ৰস্তৰ লোক, বহুত দিনৰ আগত চৰকাৰেও এনে ধৰণে বহু পূৰ্বৰ চৰকাৰেও সংস্থাপিত কৰিছিল। এই মাটি বিলাক প্ৰায় বন বিভাগৰ। ফৰেষ্ট এক্টখন যিহেতু বন বিভাগৰ, তাৰ ব্যৱস্থাতহে ফৰেষ্ট এক্ট মতে তেওঁলোকে মাটিৰ পট্টা বা ফৰেষ্টত থকাৰ অধিকাৰ দিব পাৰে। এতিয়া ইয়াতে এখন জিলা সভাপতি এনেধৰণে ইয়াতে ডি এফ অ', চি ই অ' এনেধৰণে এখন কমিটি থাকে, সেই জিলা খনে এই গোটেই বিষয় বিলাক আলোচনা কৰি পট্টা দিয়াৰ ক্ষেত্ৰত এটা ব্যৱস্থা ল'ব পাৰে। কিন্তু যিটো ৰুলচ্ আছে কেন্দ্ৰীয় চৰকাৰৰ, সেই ৰুল খনক অভাৰটেক কৰিব নোৱাৰে। এছ. টি. আৰু এছ. চিৰ ক্ষেত্ৰত তেওঁলোকক দিয়াৰ ব্যৱস্থা আছে আৰু প্ৰায় ৭৫ বছৰ, তিনিটা পুৰুষ এইখন আইনত আছে। কিন্তু এতিয়া যিহেতু ৬০-৭০ বছৰ ধৰি বসবাস কৰি আছে, তাত কোনো ফৰেষ্ট বুলিও নাইকীয়া হৈ গৈছে । আৰু এই খিনি যে খিলঞ্জীয়া মানুহ, এখেত সকলক এইটো বন বিভাগে বিবেচনা কৰি তেখেত সকলে ব্যৱস্থা ল'ব । যদি কিবা আইন সংশোধন কৰিব লাগে থাকে, সেইখন কেন্দ্ৰীয় চৰকাৰৰ আইন, ইয়াত অসম চৰকাৰে কৰিব নোৱাৰে । এই খন আইন সংশোধন কৰিবলৈ হ'লে বহুত নিয়ম অনুসৰণ কৰিব লাগিব ।

**মাননীয় অধ্যক্ষ ঃ** Supplementary আৰু আছে নে?

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ (সোণাৰি) ঃ** অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো আৰু তেখেতক মই এটা অনুৰোধ কৰিব বিচাৰিছো যে, এই সকল ৰাইজে আজিলৈকে পট্টা পোৱা নাই তাৰ ফলশ্ৰুতিত তেখেত সকলে চৰকাৰী সাহাৰ্য্যৰ পৰা বঞ্চিত হৈছে । যিহেতু প্ৰাকৃতিক দুৰ্যোগৰ ফলত সেই সকল ব্যক্তিয়ে যি খিনি ক্ষতিপূৰণ পোৱা নাই, গতিকে তেনেস্থলত আইন প্ৰণয়নৰ যোগেদি হ'লেও তেখেত সকলক কিবা দিয়াৰ ব্যৱস্থা কৰিব পৰা ৰাস্তা আছে নেকি? এই বিষয়ে অৱগত কৰিব নেকি ?

**শ্ৰী যোগেন মোহন (মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, কথাতো হয়, যে তাত তেখেত সকলে PMAY বা অন্যান্য কিছু স্থায়ী কাম কৰিব নোৱাৰে ফৰেষ্টৰ

আইন মতে। কিন্তু চাৰ্কুল অফিচ বিলাকে আৰু আমাৰ চৰকাৰে আইনৰ ক্ষেত্ৰত কিছু শিথিল কৰিছিলো যে পি এম কিষাণে হওঁক বা অন্যান্য চৰকাৰী সাহাৰ্য্য পাবৰ কাৰণে যদি ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয় সমূহে দখলিৰ প্ৰমাণ-পত্ৰ দিব পাৰে, বিশেষভাবে কিবা বিবেচনা কৰিব পাৰে, তেনেহ'লে তেওঁলোকে চৰকাৰী সাহাৰ্য্য পোৱাৰ ব্যৱস্থা এটা কৰিব পাৰে । গতিকে মই ভাবো আমাৰ এই ঠলুৱা মানুহ খিনি আমি চৰকাৰী অনুদান দিয়াৰ ক্ষেত্ৰত, সাহাৰ্য্য দিয়াৰ ক্ষেত্ৰত, এই আইন খনৰ কিছু বাধা থকাৰ কাৰণে ৰাজহ বিভাগে এইটোত হস্তক্ষেপ কৰিব নোৱাৰে । গোটেই বিষয়টো বন বিভাগৰ লগত আছে। গতিকে চৰাইদেউ জিলা বুলি নহয়, আমাৰ সমষ্টিটো তেনেকুৱা ৰিজাৰ্ভ আছে, তাতো ৬০-৬৫ বছৰ হ'ল মানুহ থকা। ধেমাজীত যেতিয়া বানপানী হৈছিলে, গৰাখহনীয়া হৈছিলে, তেতিয়া সেই সময়ৰ চৰকাৰে নি সংস্থাপন কৰি দিছিলে। গতিকে এই খিনি চৰকাৰে পৰৱৰ্তী সময়ত বিবেচনা কৰিব ।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ কিছুমান এলেকাত চৰকাৰী সাহাৰ্য্য পোৱাৰ ক্ষেত্ৰত এটা মেকানিজম উলিওৱাৰ ব্যৱস্থা ল'লে ভাল হয়। কাৰণ ভোটতো লোৱা হয়, তাত চৰকাৰৰ কোনো বাধা নাই, অনুদান দিওঁতে চৰকাৰ ইমান বাধা কিয় ? যদি কিবা এটা মেকানিজম উলিয়াই কিবা এটা সমাধান কৰিব নোৱাৰো তেতিয়া অসমৰ এই জনসাধাৰণ খিনিয়ে, যিবোৰে তেনেকুৱা ধৰণৰ ঠাইত বসবাস কৰিছে, বহুখিনি ক্ষেত্ৰত তেওঁলোকে তেওঁলোকৰ প্ৰাপ্যৰ পৰা বঞ্চিত হৈ যাব ।

**শ্ৰী যোগেন মহন (মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আমাৰ চৰকাৰেও কেবিনেটত কেইবাবাৰো এই কথাটো আলোচনা কৰিছে। আমি কৃষি, ৰাজহ আৰু কেইবাটাও বিভাগে একেলগে বহিছো যাতে কি সুবিধা দিব পাৰো এই সাধাৰণ শ্ৰেণীৰ লোকক, দুখীয়া দৰিদ্ৰ মানুহক । কিন্তু শেষত গৈ আমি এখন নটিফিকেচন উলিয়াইছিলো এই পি এম কিষাণে হওঁক বা অন্যান্য সাহাৰ্য্যৰ ক্ষেত্ৰত তেওঁলোকক চৰকাৰী কিবা এখন প্ৰমাণ-পত্ৰ দি সুবিধা দিয়াৰ ব্যৱস্থাৰ কাৰণে। গতিকে এই খনৰ মতে কাম কৰিছে ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। চক্ৰধৰ গগৈ।

**শ্ৰী চক্ৰধৰ গগৈ (মৰাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়,আমাৰ মন্ত্ৰী ডাঙৰীয়াই যিহেতু নিচেই ওচৰৰ, গতিকে বিষয়টো সোণাৰীৰ হ'লেওঁ গম পাব বুলি ভাবিছো। মোৰ সমষ্টিত মানে কি হ'ল যে, তিলৈবাৰী বঙালী আৰু তিলৈবাৰী নেপালী এই দুখন গাওঁ আছে, এই দুখন গাওঁ ভি জি আঁৰত আছে, কিন্তু ১৯৭৭ চনতে ৰাইজক বান বিধ্বস্ত এলেকাৰ পৰা অহা মানুহ খিনিক এম. এন. পি. আঁচনিৰ অধীনত মাটি খিনি আৱন্টন দিয়া হৈছিলে, কিন্তু প্ৰায় ৪০ বছৰ মান ধৰি চৰকাৰৰ লগত সংগ্ৰাম আৰু সংঘৰ্ষ গণতান্ত্ৰিক ভাবে কৰি থকাৰ পিছতো আজি পৰ্য্যন্ত তেওঁলোকক মাটি দিয়াৰ ব্যৱস্থা কৰা নাই । গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক এইটো কথা ক'ব খুজিছো যে এইটো ডি-ৰিজাৰ্ভেশ্যন কৰি অতি শীঘ্ৰে কিয় কৰিব পৰা নাযায়? কাৰণ এই খিনি কোনো বিদেশী মানুহ নহয় । গতিকে মই ভাবো এটা উচিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে ।

**শ্ৰী যোগেন মোহন (মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, এই বিষয়টো আমি অৱগত। কিন্তু এটা নীতিৰ মাজত আহিব লাগিব, চক্ৰ বিষয়াৰ কাৰ্য্যালয়ৰ পৰা এটা ডি-ৰিজাৰ্ভেশ্যনৰ প্ৰপ'জেল আহিব লাগিব । ডি-ৰিজাৰ্ভেশ্যনৰ প্ৰপ'জেল উপায়ুক্তৰ যোগেদি চৰকাৰলৈ আহিব। আমি ইতিমধ্যে চৰকাৰী অনুষ্ঠান, প্ৰতিষ্ঠানৰ প্ৰস্তাৱৰ অনুমোদন জনাইছো । কৰবাত মেডিকেল, কৰবাত ইঞ্জিনীয়াৰিং কলেজৰ যি ৰিজাৰ্ভ আছে সেইটো ডি-ৰিজাৰ্ভ কৰি তাত চৰকাৰী ভাবে অনুমোদন দিছো । কিন্তু ভিজি আৰ. পি. জি আৰ. কৰাৰ ক্ষেত্ৰত ডি-ৰিজাৰ্ভ

কৰাৰ যি ব্যৱস্থা আছে, ফৰেষ্ট এৰিয়াৰ ক্ষেত্ৰত নোৱাৰি । কিন্তু এনেকুৱা প্ৰস্তাৱ বিলাক চৰকাৰে বিবেচনা কৰিছে ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী দিগন্ত বৰ্মনে সদনৰ মজিয়াত বক্তব্য ৰাখিব।

**শ্ৰী দিগন্ত বৰ্মন (বৰক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যি মাটিৰ পট্টাৰ কথা কোৱা হৈছে VGR/ PGR ৰৰ মাটি দখল কৰি থকা ঠাই বিলাকত প্ৰধানকৈ সমস্যাৰ সৃষ্টি হৈছে । Land Regulation Act, 1986 ৰ নিয়মানুসৰি মাননীয় ৰাজহ মন্ত্ৰী ডাঙৰীয়াই পট্টা দিব বিচাৰিও পট্টা দিব পৰা নাই ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি পলিচিৰ ওপৰত কওঁক, নলবাৰীৰ কথা নক'ব ।

**শ্ৰী দিগন্ত বৰ্মন (বৰক্ষেত্ৰী) ঃ** হয়, সন্মানীয় উচ্চ ন্যালায়ত চলি থকা গোচৰৰ ওপৰত মই আজি ২৪২ নং তৰাবিহীন এটা প্ৰশ্ন উত্থাপন কৰিছিলো। সেইটোৰ উত্তৰ মাননীয় মন্ত্ৰী মহোদয়ে ঠিকেই দিছে । কিন্তু Jaspal Sing and Others -vs- State of Punjab ৰ ভি. জি. আৰ, পিজি আৰ মাটিৰ ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ত যি গোচৰ আছিল, তাৰ ওপৰত মন্ত্ৰী মহোদয়ে পাটিৰ পট্টাৰ কথাটো কৈছে । কিন্তু উক্ত ৰাজহ চক্ৰটোত ডি-ৰিজাৰ্ভ কৰাৰ বাবে পৰ্য্যাপ্ত চৰকাৰী মটি থকিব লাগিব । অন্যথা দিব নোৱাৰে। সেইবাবে মই তেখেতৰ পৰা জানিব বিচাৰিছো যে Special circumstances দোহাই দি সন্মানীয় উচ্চতম ন্যায়ালয়ত আবেদন কৰিব পাৰো নেকি ? নহ'লে মেডিকেল, ইঞ্জিনিয়াৰিং বা আন কোনো প্ৰতিষ্ঠানে পট্টা লাভ কৰিব সক্ষম নহ'ব ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া, উত্তৰ দিব ।

**শ্ৰী যোগেন মহন (মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, যদি আমি কোনো ভি. জি. আৰ ৰ মাটি ডি-ৰিজাৰ্ভ কৰিব বিচাৰো তেতিয়াহ'লে সেই অঞ্চলৰ সিমান পৰিমানৰ মাটি পুনৰ ভি. জি. আৰলৈ আনিব লাগিব । নহ'লে ৫ শতাংশ মাটি ৰাখিব লাগিব। কাৰণ সিমান খিনি মাটি আমি ডি-ৰিজাৰ্ভ কৰিব নোৱাৰো। সেইবাবে আমি এটা নতুন পলিচি উলিয়াব লাগিব আৰু সেই উদ্দেশ্যে আমাৰ মন্ত্ৰী গোটৰ পৰা এখন সমিতি গঠন কৰা হৈছে। মন্ত্ৰীগোটৰ পৰামৰ্শ অনুসৰি আমি নীতি-নিৰ্দেশনা বনাব লাগিব নহ'লে কিছুমান নীতি সংশোধনী কৰিব লাগিব আৰু প্ৰয়োজন সাপেক্ষে কেন্দ্ৰীয় চৰকাৰক সংশোধনী অনাৰ বাবে অনুৰোধ কৰিব লাগিব । আপোনালোক সকলোৱে জশপাল সিং ৰ ক্ষেত্ৰত হাইকৰ্ট বা চুপ্ৰিম কৰ্টৰ অৰ্ডাৰটো জানেই । সেইবাবে এই বিষয়টোত জটিলতা আহিছে । পুৰণি কিছু নীতি-নিয়মৰ বাবে আমি খৰটকীয়াকৈ একো কৰিব পৰা নাই, কৰিলে পুনৰ হাইকৰ্ট গুছি যাব আৰু বিষয়টো থমকি ৰ'ব । গতিকে গোটেই বস্তুটো এটা চিচটেমত আনিবলৈ অলপ সময় লাগিব । মন্ত্ৰী গোটৰ পৰামৰ্শলৈ আমি কিছু Amendment, addition, deletion and correction কৰি ব্যৱস্থা গ্ৰহণ কৰিম ।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী বিশ্বজিৎ ফুকন। তেখেত নাই, এতিয়া প্ৰশ্ন নং ৮৬, শ্ৰী অজয় কুমাৰ ৰায় ।

**শ্ৰী অজয় কুমাৰ ৰায় (বিজনী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক জনাব বিচাৰো যে members hour ৰ সময়ত এই কথাখিনি পাইছিলো । তৎসত্বেও বিজনী অঞ্চলত থকা বিলাকৰ মাটিৰ খাজনা ৫-৬ মাহ মানৰ পৰা লোৱা হোনা নাই। গতিকে কেনে ধৰণৰ মাটিৰ খাজনা লৈছে কেনেধৰণৰ মাটিৰ খাজনা লোৱা হোৱা নাই আৰু কেতিয়া খাজনা ল'ব এই কথা বিলাক বিতং ভাবে জনালে ভাল হয় । তাৰোপৰি খাজনা নোলোৱা মাটিত বহি থকা মানুহ খিনিক তাৰ পৰা ভৰিষ্যতে উচ্চেদ কৰা হ'ব নেকি এই কথা বিলাক জনালে উপকৃত হম ।

**মাননীয় অধ্যক্ষঃ** মন্ত্ৰী মহোদয় ।

**শ্ৰী যোগেন মহন (মন্ত্ৰী, ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, এই কেচটো বি. টি. আৰ অঞ্চলৰ। এই এলেকাৰ সমস্যা বিলাক তেখেত সকলৰ নিজা বিষয়, তাত হস্তক্ষেপ কৰাৰ ক্ষমতা আমাৰ চৰকাৰৰ নাই । আমি জনা মতে তাত খাজনা লোৱাটো বন্ধ কৰা নাই কেৱল কিছুমান বেদখলকাৰীৰ পৰা জৰিমনা লোৱাটো চৰকাৰে বন্ধ কৰিছে। আমি জৰিমনা ল'লে জনসাধাৰণক বে-দখল কৰিবলৈ সুবিধা দিয়াৰ দৰে হয় । যদি কোনো মাটি পোৱাৰ যোগ্য হিতাধিকাৰী থাকে, তেখেত সকলক ২০১৯ চনৰ নিয়ম মতে মাটি দিয়াৰ ব্যৱস্থা আছে । এই নিয়মমতে তেখেত সকলে ভূমিহীন প্ৰমাণ-পত্ৰৰ লগতে উক্ত চৰকাৰী ঠাইত ২০-২৫ বছৰ ধৰি বসবাস কৰি থকা বুলি প্ৰমাণ দিব লাগিব । আমি যোৱা চৰকাৰৰ দিনত প্ৰায় ২লাখ ৬৫ হাজাৰ ভূমিহীন লোকক ভূমি পট্টা আৱন্টন দিছিলো। সেইটো বৰ্তমানও চলি আছে । বিজনী অঞ্চলৰ খাজনা প্ৰদান প্ৰসংগটো মাননীয় বিধায়কজনে তাৰে চৰকাৰৰ লগত আলোচনা কৰিলে ভাল হয় ।

**মাননীয় অধ্যক্ষ ঃ** দ্বিতীয় পৰিপূৰক প্ৰশ্ন কৰিব নেকি ?

**শ্ৰী অজয় কুমাৰ ৰায় (বিজনী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Mission Vasundhara, BTR ত কেতিয়া প্ৰণয়ন কৰা হ'ব ?

**শ্ৰী যোগেন মহন (মন্ত্ৰী) ঃ** আমি যি দৰে ২ অক্টোবৰত Mission Vasundhara আঁচনি খন ৰূপায়ণ কৰিলো তাৰ চৰকাৰেও কৰিব পাৰে ।

**মাননীয় অধ্যক্ষ ঃ** যদি জনসাধাৰণে ভাল পাইছে সেই একে পলিচি বি টি আৰতো ল'ব লাগে বুলি আপুনি পৰামৰ্শ এটা দি দিব। ধন্যবাদ। বিষয়টো যিহেতু বি টি আৰ এলেকাৰ ইয়াত আৰু পৰিপুৰক প্ৰশ্নৰ প্ৰয়োজন নাই ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ৮৭, শ্ৰী শিবু মিশ্ৰ।

**শ্ৰীশিবু মিশ্ৰ (লামডিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথমতে আপোনাৰ যোগেদি মাননীয় মুখ্যমন্ত্ৰীলৈ মোৰ বিনম্ৰ অনুৰোধ থাকিল থাকিল যে মোৰ অঞ্চলটো খৰাংপীড়িত বা পানী নথকা অঞ্চল হয়।গতিকে খড়াংপীড়িত সমষ্টি হিচাপে ঘোষণা কৰে যেন।

অধ্যক্ষ মহোদয়, টঙীয়া গাওঁ পঞ্চায়তৰ অন্তৰ্ভুক্ত যিখন 'ডাঙা' নামৰ বিল আছে, ৩৩২ বিঘা আৰু ৪৬৫ বিঘা মাটিত জলাশয় কিন্তু ডাঙৰ ডাঙৰ বিল। যোৱা বছৰ বৰষুণ নোহোৱাৰ কাৰণে আমাৰ খেতিয়ক ভাইসকলৰ আৰ্থিকভাৱে বহুত জৰা-জীৰ্ণ স্থিতি। সেয়েহে অধ্যক্ষ মহোদয়, এই বিলৰ যোগেদি আমাৰ জলসিঞ্চন বা বিভিন্ন দপ্তৰৰ যোগেদি যদি পানী যোগানৰ কিবা এটা ব্যৱস্থা কৰা যায়, যিহেতু ইয়াত উত্তৰত দিয়া হৈছে যে প'জিশ্যন আছে, গতিকে যদি অতি সোনকালে এইখিনিৰ ব্যৱস্থা কৰা যায় আমাৰ টঙীয়াবাসী ৰাইজ , লামডিংবাসী ৰাইজ নথৈ আনন্দিত হ'ম।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰী অশোক সিংহল (জলসিঞ্চন মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই চৰকাৰ হোৱাৰ পিচতে জলসিঞ্চন বিভাগটোৱে ভালকৈ কাম কৰিব লাগে আৰু ভাল আঁচনিবোৰ আমি কেনেকৈ ল'ব পাৰো, বিভাগটোৰ কাৰ্যপন্থাটো কেনেকৈ ভাল হ'ব পাৰে তাৰ বাবে আমাক নিৰ্দেশ দিছিল আৰু বিভাগটো আমি ৰি-অৰ্গেনাইজ কৰি প্ৰত্যেকটো সমষ্টিত এছডিঅ' অফিচ, দুটা-তিনিটা সমষ্টি মিলাই এগ্‌জিকিউটিভ ইঞ্জিনীয়াৰ অফিচ ক্ৰিয়েট কৰা গ'ল আৰু কামবোৰ এতিয়া আৰম্ভ হৈছে। মহোদয়, মই আপোনাৰ জৰিয়তে সদনক জনায় সুখী হৈছো যে ইতিমধ্যে অসম চৰকাৰে সিদ্ধান্ত লৈছে, মাননীয় মুখ্যমন্ত্ৰীয়ে সিদ্ধান্ত লৈছে যে গোটেই অসমৰ কাৰণে এটা ইৰিগেশ্যন মাষ্টাৰ প্লেন বনাব লাগে । তাৰ কাৰণে চেপ্তেম্বৰ মাহত এখন মিটিং দিল্লীত

হ'ল ,তাত ৰেপকোচ নামৰ কোম্পানী এটাৰ প্ৰেজেনটেশ্যন লোৱা হ'ল, ৰেপকোচে তেলেংগনাত এটা ডাঙৰ প্ৰকল্প কৰিছে লিফ্‌টএৰিগেশ্যনৰ, এই আৰ্হিত কেনেকৈ ইয়াত কাম হ'ব পাৰে। কাৰণ যেতিয়া বানপানী হয়, নদীত যেতিয়া পানী বেছি উঠে হেড্‌ৱৰ্কচবোৰ ভাঙি যায়। এই ভাঙি যোৱাৰ কাৰণে প্ৰকল্প বনাই দিয়াৰ পিচতো জলসিঞ্চনৰ ব্যৱস্থাটো ভালকৈ নহয়। প্ৰায়বোৰ প্ৰকল্পত হেড্‌ৱৰ্কচবোৰ ভাঙি গৈছে। গতিকে গোটেই অসমৰ এটা মাষ্টাৰ প্লেন তৈয়াৰ কৰাৰ কাৰণে আমি ইতিমধ্যে আগবাঢ়িছো আৰু মই  ভাৱো যে অহা ছয় মাহতে মাষ্টাৰ প্লেন ৰেডি হ'ব। অকল আপোনাৰে নহয়, বেলেগ যিমান জাগাত ইৰিগেশ্যনৰ প'টেনচিয়েল আছে আমি লম ।

**মাননীয় অধ্যক্ষ ঃ** চেকেণ্ড চাপ্লিমেন্টৰী,

**শ্ৰীশিবু মিশ্ৰ (লামডিং) ঃ** ঠিক আছে অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে যিমানখিনি কলে আমি ভাল পাইছো। কিন্তু মোৰ এটা অনুৰোধ থাকিল মন্ত্ৰী মহোদয় তথা বিভাগীয় অফিচাৰ যুটীয়াভাৱে যদি পৰিদৰ্শন কৰা যায় তেনেহ'লে কিমানখিনি আমাৰ জলসিঞ্চনৰ প্ৰভিজন আছে সেইখিনি আপোনালোকে  জল ,জল-পট ,পটকৈ অৱগত হ'বপাৰিব।

**মাননীয় অধ্যক্ষ  ঃ** মন্ত্ৰী

**শ্ৰী অশোক সিংঘল (জলসিঞ্চন মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক ডাঙৰীয়াই যিটো প্ৰস্তাৱ দিছে তাত আপত্তি নাই,যাব পাৰি। কিন্তু মই কলোৱে যে গোটেই অসমত কেনেকৈ জলসিঞ্চনৰ মাষ্টাৰ প্লেন ৰেডি হ'ব পাৰে আৰু বানপানীত যিটো পানী আহে, এই পানীটো কেনেকৈ ডাইভাৰ্ট কৰি জলসিঞ্চনৰ ব্যৱস্থা আমি খড়ালি মাহত কৰিবপাৰো তাৰ কাৰণে সিদ্ধান্ত লোৱা হৈছে আৰু তাৰ ওপৰত আগন্তুক  দিনবোৰত কাম আৰম্ভ হ'ব। মই ভাৱো যে অতি শীঘ্ৰে এটা মাষ্টাৰ প্লেন আমি তৈয়াৰ কৰি তাৰ ওপৰত কাম আৰম্ভ কৰিম আৰু লগতে বিধায়কসকলে আমি যিখিনি টেক্‌ন'ল'জি ইন্টাৰভেনশ্যন কৰিলো, মোবাইলত তিনিটা  'এপ' বনোৱা হৈছে ,কৃষকৰ কাৰণে ' খেতিয়ক বন্ধু' বুলি এটা এপ আছে আপোনালোকে ডাউন ল'ড কৰিবপাৰে। আপোনাৰ সমষ্টিত ক'ত কি কি আঁচনি চলি আছে সেইটো চাবপাৰে। আগন্তুক দিনবোৰত এইটো আমি ইন্টাৰেক্টিভ বনাই দিম । কোনটো আঁচনি চলি আছে,কোনটো চলা নাই চাবপাৰিব। মাহত এবাৰ ফটো আপল'ড কৰাৰ ব্যৱস্থা থাকিব। গতিকে ইয়াৰ জৰিয়তে আপোনালোকৰ বহুতখিনি সুবিধা হ'ব। ঠিকাদাৰে কাম কিমান প্ৰগ্ৰেচ কৰিছে এইবিলাক চোৱাৰ কাৰণে প'ৰ্টেলত ব্যৱস্থা আছে। এটা নতুন ৱেব প'ৰ্টেল- irrigation.assam.in launchকৰা হৈছে। গতিকে আপোনালোকে এই সুবিধাবোৰ ব্যৱহাৰ কৰিলে বিভাগটোৱে আপোনালোকৰ পৰামৰ্শৰ পৰা উপকৃত হ'ব আৰু আমিও ভালকৈ কাম কৰিব পাৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, বিদ্যাসিং ইংলেং।

**শ্ৰীবিদ্যা সিং ইংলেং (ডিফু) ঃ** মাননীয় অধ্যক্ষ মহোদয়, লামডিং আৰু ডিফু সমষ্টি দুটা একে । গতিকে যেতিয়া ভিজিট কৰিব ডিফু সমষ্টিৰ বিধায়ককো খবৰ দিব চাৰ।

**শ্ৰীঅশোক সিংহল (জলসিঞ্চন মন্ত্ৰী) ঃ** বিধায়ক ডাঙৰীয়াই নিমন্ত্ৰণ দিছে,আমি ৰক্ষা কৰিম।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া,মন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে জলসিঞ্চন বিভাগৰ ওপৰত মাষ্টাৰ প্লেনৰ যিটো জৰীপ চলাই আছে বা বিভিন্ন সন্থাৰ দ্বাৰাই তাৰ ওপৰত কাম-কাজ চলাই আছে, আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাম যে জলসিঞ্চন বিভাগৰ মাষ্টাৰ প্লেন প্ৰস্তুত কৰাৰ আগতে প্ৰতিটো জিলাই জিলাই বিধায়ক সকলৰ লগত, বিভাগীয় বিষয়াসকলৰ লগত এখন সভা পাতি জিলাৰ ওপৰত এটা পৰামৰ্শ লবলাগে যাতে

কোনটো অঞ্চলত বা কোনখন জিলাৰ কোনটো সমষ্টিত কি ধৰণে জলসিঞ্চনৰ বিভিন্ন আঁচনি ললে কাৰ্যক্ষম হ'ব।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰীঅশোক সিংহল (জলসিঞ্চন মন্ত্ৰী) ঃ** প্ৰস্তাৱটো মই বিবেচনাৰ বাবে গ্ৰহণ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং-৮৮, সুজাম উদ্দিন লস্কৰ ।

**শ্ৰীসুজাম উদ্দিন লস্কৰ (কাটলিছড়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সমষ্টিত দীননাথপুৰ ৰামপুৰ পি,এইচ,চিৰ নতুন চেন্টাৰ টো ১৫ ডিচেম্বৰত সম্পূৰ্ণ হৈছে বুলি আজি গম পালো। এতিয়া যেনে- তেনে হওঁক ট্ৰেন্সফৰ্মাৰ লগাই হস্পিতালখন ৰেডি কৰিছে। কঞ্চা ৰামচণ্ডী ,ৰামসুধনিপুৰ, আপোন ৰংপুৰ, দীননাথপুৰ এই চাৰিটা গাওঁপঞ্চায়তৰ ভিতৰত এখন হস্পিতাল যোৱা চৰকাৰৰ সময়ত হৈছে তাৰ বাবে আমি ধন্যবাদ জনাইছো ।এতিয়া মই মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ কৰিম যে এতিয়া অতি সোনকালে হস্পিতালখন আৰম্ভ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত (মন্ত্ৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে কৈছিলে এইটো আগতেই হৈছে বুলি। কিন্তু আমাৰ ইলেক্ট্ৰিচিটি বা অন্যান্য কাম কৰি যোৱা ১৫ ডিচেম্বৰ তাৰিখে এইটো সম্পূৰ্ণ কৰিছে। গতিকে আমি এতিয়া হস্পিতালখন তেখেতে কোৱা ধৰণে সোনকালে আৰম্ভ কৰিব পাৰিম। কিন্তু এটা কথা মই কৈ থওঁ যে হস্পিতাল এখন হ'ব লাগিলে তাত ডাক্টৰ,নাৰ্ছৰ লগতে অন্যান্য পদসমূহ লাগে। ক্ৰিয়েট হয়টো হোৱা নাই। মই তেখেতক কৈছো যে আমি এন,এইচ,এমৰ পৰা এডিশ্যনেল কাৰোবাক দি হ'লেও হস্পিতালখন সোনকালে আৰম্ভ কৰাৰ ব্যৱস্থা কৰিম।

**শ্ৰীসুজাম উদ্দিন লস্কৰ (কাটলিছড়া) ঃ** মাননীয়অধ্যক্ষ মহোদয়, মই আপোনাৰ মাধমে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো আমাৰ ইয়াত'জামিড়া 'এটা ষ্টেট ডিচপেনচাৰী ১৯৬৭তে হৈছিলে। ইয়াতো চাৰিটা গাওঁ পঞ্চায়ত। আমাৰ বোৰ্ডাৰ আসাম মিজোৰাম বোৰ্ডাৰ এৰিয়া হয়। যোৱাকালি মন্ত্ৰী মহোদয়ৰ লগত এই সম্পৰ্কত কথা পাতিছো। যদি আজি সদনত এটা প্ৰতিশ্ৰুতি দিয়ে এইটো আপগ্ৰেড কৰাৰ কাৰণে ভাল হয়।

**শ্ৰী কেশৱ মহন্ত (মন্ত্ৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, জামিৰা ষ্টেট ডিচপেনচাৰীৰ লগতে ঠায়ে ঠায়ে যিখিনিত জনসংখ্যাৰ ডিমাণ্ড আছে বা প্ৰয়োজন আছে সেই কথাখিনি আমি পৰীক্ষা কৰি আছো আৰু মাটিবাৰীৰ পৰিমাণ কিমান আছে এইটো মই পৰীক্ষা কৰিবলৈ দিম আৰু নিশ্চয়কৈ এইটো চৰকাৰে বিচাৰ-বিবেচনা কৰিব। ।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী দিগন্ত বৰ্মণ।

**শ্ৰী দিগন্ত বৰ্মণ (বৰক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নটো আঁচলতে কাটলিচৰাৰ। অসমত থকা চাব-চেণ্টাৰ বিলাক পি এইচ্ চি বা ষ্টেট ডিচপেনচাৰীলৈ উন্নীত কৰিব পাৰি নেকি কাৰণ কিছুমান এৰিয়াত পাঁচ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰত পি এইচ চি নাথাকে গতিকে এই চাব-চেণ্টাৰ বিলাক পি এইচ্ চি বা ষ্টেট ডিচপেনচাৰীলৈ উন্নত কৰাৰ কিবা পৰিকল্পনা আছে নেকি?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়।

**শ্ৰী কেশৱ মহন্ত (মন্ত্ৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সকলো সন্মানীয় সদস্যৰ জ্ঞাতাৰ্থে জনাব বিচাৰিছো যে আমাৰ ইয়াত মুঠ চাব-চেণ্টাৰ আছে ৪৬২১ টা। এই ৪৬২১ টা চাব-চেণ্টাৰৰ ২,২০০ টা চাব-চেণ্টাৰ ইতিমধ্যে হেল্থ এণ্ড ৱেলনেচ

চেণ্টাৰলৈকে উন্নীত কৰিছো। প্ৰত্যেকৰে সমষ্টিত হৈছে আৰু বাকী থকা খিনিৰো প্ৰপোজেল আছে যাতে আমি কৰিব পাৰো। যোৱা বাজটত আমি কৈছো যে ১০০০ বুনিয়াদী স্বাস্থ্যকেন্দ্ৰ কৰিম। যিবিলাক সমষ্টিৰ ওচৰত পি এইচ চি, চি এইচ চি, মডেল হস্পিতাল, চিভিল হস্পিতাল নাই তেনেকুৱা দূৰত্বত থকা চাব-চেণ্টাৰ বিলাকক ডাক্তৰ, নাৰ্চ,লেবাৰ ৰুম, দহখন বিচনা যুক্ত কৰি হস্পিতাললৈ উন্নত কৰিম। আমি প্ৰত্যেকজন বিধায়কৰ পৰা বৰ্তমান দুখন দুখন তেনেকুৱা ধৰণৰ চাব-চেণ্টাৰ বিচাৰিছো আৰু পৰ্য্যায়ক্ৰমে এইটো বাঢ়িব। অকল চাব-চেণ্টাৰৰ নাম দিলেই নহ'ব এইকেইটা ক্ৰাইটেৰিয়া আছে নে নাই আমি পৰ্য্যবেক্ষণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৮৯ শ্ৰী চামচুল হুদা। তেখেতে অনুপস্থিত। এতিয়া প্ৰশ্ন নং ৯০, শ্ৰী কৰিমউদ্দিন বৰভূঞা, তেখেত ও অনুপস্থিত। এতিয়া প্ৰশ্ন নং ৯১, শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কেশৱ মহন্ত (মন্ত্ৰী, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত আছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্ট উত্তৰ জানিব বিচাৰিছো যে যোৱা ৬ আগষ্ট, ২০২১ তাৰিখে আমাৰ প্ৰিঞ্চিপাল চেক্ৰেটাৰী, হেল্থ অফিচৰ পৰা এখন চিঠি গৈছিল যে এক সপ্তাহৰ ভিতৰত জিলা চিকিৎসালয়ৰ ১০ কিলোমিটাৰৰ ভিতৰত ঠাই ঠিক কৰি পঠিয়াব লাগে। গতিকে এই ঠাই নিৰ্ব্বাচন কৰি ডি চি য়ে পঠিয়াইছে নেকি বা কিমানখিনি আগবাঢ়িছে?

ÿÆ Ãûþ Â¸ëÅ×Ã [à] ¦ ‡ ¢ÉþÖÅ¸1 HLB 167/2020 তাৰিখে 37/2021 মৰ্মে উপায়ুক্ত ভূমি চিনাক্তকৰণৰ বাবে এখন কমিটি গঠন কৰি দিয়া হৈছে আৰু এই কমিটিয়ে অচিৰেই ভূমি পৰিদৰ্শন কৰি চৰকাৰক প্ৰতিবেদন দাখিল কৰিব। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে- এই কমিটিখন কেতিয়া যাব আৰু কিমান দিনৰ ভিতৰত এই ৰিপোৰ্টটো আনি চৰকাৰৰ ওচৰত দাখিল কৰিব?

**শ্ৰী কেশৱ মহন্ত (স্বাস্থ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো আজি নহয় ইয়াৰ আগতেও সদনত উত্থাপন হৈছে। আপোনালোকে সদনৰ বিশেষকৈ কৰিমগঞ্জৰ আটাই কেইজন বিধায়কে জানে যে সদনত আলোচনা মৰ্মে চিঠি দিয়া হৈছিল যে এইক্ষেত্ৰত মাটি ঠিক কৰিব লাগে কিন্তু মাটিৰ ক্ষেত্ৰত আজিলৈকে আমি খাটাং কৈ এটা সিদ্ধান্ত ল'ব পৰা নাই। সিদ্ধান্ত ল'ব নোৱাৰাৰ মূল বিষয়টো আমি লুকুৱাই থৈ লাভ নাই যে কৰিমগঞ্জৰ বিধায়ক আটাইকেইজনেই একমত হ'ব পৰা নাই। এতিয়া আমি এখন কমিটি গঠন কৰি দিছো, কমিটি তাত যাব আৰু গৈ গোটেইখিনি চাই-চিতি ফাইনেল ৰিপোৰ্ট দিব আৰু সেই ৰিপোৰ্টৰ ভিত্তিত সিদ্ধান্ত লোৱা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। নেক্সত্ চাপ্লিমেণ্টৰী।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কোৱাখিনি ঠিকেই আছে তাৰ কাৰণে মই ধন্যবাদ জনাইছো আৰু এই বিষয়ত মোৰ ক'বলগীয়া নাই। মই ক'ব বিচাৰিছো যে যেতিয়া আপোনালোকে চিঠিখন পঠিয়াইছে আৰু কৈছে যে কমিটিখন যাব। আমিও বিচাৰিছো। এই মেডিকেল কলেজখন কেৱল মোৰ কাৰণে বা কোনো বিধায়কৰ কাৰণে নহয়, সমগ্ৰ কৰিমগঞ্জ জিলাৰ বা অসমৰ ৰাইজৰ কাৰণে। গতিকে য'ত ফিজিবিলিটি হ'ব তাতেই মেডিকেল কলেজখন হ'ব লাগে। আপুনি জানে যে এইটো লৈ ৰাজনীতি চলি আছে। সেইকাৰণে আমি বিচাৰিছো অচিৰেই ১০-১৫ দিনৰ ভিতৰত কমিটিখন পঠিয়াই দিব লাগে আৰু য'ত ফিজিবিলিটি হয়...........

..........সদনত হুলস্থূল .................................

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী বিজয় মালাকাৰ, মই আপোনাক চাপ্লিমেণ্টৰী দি আছো।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ এটাই কথা যে কৰিমগঞ্জৰ পৰিবেশ যিহেতু বহুত বেয়া হৈ আছে সেয়ে ১০-১৫ দিনৰ ভিতৰত এক্সপাৰ্ট কমিটিখন পঠিয়াই দিব লাগে আৰু য'তেই ফিজিবিলিটি হ'ব তাতেই মেডিকেল কলেজখন বনাই দিয়ক।

**শ্ৰী কেশৱ মহন্ত (স্বাস্থ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ প্ৰিঞ্চিপাল চেক্ৰেটাৰী ডাঙৰীয়া ক'ভিড পজিটিভ হোৱাৰ কাৰণে অলপ ৰ'ব লগীয়া হৈছে, তেওঁ অলপ ভাল পালে আমি পঠিয়াই দিম।

**মাননীয় অধ্যক্ষ ঃ** নেক্স্ত চাপ্লিমেণ্টৰী। মাননীয় সদস্য শ্ৰী বিজয় মালাকাৰ।

**শ্ৰী বিজয় মালাকার (রাতাবাড়ী):-** অধ্যক্ষ মহোদয়, আপনি জানেন।

**অধ্যক্ষ ঃ** মই নহয়, মোৰ দ্বাৰা সিফালে শুধক । মই জনা নজানা একো কামত না আহে।

**শ্ৰী বিজয় মালাকার (রাতাবাড়ী):** মন্ত্ৰী মহোদয় একদম ঠিক উত্তর দিয়েছেন। কিন্তু আমি বলছি যেহেতু আমাদের মাননীয় মুখ্যমন্ত্ৰী দুই দিন আগে এই বিধান সভায় বলেছেন করিমগঞ্জ জেলায় মেডিকেল কলেজ হবে। করিমগঞ্জ জেলার রাতাবাড়ীতে হবে বলেছেন। আর রাতাবাড়ী কি করিমগঞ্জ জেলায় পরে না? রাতাবাড়ী কি বরাক ভেলিতে পরে না? রাতাবাড়ী কি অসমে পরে না? এই বিষয় নিয়ে মাননীয় বিধায়ক ডেইলি প্রেস মিট করছেন,ধর্না দিচ্ছেন।

**মাননীয় অধ্যক্ষ ঃ** এটা তো বিধায়কের কথা না। আপনি প্ৰশ্ন করুন কি জানতে চান? বিজয় আপনার কি ইনফরমেশন লাগে? আপনার রাতাবাড়ীতে মেডিকেল কলেজ করবে কিনা সেটা প্রশ্ন করুণ ।

**শ্ৰী বিজয় মালাকার (রাতাবাড়ী):** না না মাননীয় মুখ্যমন্ত্ৰী তো দুই দিন আগে বলেছেন, তাই মাননীয় স্বাস্থ্য মন্ত্ৰীকে জিজ্ঞাসা করছি সেটা পরিষ্কার করে বলার জন্য। এই কারণে মাননীয় মুখ্যমন্ত্ৰীকে আমি রাতাবাড়ী সমষ্টির জনগণের পক্ষ থেকে ধন্যবাদ জ্ঞাপণ করছি।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ৯২, শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ)।

**শ্ৰী যোগেন মহন (ৰাজহ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো অতি স্পৰ্শকাতৰ আৰু জৰুৰী যে ব্ৰহ্মপুত্ৰ নদীত যিটো সীমা আছিলে, শোণিতপুৰ আৰু নগাঁও জিলাৰ স্বাধীনতাৰ সময়ত তাৰ পিছত নদীখন গড়া খহাই খহাই দক্ষিণ দিশলৈ প্ৰায় ১৪ কিঃমিঃ গড়াখহনীয়া কৰি আহিল। Revenu Village ভাঙিছে তাত নতুন নতুন চৰ-চাপৰি সৃষ্টি হৈছে। সেই চৰ-চাপৰি বিলাকত সেই গাঁৱত যিবিলাক মানুহ আছিল সেই মানুহ সকল সেই চৰ-চাপৰি বিলাকত এতিয়া গৈ বহিছে Revenu Village বিলাক ভঙাৰ পিছত। এতিয়া যিমানে নদী ভাঙি দক্ষিণ ফালে আহি আছে সেইখিনি শোণিতপুৰ জিলাত বোলে অন্তৰ্ভূক্ত হৈ আছে। যদি কালিলৈ নগাঁও টাউনলৈকে নদী ভাঙি পেলাই নগাওঁ টাউনটো শোণিতপুৰ জিলাত হৈ পৰিব। নগাঁওৰ যে Revenu Village বিলাক আছিল আজি তাত শোণিতপুৰ জিলাৰ পৰা Notice আহে, সেই মানুহ বিলাকক আপোনালোকে ইয়াত আছিল বৰচলা, ঢেকীয়াজুলী চাৰ্কোল অফিচৰ পৰা। Revenue Village বিলাক গড়াখহনীয়াৰ আগত নগাঁও জিলাত আছিল। এতিয়া উত্তৰত কৈছে আগত তথ্য

বিলাক পোৰা নাই, গতিকে ১৯৬৬ চনৰ আগৰ আছিলে কোনটো সীমা আছিলে, গতিকে এই বিষয়টো মই ভাবো স্বাধীনতাৰ সময়ত যিটো সীমা আছিলে, সেই সীমাটো নিৰ্ধাৰণ হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী যোগেন মহন (ৰাজহ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা বহু নৈত গড়াখহনীয়া হৈ দুখন জিলাত হ'ব নগাওঁ গড়াখহনীয়া হ'ব সেইফালে শোণিতপুৰলৈ যাব। মানুহখিনি আকৌ সেই ফাললৈ গুচি যায়। Survey নোহোৱাকৈ আকৌ শোণিতপুৰ জিলাতে দিব পৰা নাযাব। আমি এতিয়া Mission Basundhara কৰিছো যে, Resurvey of ১৮,৭৮৯ জিলা। আমি এতিয়া মিছন মুডত আমি ৩১ মাৰ্চ ২০২২ চাৰ্ভে হ'ব। তাৰ পিছতে এই বিলাক resettlement হ'ব। আগত কোনো চৰকাৰৰ এই Resurvey টো হোৱা নাছিল আজি ৫০ বছৰ হ'ল। গতিকে এতিয়া administrative সকলো নগাঁৱে চাই আছে, আমাক জনাইছে ধিং চাৰ্কোলৰ পৰা। গতিকে অলপমান দিন ৰাখিলে Revenue Department য়ে আমি Mission Basundhara লৈছো। গতিকে আমি তিনিটা Component লৈছিলো তাৰ ভিতৰত এইটো ৩ নম্বৰটো আছে Resurvey. আমাৰ যিমান Revenue Village আছিলে পুনৰ আমি Resurvey কৰিম।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কথাটো ওলোটাকৈ বুজিছো। মই কৈ আছো। গাওঁ বিলাক নগাঁও জিলাৰ আছিলে, এতিয়া গড়াখহনীয়াৰ ফলত ভাঙি ভাঙি গ'ল। এতিয়া শোণিতপুৰৰ অন্তৰ্ভূক্ত কৰি দিলে চৰ বিলাক। এইটো নগাঁও জিলাৰ অন্তৰ্ভূক্তহে হ'ব লাগে। আগতে নগাঁৰৰ আছিলে গাঁও বিলাক। তেখেতে কৈ আছে শোণিতপুৰত চাৰ্ভে কৰি শোণিতপুৰত সোমাব। কেইদিনমান আগতে মুখ্যমন্ত্ৰী ডাঙৰীয়াইও ক'লে যে এই লোক সকল বৰচলা, ঢেকীয়াজুলী, ধিং ৰূপহীৰ মানুহ সোমাই গ'ল। আচলতে ধিং ৰূপহীৰ মানুহ ঢেকীয়াজুলীত সোমোৱা নাই। গাওঁখিনি আছিলে নগাঁও, ধিং জিলা সমষ্টিত। তাৰ পিছত যেতিয়া নদী ভাঙি ভাঙি ১৫ কিঃমিঃ আগুৱাই আহিলে সেই চৰ বিলাকত নগাঁওৰ সেই গাঁৰৰ মানুহখিনিয়ে আছে। এতিয়া শোণিতপুৰে Notice দিছে আপোনালোকে ইয়াৰ পৰা খালী হ'ব লাগে। গতিকে এই কথাটো নগাঁৰৰ অন্তৰ্ভূক্ত হ'ব লাগে।

**শ্ৰী যোগেন মহন (ৰাজহ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেইটো আমি Resurvey কৰিব লাগিব। গোটেইখিনিটো উটি গুচি গ'ল, সেইখিনি আৰু ইয়াত অন্তৰ্ভূক্ত কৰিব লাগিব। তাৰ কাৰণে survey হ'ব লাগিব।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্য নুৰুল হুদা।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সীমাৰ কথাটো ক'লে, এইটো হৈয়ে আছে, তাৰো ওপৰত আৰু এটা ডাঙৰ সমস্যা হৈছে, চৰ বিলাকত যে মানুহ বিলাক বসবাস কৰে, ৩ লাখ ৫০ হাজাৰ মানুহ গড়াখহনীয়াত ক্ষতিগ্ৰস্ত পৰিয়াল অসমত আছে।

**মাননীয় অধ্যক্ষ** ঃ বিষয়টো সেইটো নহওক। বিষয়টো হ'ল গড়াখহনীয়াৰ বাবে মানুহখিনি বাহিৰত থাকিবলগীয়া হৈছিলে, এতিয়া আৰু নদীখন বেলেগ ফালে গুচি যোৱাত পুনৰ তাত বহিছে কিন্তু এতিয়া জিলা হিচাবে administrative শোণিতপুৰ জিলাতে তেওঁলোকৰ এৰিয়াটো বুলি কৈছে, সেইটো এৰিয়াতো যিটো তেখেতে কৈছে সেইটো আগৰ পৰাই নগাঁও জিলাৰ।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মানুহখিনিক যদি গড়াখহনীয়াৰ প্ৰমানপত্ৰ দিলেহেতেন তেতিয়া হ'লে মানুহৰ হাতত প্ৰমাণ থাকিলে হয়। এই কথাটো আপোনাৰ যোগেদি মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী মহোদয়ৰ লগত বিষয়টো আলোচনা কৰি ল'ব। এতিয়া মাননীয় সদস্য শ্ৰী মৃণাল শইকীয়া।

**শ্ৰী মৃণাল শইকীয়া (খুমটাই)ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমত দেখা যায় যে, গড়াখহনীয়াৰ নামত এচাম লোকৰ সদায় প্ৰৱনতা থাকে যে মাটি দখল কৰো। সেই কাৰণে কিমান নদীত গড়াখহনীয়া আছে, কিমান গাঁও গড়াখহনীয়াত বুৰ গৈছে, কিমান মানুহ ক্ষতিগ্ৰস্ত হৈছে, সেইটো প্ৰথমতে survey হ'ব লাগে। Exact Figure টো লাগে। বহু লোকে অযথা গড়াখহনীয়াত ক্ষতিগ্ৰস্ত বুলি শ শ বিঘা ভূমি দখল কৰি আহিছে অসমত।

**শ্ৰী পিযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই যিহেতু জলসম্পদ মন্ত্ৰী যোৱাবাৰৰ এনেকুৱাকৈ ঘৰ-দুৱাৰ ভাঙি যোৱাৰ বহুত Record নাই।

**মাননীয় অধ্যক্ষ ঃ** ইতিমধ্যে মন্ত্ৰী ডাঙৰীয়াই আশ্বাস দিছে। এতিয়া প্ৰশ্ন নম্বৰ ৯৩। শ্ৰী আব্দুৰ ৰহিম আহমেদ, অনুপস্থিত। ইয়াৰ পিছত প্ৰশ্ন নম্বৰ ৯৫ শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, অনুপস্থিত। এতিয়া প্ৰশ্ন নম্বৰ ৯৪ শ্ৰী জলেন দৈমাৰী।

**শ্ৰী কেশৱ মহন্ত (স্বাস্থ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী জলেন দৈমাৰী (তামুলপুৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, .............বড়ো................ আমাৰ তামুলপুৰ সমষ্টিৰ অন্তৰ্গত যিমান মেডিকেল আছে তাৰ ভিতৰত কিছুমান মেডিকেলত আজিৰ দিনত X-Ray, ECG বা ভাল লে'বৰেটৰী আমাৰ তামুলপুৰ সমষ্টিৰ মেডিকেলবোৰত নাই। গতিকে মই মাননীয় মন্ত্ৰী মহোদয় ডাঙৰীয়াৰ পৰা এই বিষয়ে জানিব বিচাৰিছো।

**শ্ৰী কেশৱ মহন্ত (স্বাস্থ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তামুলপুৰ সমষ্টিৰ মেডিকেলৰ সকলোবোৰ তথ্য এতিয়া দিছো। তথ্যমতে CHC আৰু নাগ্ৰিজুলী মডেল হস্পিতালত X-Ray, ব্যৱস্থা আছে। ECG মেচিন চিকিৎসালয় বোৰত জিলা হস্পিতালবোৰত দিবৰ কাৰণে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছো। সেইদৰে আমি Laboratory ৰ চাৰ্ভিচৰ ক্ষেত্ৰটো মই তথ্য সহকাৰে তেখেতেক দিছো। ইয়াৰ উপৰিও ডাক্তৰ, নাৰ্চ ক'ত কেনেকৈ আছে মই তথ্য সহকাৰে দিছো। তামুলপুৰ সমষ্টিত ইতিমধ্যে মেডিকেল কলেজ হ'বলৈ গৈ আছে। বৰ্তমান তাত থকা হস্পিতালবোৰত যিবোৰ অভাৱ অভিযোগ আছে সেইখিনি পুৰাবৰ বাবে মই ব্যৱস্থা ল'ম।

**শ্ৰী জলেন দৈমাৰী (তামুলপুৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বৰখাটা PHC ৰ তামুলপুৰ ব্লকৰ অধীনত যি আমাৰ PHC আছে তাত আমাৰ 4th Mizo Battalion য়ে দখল কৰি আছে। বাকী আজিৰ তাৰিখলৈ আমাৰ গোৱাবাৰী PHC ত Non-functioning হৈ আছে।

মই মাননীয় অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ যে বৰখাটা PHE ৰ 14th Mizo Battalion য়ে যিহেতু occupied কৰি আছে, এইটোৰ functioning কৰিবৰ কাৰণে কিবা গ্ৰহণ কৰিব পাৰে নেকি ?

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মন্ত্ৰী মহোদয়।

**শ্ৰীকেশৱ মহন্ত (স্বাস্থ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে যি কেইটা কথা কৈছে, non functioning, functioning । এই কথা কেইটা কি কাৰণে হৈছে, এইটো মই এবাৰ পৰীক্ষা কৰাৰ প্ৰয়োজন হ'ব। তাত নিযুক্তি পোৱা মানুহে চাকৰি কৰি থকা নাই নে, কৰবাত নেদিয়াকৈ আছে। এই গোটেই খিনি কথা মই সদস্য গৰাকীক কৈছে যে আমি পৰীক্ষা কৰাৰ কাৰণে অফিচাৰ পঠাই দিম আৰু তেখেতে তাত উপস্থিত থাকিব, তাত কি কি সমস্যা আছে, গোটেইখিনি লৈ আহিব।

মই নকওঁ যে এশ শতাংশ কৰিব পাৰিম বুলি, যিমানখিনি কৰিব পাৰি, কৰি দিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। supplementary সন্মানীয় সদস্য ড° ৰফিকুল ইছলাম।

**ড° ৰফিকুল ইছলাম (জনীয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, তামুলপুৰ সমষ্টি বিধায়ক ডাঙৰীয়াই X-ray, ECG, EEG machine আদিৰ যি প্ৰশ্ন আনিছে, আমিও লক্ষ্য কৰিছো যে চৰকাৰী হস্পিতাল বিলাকত কিছু পৰিমানে এই ব্যৱস্থাটো আছে। কিন্তু যিমান উন্নত পদ্ধতিৰ হ'ব লাগে, তেনেকুৰা নহয়। তাৰ ফলত বাহিৰত থকা laboratory খিনিৰ ইমাত উৎপাত, ডাক্তৰ বিলাকে ৰোগী ওচৰলৈ গলে, ৫, ৬, ৭ টা পৰ্য্যন্ত পৰীক্ষা কৰিবলৈ লিখি দিয়ে। হাজাৰ হাজাৰ টকা দুখীয়া মানুহখিনিয়ে ভৰিব লগীয়া হয়। মই মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছোঁ যে আমাৰ চৰকাৰী হস্পিতাল বিলাকত এই ব্যৱস্থাটো ভালদৰে কৰিব, যাতে দুখীয়া মানুহখিনি বাহিৰলৈ পৰীক্ষা কৰিবলৈ যাব লগা নহয়। লগতে মোৰ সমষ্টিৰ কলগছিয়া হস্পিতালত মেডিচিন ডাক্তৰ নাই বহু দিনৰ পৰা, সেইটোৰ ব্যৱস্থা কৰিব বুলিও মই আশা কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্ন নং ৯৫, সন্মানীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

তেখেত সদনত উপস্থিত নাই। এতিয়া প্ৰশ্ন নং ৯৬, সন্মানীয় সদস্য শ্ৰী আব্দুল বাতিন খণ্ডকাৰ।

**শ্ৰীকেশৱ মহন্ত (স্বাস্থ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনত ৰখা আছে।

**শ্ৰীআব্দুল বাতিন খণ্ডকাৰ (উত্তৰ অভয়াপুৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো হ'ল যে বুনিয়াদী স্বাস্থ্য কেন্দ্ৰ বিলাক কেনেকৈ সমষ্টি বিলাকত বিতৰণ কৰা হ'ব সেই কথাটো মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী মহোদয়।

**শ্ৰীকেশৱ মহন্ত (স্বাস্থ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেত কৈছে যে বুনিয়াদি স্বাস্থ্য কেন্দ্ৰ কেনেকৈ নিৰ্মাণ কৰিব। বুনিয়াদি স্বাস্থ্য কেন্দ্ৰৰ যিটো criteria ঠিক কৰা হৈছে, আমাৰ উদ্দেশ্যটো হৈছে যিবিলাক আমাৰ Mini PHC, State Dispensary, Model Hospital যিবিলাকৰ বহুত দুৰত্বৰ লৈকে হস্পিতাল নাই, তেতিয়া existing sub-center য'ত আমি এখন হস্পিতাল কৰিম, এইটো বেলেগ নহয়। এইটো আগৰ sub-center ত থকা staff attach হৈ যাব। ডাক্তৰ
কৰিম, এইটো বেলেগ নহয়। এইটো আগৰ sub-center ত থকা staff attach হৈ যাব। ডাক্তৰ
আমি দি দিম, pharmacist দিব লাগে, সেইখিনি আমি লাহে লাহে দি দিম। কিন্তু হস্পিতালখন বনোৱাৰ লগে লগে যাতে functioning হয়, এইটোৱে মুল কথা। উদ্দেশ্যটো হ'ল যে জনসাধাৰণে চিকিৎসাৰ কাৰণে হস্পিতাল বিচাৰি বহুত দূৰলৈকে যাব নালাগে।

**মাননীয় অধ্যক্ষ** ঃ 2nd supplementary ।

**শ্ৰীআব্দুল বাতিন খণ্ডকাৰ (উত্তৰ অভয়াপুৰী)** ঃ ধন্যবাদ, মন্ত্ৰী মহোদয়ে যিটো উদ্দেশ্য কলে সেইটো খুব ভাল উদ্দেশ্য আৰু আমাৰ ৰাইজৰ কামত আহিব। এতিয়া আমাৰ অভয়াপুৰী উত্তৰ সমষ্টিৰ পৰা কোনো PHC ৰ বাবে proposal বিচৰা হৈছে নেকি ?

**শ্ৰীকেশৱ মহন্ত (স্বাস্থ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৰে পৰা বিচাৰিম। বিধায়ক সকলেও পৰামৰ্শ দিব পাৰে। আমাৰ criteria কেইটা পূৰণ কৰিছে নে এইটো কথা আমি চাম আৰু চাই পেলাই কামখিনি হ'ব। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ উদ্দেশ্যটো হ'ল যে হস্পিতাল ৰাইজৰ ওচৰ চাপি যাব লাগে। আগতে যদি ১০ কিলোমিটাৰ গৈ হস্পিতাল পাইছিলে, এতিয়া ৫ কিলোমিটাৰ

বা ৩ কিলোমিটাৰ গৈ হস্পিতাল পোৱাৰ কাৰণে আঁচনিখন লোৱা হৈছে। এই আঁচনিৰ জৰিয়তে হস্পিতাল সকলোৱে পাব, তাত কোনো চিন্তা কৰিব লগীয়া নাই। ইয়াৰ জৰিয়তে স্বাস্থ্য কেন্দ্ৰত এটা বেলেগ পৰিবৰ্তন আনিব বিচৰা হৈছে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী ছিদ্দিক আহমেদ।

**শ্ৰীছিদ্দিক আহমেদ (দক্ষিণ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ স্বাস্থ্য কেন্দ্ৰ উন্নত কৰাৰ কথা কোৱা হৈছে। মই এটা কথা ক'ব বিচাৰিছো যে সমষ্টি বিলাকত স্বাস্থ্য কেন্দ্ৰ, উপস্বাস্থ্য কেন্দ্ৰ দিছে, তাত boundary wall নাই, ডাক্তৰ, নাৰ্চ আদি থাকিবলৈ কোনো ধৰণৰ quarter নাই, ডাক্তৰ বিলাকো নাথাকে, এজনে নাৰ্চ থাকে। আৰু কিছুমান sub-center আছে, য'ত ডাক্তৰে নাই। মোৰ সমষ্টিৰ মডেল হস্পিতালত ECG, x-ray machine আদিৰ একো ব্যৱস্থা নাই। গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছোঁ যে সমষ্টি ভিত্তিত ১০ কিলোমিটাৰ অন্তৰে অন্তৰে sub-center বিলাক ডাক্তৰ, নাৰ্চ, ECG, X-ray machine আদিৰ ব্যৱস্থা থাকিব লাগে। quarter, boundary wall ৰ ব্যৱস্থা কৰি দিয়ে। হস্পিতালৰ পৰিবেশ যদি ভাল নাথাকে, ৰোগীবিলাকেও আহি ভাল নাপায়, এইখিনি কৰিলে ৰাইজৰ উপকাৰ হ'ব।

**শ্ৰীকেশৱ মহন্ত (স্বাস্থ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এতিয়া লাহে লাহে এইবিলাক উন্নত কৰি থকা হৈছে। মই অকনমান আগতে কৈছিলো যে ৪৬২১ টা sub-centerত ২২০০ টা ইতিমধ্যে Health & Wellness center ৰ লৈ update কৰাৰ কাৰণে আঁচনিত আছে। এতিয়া আপোনাৰ ৬ খনকৈ বিছনা থকা এখন sub-center হ'ব, তাত আমি B. Sc Nursing যিসকলে পাছ কৰি আহিছে, তেওঁলোকক আমি community health officer হিচাপে যোৱা কেইদিনমান আগতে ৩৩ গৰাকীক নিযুক্তি দিছো। তেনেধৰণে sub-center তো কৰি আনিব বিচৰা হৈছে। আপোনাৰ তাত যদি ১০ টা আছে, তাৰে চাৰি পাঁচটাত হৈছে, বাকীকেইটাতো হ'ব আৰু বাকী PHC বিলাকত য'ত quarter, boundary wall ৰ ব্যৱস্থা নাই, তাত step by step লৈ থকা হৈছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা সৰু বস্তু আছে। এই census টো ২০১১ চনৰ census মতে চলি আছে। এই যি কামবিলাক হ'ব এইটো ২০১১ ৰ census মতে হ'ব নে ২০২১ চনৰ census মতে হ'ব। যিহেতু ২০২১ ৰ census টো হোৱা নাই, সেয়েহে কেনেকৈ কৰিব? ২০১১ ৰ মতে কৰিব নে ২০২১ ৰ মতে হ'ব?

**মাননীয় অধ্যক্ষ** ঃ- এতিয়া Question hour over. এতিয়া তাকৰীয়া সময়ৰ প্ৰশ্ন। এতিয়া মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) আপুনি এটা এটা বিভাগৰ প্ৰশ্নটো পঢ়িলেই হ'ল। মন্ত্ৰী সকলে পঢ়ি ইয়াৰ response দিব।

**শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ) (ধিং)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয় পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ক সুধিব বিচাৰিছো

(ক) ১৩ ডিচেম্বৰ ২০২১ তাৰিখে নগাওঁ জিলাৰ জুৰিয়া থানাৰ অন্তৰ্গত দগাঁৱত হাতীৰ আক্ৰমণত এগৰাকী লোকৰ মৃত্যু হোৱাৰ কথাটো চৰকাৰ জ্ঞাত নে?

(খ) মৃত লোক জনৰ নাম কি? তেওঁৰ পৰিয়ালক কিবা ক্ষতিপূৰণ দিয়া হ'ল নে ? যদি দিয়া হোৱা নাই, কেতিয়া আৰু কিমান ক্ষতিপুৰণ দিয়া হ'ব?

(গ) বনৰক্ষীৰ গুলীত কালি বকোৰ কুকুৰমাৰাত দুই বছৰীয়া শিশু এটিৰ মৃত্যু সংক্ৰান্তত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিলে?

**माननीय अध्यक्ष** ঃ- উত্তৰ বন মন্ত্ৰী ডাঙৰীয়া। আপুনি উত্তৰখিনি পঢ়ি গলেই হ'ল।

**শ্ৰীপৰিমল শুক্লবৈদ্য (পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী)** ঃ- অধ্যক্ষ মহোদয়,

(ক) মৃত্যু হোৱা কথাটোৰ বিষয়ে চৰকাৰ অৱগত।

(খ) মৃত লোক জনৰ নাম চিৰাজুল হক, ৫৬ বছৰীয়া। তেওঁৰ পৰিয়ালক তাৎক্ষণিকভাৱে ৫ হাজাৰ টকাৰ আৰ্থিক সাহাৰ্য্য প্ৰদান কৰি বিভাগীয় নীতি-নিয়ম অনুসৰি কামখিনি আগবঢ়াই দিয়া হৈছে, আৰু চৰকাৰী কামখিনি সম্পূৰ্ণ হ'লে Exgratia হিচাবে ৪ লাখ টকা তেওঁৰ পত্নীৰ একাউন্টত জমা দিয়া হ'ব।

(গ) যোৱা ইংৰাজী ১০-১২-২০২১ তাৰিখে বোন্দাপাৰা বনাঞ্চলিক কাৰ্য্যালয়ৰ কাষৰ খেতি পথাৰত ২৭ টা মান হাতীৰ জাক ওলায়। উক্ত হাতীৰ জাকটো বাৰাডোৰা বনাঞ্চললৈ খেদি পঠোৱাৰ বাবে এতি পৰিকল্পনা প্ৰস্তুত কৰাৰ কাৰণে বকো ৰাজহ চক্ৰ বিষয়া, বকো আৰক্ষী চকী, স্থানীয় গাওঁবুঢ়া আদিৰ লগত আলোচনা কৰা হয়। পূৱ কামৰূপ বন সংমণ্ডল আৰু অসম ৰাজ্যিক চিৰিয়াখানাৰ পৰা অতিৰিক্ত বনকৰ্মী নিয়োজিত কৰাৰ কাৰণে আবেদন দিয়া হৈছিল, কিন্তু আমাৰ পৰিকল্পনা কাৰ্য্যকৰী কৰাৰ আগতে হাতীৰ জাকটো গাৰৰ ফালে আগবাঢ়ি যায় আৰু তাতে এটি হাতী জাকটোৰ পৰা ফালৰি কাটি আহি বনকৰ্মীৰ ফালে চোঁচা লয়। হাতীটোৰ আক্ৰমণৰ পৰা ৰক্ষা পাবলৈ আমাৰ বনকৰ্মীয়ে ওপৰলৈ blank fire কৰে। উক্ত সময়তে আমি গম পাওঁযে এটি দুই বছৰৰ আৰবি দৈমাৰী নামৰ কন্যা শিশুৰ গাত গুলী লাগি মৃত্যু হয়, আৰু কন্যাগৰাকীৰ মাতৃ শ্ৰীমতী মালবিকা দৈমাৰী আহত হয়। লগে লগে মাতৃগৰাকীক উন্নত চিকিৎসাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয় আৰু মহিলাগৰাকীৰ চিকিৎসাৰ সকলো দিশ বনবিভাগৰ ফালৰ পৰা পৰ্য্যবেক্ষণ কৰি থকা হৈছে আৰু ইয়াৰ বাবে ১.৫ লাখ টকা আৰু মৃত দুইবছৰীয়া কন্যা শিশুটিক ক্ষতিপূৰণ হিচাপে ৪ লাখ টকা corpus fund ৰ পৰা দিয়াৰ বাবে যো-যা কৰি থকা হৈছে। উক্ত ঘটনা সৰ্ন্দভত অভিযোগ থকাৰ কাৰণে পশ্চিম কামৰূপ বন সংমণ্ডলৰ দুগৰাকী বন পালক ক্ৰমে সিদ্ধাৰ্থ সিংহা, আৰু ইমতিয়াছ আহমেদক ঘটনা সন্দৰ্ভত দণ্ডাধীশৰ পৰ্য্যায়ৰ তদন্ত নোহোৱাকৈয়ে আৰক্ষীয়ে আটক কৰি জেল হাজোটলৈ প্ৰেৰণ কৰে। ইয়াৰ পিছত উক্ত ঘটনাৰ দণ্ডাধীশৰ পৰ্য্যায়ৰ তদন্ত আৰম্ভ হৈছে যদিও ইয়াৰ প্ৰতিবেদন এতিয়ালৈ লাভ কৰা হোৱা নাই। দুয়োজন বন পালকক ইতিমধ্যে চৰকাৰী কৰ্তব্যৰ পৰা নিলম্বন কৰা হৈছে।

**माननीय अध्यक्ष** ঃ- ধন্যবাদ, মই এটা কথা হাউচত অনুৰোধ কৰিব খুজিছো। সাধাৰণতে সেইটো তেনেকুৱাই হয়। প্ৰশ্ন উত্তৰ পঢ়ি দিব লাগে। কিন্তু আমাৰ উত্তৰ বিলাক বিভাগে যি সুধিছে, তাতকৈ বেচি, বেচি লিখি দিছে। সেয়েহে পঢ়াত দীঘল হৈছে। এতিয়া কি ব্যৱস্থা লৈছিল বুলি সুধিছিল, গোটেই কাহিনী আগৰ পৰা কি হৈছে, সেইটো story দি দিলে। ১ নম্বৰৰ প্ৰশ্ন ১০ নম্বৰৰ উত্তৰটো লিখি দিলে । গতিকে ইমানখিনি পঢ়িলে সময় যাব। সেয়ে মই আপোনাক এটা এটা বিভাগৰ কৈ যাওঁ, আপুনি মাত্ৰ উঠি দিয়ক আৰু উত্তৰটো লে' কৰাৰ নিচিনাকৈ তেওঁলোকে উত্তৰটো লে' কৰিব। ঠিক আছে।

**শ্ৰীমতী নন্দিতা দাস (বকো)**ঃ- মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বকো সমষ্টিটো এনেকুৱা এটা ঘটনা সংঘটিত হৈছিল।

**माननीय अध्यक्ष** ঃ- এতিয়া তাকৰীয়া সময়ৰ প্ৰশ্ন। সেই কাৰণে training ৰ কাৰণে মই সকলোকে পঢ়িব দিছো। এইটো নিয়ম নহয়। আপুনি বহক। বহক। মই দলপতি ডাঙৰীয়াক অনুৰোধ জনাইছো, তেখেতক অলপ ক'বৰ কাৰণে। আপুনি বহক। এতিয়া সেইটো agenda নহয়।

(মাননীয় সদস্যা শ্ৰীমতী নন্দিতা দাসক বাৰে বাৰে মাননীয় অধ্যক্ষ মহোদয়ে বহিবলৈ কোৱাৰ পাছত, তেখেত নবহাত, অধ্যক্ষ মহোদয়, দলৰ দলপতি ডাঙৰীয়াক তেখেতক বুজাবৰ কাৰণে অনুৰোধ কৰে)

আপুনি বহক। আপোনাক মই কি বাহিৰ কৰিব লাগিব নেকি? আপোনাক মই বাহিৰ কৰিব লাগিব নেকি? আপোনাক মই বাহিৰ কৰিব লাগিব নেকি? আপুনি Hon'ble senior member ত আপুনি বহক। এতিয়া মই উঠিছো, আপুনি বহক। আমাৰ হাউচত এনেকুৱা ধৰণৰ বিধায়ক আছে, যিজনে হাউচৰ ৰুলৰ বিষয়ে নাজানে। হাউচৰ এজেণ্ডাৰ বিষয়ে নাজানে। কিমান মোৰ কাৰণে দুখৰ কথা। আপুনি বহক। ইয়াৰ পিছত কিন্তু মই as per Rule যাম। কাকো ৰেহাই নকৰো। যোনে যি ভাবে ভাবক। হাউচৰ নিয়ম মতে চলিব লাগিব আৰু ইমানখিনি ইয়াতsenior member হৈ এনেকুৱা ধৰণৰ কৰিব নাপায়, আৰু বুজাই দিয়াৰ পাছতো যদি নুবুজে, মই কিছুমান ক'বনলগীয়া কথাওঁ কৈ দিলো। এতিয়া সময়ৰ কথা বহুত এইটো পঢ়িব লাগিলে question ৰ নিচিনা এটা এটা বিভাগ কৈ গৈ আছো, আপুনি কেৱল উঠিলেই হ'ব আৰু মাননীয় মন্ত্ৰীসকলে lay কৰিলেই হ'ল।

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মাননীয় পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো, কলহী নদীৰ বক্ষ বাম হৈ যোৱাৰ বিষয়ৰ ওপৰত এটা প্ৰশ্ন আছে, তেখেতে উত্তৰ দিছে।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। তেখেতে lay কৰি দিব।

**শ্ৰীপৰিমল শুক্লবৈদ্য (পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ নিৰ্দেশ মৰ্মে তেখেতৰ প্ৰশ্ন উত্তৰটো lay কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৩

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ৩ নং প্ৰশ্নটো আপোনাৰ জৰিয়তে পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা ৩ নং প্ৰশ্নটোৰ উত্তৰটো জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Lay কৰি দিয়ক।

**শ্ৰীপৰিমল শুক্লবৈদ্য (পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ নিৰ্দেশ মৰ্মে তেখেতৰ যথাযোগ্য উত্তৰখিনি আমি আপোনাৰ জৰিয়তে বিধান সভাত lay কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ৪ নং প্ৰশ্ন।

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয় পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা এই প্ৰশ্ন কেইটাৰ উত্তৰ জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ৪ নং প্ৰশ্ন lay কৰি দিলে হ'ল।

**শ্ৰীপৰিমল শুক্লবৈদ্য (পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি তেওঁৰ প্ৰশ্নৰ উত্তৰ আপোনাৰ জৰিয়তে বিধান সভাত lay কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ৫ নং প্ৰশ্ন।

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই কেইদিনমান আগতে কাৰ্বি আংলঙৰ লকচ' টকবী গাওঁত উগ্ৰপন্থীৰ দ্বাৰা এজন লোক অপহৰণৰ যিটো ঘটনা হৈছিল, এই বিষয়ে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী পীযুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয়

সদস্যগৰাকীয়ে কৰা প্ৰশ্নটোৰ উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** ৬ নং প্ৰশ্ন।

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা জনিব বিচাৰিছো যে, সাপেখাতীত এগৰাকী ৮৫ বছৰীয়া বৃদ্ধাক ডাইনী সজাই নিৰ্যাতন চলোৱা যিটো ঘটনা হৈছিল, এই সংক্ৰান্তত চৰকাৰে কি ব্যৱস্থা লৈছে। সেই বিষয়ে জানিব বিচাৰিছো।

**শ্ৰী পীয়ুষ হাজৰিকা (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যগৰাকীয়ে কৰা প্ৰশ্নটোৰ উত্তৰ সদনৰ মজিয়াত lay কৰা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** ৭ নং প্ৰশ্ন।

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৭ নং প্ৰশ্নটো সৰু, মই পঢ়ি দিব বিচাৰিছো আপোনাৰ অনুমতি সপক্ষে মন্ত্ৰী মহোদয়ে যদি উত্তৰ দিয়ে। ৭ নং প্ৰশ্নটো মাননীয় পৰিবহণ বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে? ৰহা আৰু সোনাপুৰ টোল গেটত কালি কেইবাটাও গুণ্ডাগিৰিৰ ঘটনা সংগঠিত হোৱাৰ সম্পৰ্কে চৰকাৰ অৱগত নে। মই যিদিনা লেখিছিলো তাৰ আগদিনা। (খ) নং ত টোল গেটৰ কৰ্মচাৰীয়ে আৰক্ষীৰ পোছাক পিন্ধি যাত্ৰী হাৰাশাস্তি কৰা কথাটো সেইটো সত্য নে?

(গ) নং ত চৰকাৰে টোল গেটত সংঘাত নিৰ্মূল কৰিবলৈ কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নে? যদি কৰা নাই, কেতিয়া কৰিব? এই প্ৰশ্ন উত্তৰ কেইটা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰীচন্দ্ৰমোহন চৌধুৰী (পৰিবহণ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সমূহ সদনৰ মজিয়াত lay কৰা হৈছে।

**শ্ৰী আমিনুল ইছলাম (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো সৰু মই ভাৱো, তেখেতে পঢ়ি দিলে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** আপুনি lay কৰিলে হৈ যাব।

**শ্ৰীচন্দ্ৰমোহন চৌধুৰী (পৰিবহণ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সমূহ সদনৰ মজিয়াত lay কৰি দিছো।

**শ্ৰীৰকিবুল ইছলাম (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সদনৰ এটা নিয়ম যে সদন চলি থকা অৱস্থাত যদি কৰোবাত ৰাজ্যখনত কিবা গুৰুত্বপূৰ্ণ ঘটনা হয়, তেতিয়া বিৰোধী পক্ষই সেই কথাবিলাক সদনত উপস্থাপন কৰে আৰু চৰকাৰে গোটেই কথাখিনি চাই এটা বিবৃতি দিয়ে। যোৱা কালি ৰাজ্যখনত নিয়োগক লৈ এটা গুৰুত্বপূৰ্ণ ঘটনা হৈছে, মই কেৱল দৃষ্টিগোচৰ কৰিছো আৰু চৰকাৰৰ পৰা এটা বিবৃতি মই দাবী কৰা নাই, উপস্থাপন কৰিছো। আজি প্ৰত্যেকখন কাকতত ‘দৈনিক জনমভূমি’ কাকতৰ শিৰোনামাত লিখিছে যে, “নিয়োগ মেলাত এটা চাকৰিৰ বাবে হাজাৰ হাজাৰ প্ৰাৰ্থীৰ ভিৰ নিৰনুৱা সমস্যাৰ ভয়াবহক ৰূপ।” ‘আমাৰ অসম’কাকতত লিখিছে “চৰকাৰী পৃষ্ঠপোষকতাত ব্যক্তিগত খণ্ডৰ নিয়োগ মেলা লক্ষ লক্ষ নিবনুৱাৰ স্বপ্নক লৈ হেতালী খেলিলে চৰকাৰে।” ‘অসমীয়া খবৰ’ কাকতত লিখিছে “ব্যক্তিগত খণ্ডৰ চাকৰিৰ নামত চৰকাৰ প্ৰশাসনৰ ল’ৰা-ধেমালি শুদ্ধ প্ৰাৰ্থী মাত্ৰ এটা চাকৰি লাগে নিয়োগ মেলাত উবুৰী খাই পৰিল লাখ লাখ নিবনুৱা চৰকাৰী চাকৰি বুলি মেলাত কেচুৱা লৈ আহিল নিবনুৱা মাতৃ।” ‘দৈনিক অসম’ কাকতত দিলে “নাম চৰকাৰৰ, চাকৰি ব্যক্তিগত খণ্ডৰ বিশৃংখলা ফালি চিৰি পেলাই দিলে নিবনুৱাৰ নথি-পত্ৰ

নিবনুৱাৰ নিযুক্তি মেলাৰ নামত প্ৰহসন”। অসমীয়া জনপ্ৰিয় প্ৰতিদিন কাকতত দিলে ‘ৰান্ধনী’ বাচন ধোৱা, গাড়ী ধোৱা চাকৰিৰ বাবে উবুৰী খালে শিক্ষিত নিবনুৱা”। মই কেৱল মাননীয় অধ্যক্ষৰ জৰিয়তে চৰকাৰৰ পৰা এই সংক্ৰান্ত এটা বিবৃতি দাবী কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ চৰকাৰৰ পৰা জনাইছে তেওঁলোকে এতিয়া clarification দিব।

**শ্ৰীচন্দ্ৰমোহন চৌধুৰী (পৰিবহণ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো আমাৰ employment বিভাগৰ পৰা কৰা হয় আৰু নিয়োগ মেলা কৰা হয় আজি এইটো নতুন কথা নহয়। এইটো প্ৰতি বছৰে আমি অসমৰ বিভিন্ন জিলাত আমি কৰি থাকো। এইবাৰো আমি director employment ৰ মেলা আৰম্ভ কৰিছিলো আৰু ইয়াৰ উদ্দেশ্যটো এইটো যে, এই মেলাত সমূহত অসমত যিসমূহ কোম্পানীয়ে কাম কৰি আছে, National Company য়ে হওঁক, Multinational Company আৰু সকলোকে তাত মাতা হয় আৰু যিসকল প্ৰাৰ্থী তাত উপস্থিত হয়, সেই প্ৰাৰ্থী সকলে তেওঁলোকৰ যিবিলাক যোগ্যতা অনুসৰি তেওঁলোকে কোম্পানী সমূহক তেওঁলোকৰ ফটোষ্টেট চাৰ্টিফিকেট বা তেওঁলোকৰ কুৱালিফিকেশ্যন সম্পৰ্কে কোম্পেনীসমূহক দিয়ে, কোম্পেনীসমূহে তেওঁৰ সেই কথাখিনি ৰেজিষ্টাৰ কৰে আৰু ৰেজিষ্টাৰ কৰি যেতিয়াই কোম্পেনীত চাকৰি ওলাই সেই চাকৰি তেওঁলোকক দিয়া হয় এইটোৱেই হ’ল উদ্দেশ্য। কিন্তু আমাৰ যিহেতুকে employment director ৰ এই মেলাখন অনুষ্ঠিত হৈছিল গতিকে তাত যিখিনি যান-যঁটৰ অসুবিধা যথেষ্ট হৈছিল, ল’ৰা-ছোৱালী বহুত তাত উপস্থিত হৈছিল। সেইটো সত্য আৰু উপস্থিত হোৱাৰ কাৰণে তাত অলপ ৰাইজৰ নিশ্চয় অসুবিধা হৈছে। কিন্তু এই registration আমি আগতেও কৰিছিলো। আগতে আমি মণিৰাম দেৱান ট্ৰেড চেণ্টাৰত কৰিছিলো। তেনেকৈ জিলা বিলাকতো কৰা হয়। গতিকে এইবাৰ আমাৰ director employment ত কৰিলে, কৰাৰ কাৰণে তাত বেছি ভিৰ হৈছে আৰু ল’ৰা-ছোৱালী বহুত হৈছে।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** মুঠতে কিমান পোষ্টৰ কাৰণে আচলতে এই মেলা অনুষ্ঠিত হৈছিল গোটেই অসমত।

**শ্ৰীচন্দ্ৰমোহন চৌধুৰী (পৰিবহণ বিভাগৰ মন্ত্ৰী) ঃ** শুনক, আপুনি বিষয়টো নজনাকে ফটকৈ কথা এটা কৈ দিয়ে।

**মাননীয় অধ্যক্ষ ঃ** Reply য়ো দিয়া আছে।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** মই নজনাকৈ কোৱা নাই। আপোনালোকে নিবনুৱাসকলক লৈ খেলা কৰিছে। এই খেলাটো বন্ধ হ’ব লাগে।

(সদনত হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** অখিল গগৈ, নজনাকে কোৱাটো উচিত নহয়। আপুনি বহক।

**শ্ৰীচন্দ্ৰমোহন চৌধুৰী (পৰিবহণ বিভাগৰ মন্ত্ৰী) ঃ** গতিকে কিমান পোষ্টৰ কাৰণে হয় সেইটো চৰকাৰে চৰকাৰীভাৱে চৰকাৰী বিভাগত সেই বিজ্ঞাপনমৰ্মে কিমানটা বিভাগত কিমানটা পোষ্ট আছে দিয়ে। কিন্তু বে-চৰকাৰী যিবিলাক কোম্পানী আছে বা ইণ্ডাষ্ট্ৰি আছে, তেওঁলোকৰ কিমান ভেকেঞ্চি আছে, কি কথা আছে, কি কথা নাই, সেইখিনি সম্পৰ্কত আমি কোনেও অৱগত নহয়। সেই কাৰণে আমি কোম্পেনী আৰু ইণ্ডাষ্ট্ৰীসমূহক মাতি আনো। মাতি আনি আমাৰ যিখিনি telented ল’ৰা-ছোৱালী আছে বা skill ল’ৰা-ছোৱালী আছে, তেওঁলোকে তাতে নিজৰ নিজৰ কোম্পেনীত নামবিলাক অন্তৰ্ভূক্ত কৰে, আৰু অন্তৰ্ভুক্ত কৰি যেতিয়া পোষ্ট ওলাই তেতিয়া তেওঁলোকক সেইটো দিয়ে। এইটোৱেই কথা।

**শ্ৰীৰকিবুল ইছলাম (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, just এটা clarification. টি.ভিত দেখিছো। সচাঁ-মিছা নাজানো। বহুত নিবনুৱাই কান্দিছে, original certificate খন পৰি আছে। সেই সম্পৰ্কত চৰকাৰে অলপ চালেই হ'ল যদি সঁচা হয়, যে orginal certificate খন যদি হেৰাই যায় মানুহৰ হাহাকাৰ হ'ব। অলপ এনকুৱেৰী এটা দি orginal certificate খন কাৰবাৰ হেৰাইছে সেইখিনি দিয়াৰ ব্যৱস্থা কৰিব।

**শ্ৰীচন্দ্ৰমোহন চৌধুৰী (পৰিবহণ বিভাগৰ মন্ত্ৰী) ঃ** সেইটো মই আজিয়েই কৈ দিম director of employment ক। কাৰোবাৰ certificate তাত ৰৈছে দি দিব।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** এনেকুৱা পৰিস্থিতি কৰিলে কিয় নিবনুৱাসকলক আপোনালোকে। মই নজনাকে কোৱা নাই।

(সদনত হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** অখিল গগৈ, বহক। এইটো আপোনাৰ কথা নহয়।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** আপোনালোকে দহ লাখ নিবনুৱাক কৰ্মসংস্থাপন দিম বুলি ক'লে। একলাখ নিবনুৱাক চাকৰি দিম বুলি ক'লে এবছৰৰ ভিতৰত। (সদনত হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** এনেকুৱা ব্যৱহাৰ কৰিব নালাগে। চৰকাৰৰ পৰা এটা statement এটা দিছে। আপুনি শুনক আৰু কংগ্ৰেছৰ লিডাৰৰ পৰা তেখেতে প্ৰশ্নটো কৰিছে। ব্যৱহাৰ বিলাক তেনেকুৱা হ'ব নালাগে।

**শ্ৰীঅখিল গগৈ (শিৱসাগৰ) ঃ** গোটেই অসমৰ concern. আমি বিধান সভাততো মাতিব লাগিব। নিবনুৱাসকলক যদি এনেকৈ অৱমাননা কৰে, মাননীয় অধ্যক্ষ মহোদয় মাতিব লাগিবই।

**শ্ৰী দিগন্ত কলিতা (কমলপুৰ) ঃ** আপোনাক নিবনুৱাই ঠিকা দি থৈছে নেকি? আমাৰো দায়িত্ব আছে।

**মাননীয় অধ্যক্ষ ঃ** বহক।

(সদনত হুলস্থূল).....

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদস্যসকল, সদনত এটা সুস্থ পৰিৱেশ বজাই ৰখাটো সকলোৰে দায়িত্ব। সকলো সদস্যৰে মূল্যৱান কিছুমান কথা জানিবলগীয়া থাকে আৰু চৰকাৰৰো বহু কথা জনাবলগীয়া থাকে। কিছুমান কথা ইয়াত উত্থাপন কৰি তাৰ ওপৰত কি কৰিব লাগিব সেইখিনি চৰ্চ্চা কৰিবলগীয়া থাকে। গতিকে যিটো নোটিচত আহিছে সন্মানীয় সদস্যই চৰকাৰৰ ফালৰ পৰা এটা ষ্টেটমেণ্ট বিচাৰিছে আৰু সেই হিচাপে ষ্টেটমেণ্ট দিছে, সেইটোৰ ওপৰত আৰু কোনো আলোচনা নহয়।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ**.......Interruption...... মাননীয় অধ্যক্ষ মহোদয়, কালি যিটো হৈছে, তাৰ ওপৰত দুখ প্ৰকাশ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি ব্যৱহাৰটো ভাল কৰিব লাগে। আপুনি অধ্যক্ষৰ লগতো কাউণ্টাৰ কৰে। ..... Interruption......

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ**.......Interruption...... মাননীয় অধ্যক্ষ মহোদয়, আপুনি সেইটো ফালে বেছি সুবিধা দিয়ে আৰু আমাৰ ফালে সুবিধা নিদিয়ে কাৰণে আমি এনেকুৱা ব্যৱহাৰ কৰিব লাগে।..... Interruption......

**মাননীয় অধ্যক্ষ ঃ**..... Interruption...... আপুনি এনেধৰণৰ ব্যৱহাৰ কৰিলে আপোনাক সদনৰ পৰা উলিয়াই দিবলৈ বাধ্য হ'ম। মই বাৰে বাৰে কৈ আছো সদনখন চলিব লাগে। ৰাইজৰ বিষয়ে,

ৰাজ্যৰ বিষয়ে দেশৰ বিষয়ে এটা গুৰুত্বপূৰ্ণ বিষয় ইয়াত আলোচনা হৈ আছে। এই ক্ষেত্ৰত যদি সদনৰ কামত ব্যাঘাত জন্মাই থাকে, তেতিয়াহ'লে কি লাভ হ'ব? সেইকাৰণে মই সকলোকে কৈছো, সকলোৰে ইয়াত কথা কোৱাৰ অধিকাৰ আছে বুলি যিকোনো কথা ইয়াত ক'ব নোৱাৰে। এই বিষয়ে আমাৰ ৰুল আছে আৰু এই কথাটো যাতে সকলোৱে মনত ৰাখে।

এতিয়া আমাৰ লোকসভাৰ মাননীয় অধ্যক্ষ মহোদয় আহি আছে আৰু দিনৰ ১১ঃ০০ বজাত তেওঁৰ কাৰ্য্যসূচী আৰম্ভ হ'ব। চেণ্ট্ৰেল হলত আমি সকলো বিধায়কসকল বহিম আৰু আমাৰ নেতাসকলে তেখেতক সম্বৰ্ধনা জনাব। তাৰ পিছত সন্মানীয় সদস্যসকলে তেখেতক সদনলৈ আগবঢ়াই আনিব আৰু নেতাসকলে সদনত সম্ভাষণ জনোৱাৰ পিছত তেওঁ হাউচক সম্বোধন কৰি তাৰ পিছত তেওঁ গোপীনাথ বৰদলৈ ভৱনলৈ যাব। গোপীনাথ বৰদলৈ ভৱনত তেখেতৰ বাবে এটা সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰা হৈছে। তাৰ পিছত তেখেতে সকলো সদস্যৰ লগত দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰিব। গতিকে সেইখিনি কাৰ্য্যসূচীত সকলোকে উপস্থিত থাকিবলৈ মই অনুৰোধ জনাইছো। এই অনুষ্ঠানটো যিহেতু ১০ঃ ৩০ বজাৰ পৰা আৰম্ভ হ'ব সেয়েহে এতিয়া কোনো বিষয়ে আমি সদনত আলোচনা কৰিব নোৱাৰিম। ১০ মিনিটত Speaker's Initiative বা বিলৰ ওপৰত আলোচনা কৰা সম্ভৱ নহ'ব। সেয়েহে মাননীয় লোকসভাৰ অধ্যক্ষ মহোদয়ৰ আদৰণি অনুষ্ঠানৰ বাবে মই সদন এতিয়া Adjourn কৰিলো আৰু মাননীয় লোকসভাৰ অধ্যক্ষ মহোদয় দিনৰ ২ঃ০০ বজাত উভতি যাব আৰু তেখেত যোৱাৰ পিছত সদন দিনৰ ২ঃ১৫ বজাত পুনৰ আৰম্ভ হ'ব।

**সদনৰ কাৰ্য্যসূচী বিয়লি ৩ঃ০০ বজাৰ পৰা আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদন Members Hour খিনি শেষ কৰি আমি বিল খিনি লম। অসম বিধান সভাৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰীক CAG ৰিপোৰ্ট দাখিল কৰিবলৈ মই অনুৰোধ জনালো।

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এতিয়া ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ ২০১৯-২০২০ চনৰ ৩১ মাৰ্চ পৰ্য্যন্ত বছৰটোৰ বাবে অসম চৰকাৰ সম্পৰ্কীয় বিনিয়োজন হিচাপ আৰু বিত্তীয় হিচাপৰ (২০২১ বৰ্ষৰ খণ্ড নং-১ আৰু খণ্ড নং-২) প্ৰতিবেদন কেইখন সদনত উপস্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে ৰিপোৰ্ট সমূহ বিধান সভাৰ লবিত পাব।

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ ২০১৯ চনৰ ৩১ মাৰ্চ পৰ্য্যন্ত বছৰটোৰ বাবে অসম চৰকাৰ সম্পৰ্কীয় ৰাজহুৱা খণ্ডৰ আৰু ৰাজহ খণ্ডৰ প্ৰতিষ্ঠান সমূহৰ প্ৰতিবেদন (২০২১ বৰ্ষৰ খণ্ড নং-২) প্ৰতিবেদন কেইখন সদনত উপস্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া, পৰৱৰ্তী ৰিপোৰ্ট সদনত দাখিল কৰক।

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ ২০১৯ চনৰ ৩১ মাৰ্চ পৰ্য্যন্ত বছৰটোৰ বাবে অসম চৰকাৰ সম্পৰ্কীয় জিলা চিকিৎসালয় সমূহৰ কাৰ্য্য সম্পাদন হিচাপ পৰীক্ষকৰ প্ৰতিবেদন (২০২১ বৰ্ষৰ খণ্ড নং-৩) প্ৰতিবেদন খন সদনত উপস্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া, পৰৱৰ্তী ৰিপোৰ্ট সদনত দাখিল কৰক।

**শ্ৰী পিযুষ হাজৰিকা (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভাৰতৰ নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষকৰ ২০২০ চনৰ ৩১ মাৰ্চ পৰ্য্যন্ত বছৰটোৰ বাবে অসম চৰকাৰ সম্পৰ্কীয় ৰাজ্যিক বিত্তীয় খণ্ডৰ প্ৰতিবেদন (২০২১ বৰ্ষৰ খণ্ড নং-৪) প্ৰতিবেদন খন সদনত উপস্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া Speake's Initiative ৰ ওপৰত আলোচনা হ'ব। শ্ৰী ভূৱন পেগু ডাঙৰীয়াক move কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী ভূৱন পেগু (জোনাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Speake's Initiative ৰ New Educatio Polic, 2020 ৰ যিটো বিষয় লৈছে তাক মই move কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মই এই বিষয়ত সদনৰ সন্মতি আছে বুলি ভাৱিছো। সদনৰ সন্মতি আছে নে?

(সদনে সন্মতি প্ৰদান কৰে।)

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Speaker's Initiative ৰ New Education Policy ৰ ওপৰত শ্ৰী ভূৱন পেগু ডাঙৰীয়াক প্ৰথম ভাষণ আগবঢ়াবলৈ অনুৰোধ কৰিলো।

**শ্ৰী ভূৱন পেগু (জোনাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাক ধন্যবাদ জনাইছো। এতিয়াৰ সময়ৰ সকলোতকৈ গুৰুত্বপূৰ্ণ বিষয় New Education Policy, 2020. অসমৰ লগতে ভাৰতবৰ্ষত মানৱ সম্পদ গঢ়াৰ লক্ষ্যৰে এটা নতুন দিশত Policy লৈছে। অসমে গুৰুত্বসহকাৰে লৈ বাকী ৰাজ্যসমূহতকৈও আগতে এই Policy implement কৰি ভৱিষ্যতে অসমৰ কন কন ল'ৰা-ছোৱালীক সবল মানৱ হিচাপে গঢ় দিয়াৰ বাবে যি প্ৰচেষ্টা লৈছে, সেই প্ৰচেষ্টাত আজি আমি অংশীদাৰ হ'ব লৈছো। এই বিষয়টো বিধান সভাৰ মজিয়াত উত্থাপন কৰি গুৰুত্ব প্ৰদান কৰাৰ লগে লগে অসমৰ ১২৬ টা সমষ্টিত যেতিয়া ইয়াৰ Effect হ'ব আৰু মই ভাৱো আমাৰ অসমৰ ভৱিষ্যতৰ নাগৰিক কন কন ল'ৰা-ছোৱালী বিলাকৰ জীৱন পৰিৱৰ্তনত এটা ঐতিহাসিক পৰিৱৰ্তন আহিব বুলি মোৰ এটা বিশ্বাস। তাৰ কাৰণে মই আপোনাক পুনৰবাৰ ধন্যবাদ জ্ঞাপন কৰিছো আৰু লগতে এই বিষয়ক কেন্দ্ৰ কৰি ভাৰতৰ ভিতৰত অসমখনেই প্ৰথম ৰাজ্য যিয়ে গোটেই ভাৰতবৰ্ষৰ শিক্ষাবিদ সকলক আৰু ভাৰতৰ Human Resource Minister ডাঙৰীয়াক কেন্দ্ৰ কৰি আমাৰ শিক্ষানুষ্ঠানসমূহৰ শিক্ষাবিদ সকলক লৈ যিটো দুদিনীয়া Education Conclave পাতিলে। ভাৰতৰ অন্য ৰাজ্যকো উদাহৰণ দেখুৱালে যে Assam is serious in implementing this New Eduction Policy-2020. সেইটো এটা প্ৰশংসনীয় পদক্ষেপ। অধ্যক্ষ মহোদয়, মই ২০০৬ পৰা ইয়াত বিধায়ক হৈ আছো আৰু শিক্ষাৰ বিষয় আৰু শিক্ষাৰ সমস্যাক কেন্দ্ৰ কৰি যিমান আমি আলোচনা কৰো, প্ৰত্যেকটো আলোচনাত সদায় আমি অনুভৱ কৰিছিলো যে প্ৰত্যেকজন সদস্যই Irrespective of any Political Party, Political affiliation এই শিক্ষাখণ্ডত কেনেকৈ এটা আমূল পৰিৱৰ্তন আনিব পৰা যায়, কেনেকৈ আমাৰ উঠি অহা কন কন ল'ৰা-ছোৱালীৰ চৰকাৰী শিক্ষাখণ্ডত এজন সঁচা, পূৰ্ণাঙ্গ মানুহ হিচাপে গঢ় দি এই পৃথিৱীত যুঁজ দিব পৰাকৈ এটা পৰিৱেশ কেনেকৈ আমি দিব পাৰো। এইখিনিক লৈ আমি সদায় কনচাৰ্ণ আৰু আমি সদায় এই বিষয় লৈ আলোচনা কৰি আহিছো আৰ প্ৰত্যেকবাৰেই আমি অনুভৱ কৰিছিলো যে কৰ'বাত নহয় ক'ৰবাত কিবা এটা অসুবিধা আছে। যিটোৰ আন্তগাঁথনিৰ পৰিৱৰ্তন নহ'লে আমি যিমানেই ইয়াত আলোচনা নকৰো কিয় শিক্ষাখণ্ডত পৰিৱৰ্তন নহ'ব বুলি আমি অনুভৱ কৰিছিলো। মাননীয় অধ্যক্ষ মহোদয়, ১৮৮৬ চনৰ যিটো National Policy and Education আছিল তাৰ ৩৫ বছৰৰ মূৰত New Eduction Policy-2020, আহিছে।

আমি যিটো আন্তগাঁথনি পৰিৱৰ্তনৰ কথা অনুভৱ কৰিছিলো এই New Eduction Policy এ এইবাৰ এইটো আনিবলৈ গৈ আছে। মই ভাৱো যে আন্তগাঁথনি পৰিৱৰ্তনত আমি জনপ্ৰতিনিধি হিচাপে, অসমৰ সমাজখনক নেতৃত্ব দিয়া ব্যক্তি হিচাপে আমি প্ৰত্যেকজনেই এই New Eduction Policy ক implement কৰাৰ কাৰণে আমি সকলোৱে সম্পূৰ্ণ শক্তি প্ৰয়োগ কৰি গাঁৱে গাঁৱে গৈ কাম কৰিব লাগে আৰু ইয়াত যি দহ বা পোন্ধৰ বছৰৰ পিছত পূৰ্ণাঙ্গ ভাৱে implement হ'ব লাগে বুলি টাৰ্গেট দিছে, মই ভাৱো তালৈ বাট চাব নালাগে। আমি একেবাৰে নিম্নস্তৰৰ পৰা উচ্চস্তৰলৈ আহি এটা যুদ্ধংদেহী মনোভাৱেৰে আমাৰ বিধান সভাই কাম কৰিব লাগে। আপোনাৰ Speaker's Initiative তাৰে এটা প্ৰমাণ। মই ভাৱো সেই টাৰ্গেটলৈ বাট নাচাই অহা পাঁচ বছৰৰ ভিতৰত একেবাৰে নিম্ন স্তৰৰ পৰা উচ্চ স্তৰলৈকে New Education Policy ৰূপায়ণ কৰাৰ বাবে যুদ্ধংদেহী মনোভাৱেৰে এই বিধান সভাই লাগিব লাগে আৰু আজিৰ Speakers' Initiative টো তাৰেই প্ৰমাণ। অধ্যক্ষ মহোদয়, এটা সময়ত আমাৰ ল'ৰা-ছোৱালীসকলে ৬ বছৰ বয়সতহে চৰকাৰী স্কুলত গৈছিল। চৰকাৰী স্কুলত আমাৰ গ্ৰাম্য অঞ্চলৰ ল'ৰা-ছোৱালীহে যায়। চহৰ অঞ্চলৰ মানুহৰ এই সমস্যাটো নাছিল। কিয়নো চহৰ অঞ্চলত প্ৰাইভেট স্কুল বেছি। কিন্তু, অসমৰ ৮৫ শতাংশই গ্ৰাম্য অঞ্চল। গতিকে, অসমৰ ৮৫% অঞ্চলৰ ল'ৰা-ছোৱালীয়ে চহৰৰ ল'ৰা-ছোৱালীৰ নিচিনাকৈ ৩ বছৰ বয়সৰ পৰা Pre-School যেনে- Kindergartenত যাবলৈ সুযোগ পোৱা নাছিল। কিন্তু, New Education Policy য়ে Structural Change আনিছে। এতিয়া, ৩ বছৰৰ পৰা foundation stage আৰম্ভ কৰি Class XII লৈকে চাৰিটা stageত ভগাই দিছে। আগতে, আমি নিজেই বা টি.ভি., মিডিয়া আদিত সদায় প্ৰত্যক্ষ কৰিছিলো যে কণ কণ ল'ৰা-ছোৱালীবোৰে ডাঙৰ ডাঙৰ কিতাপৰ বোজা পিঠিত কঢ়িয়াই লৈ যায়। কিন্তু, এতিয়া New Education Policy য়ে কৈ আছে যে - 'Curriculum load in each subject should be reduced to its essential core content to allow for critical thinking, discussion and analysis based learning.' অৰ্থাৎ এতিয়া কিতাপৰ বোজা কমাই ল'ৰা-ছোৱালীক core contentত চিন্তা কৰিবলৈ শিকাব লাগে বুলি New Education Policy য়ে কৈছে। তাৰোপৰি, মই মিচিং জনগোষ্ঠীৰ মানুহ হিচাপে অনুভৱ কৰো যে আমাৰ communityৰ ল'ৰা-ছোৱালীয়ে ঘৰত মাক-দেউতাকৰ পৰা বেলেগ এটা ভাষাত ক'বলৈ শিকে । ৫-৬ বছৰীয়া সেই কণ কণ ল'ৰা-ছোৱালীয়ে যেতিয়া মুৰ্গী শব্দটো ঘৰত বেলেগ ভাষাত শিকে আৰু সেই একে শব্দটো স্কুলত গৈ অন্য ভাষাত শিকিলে confused হৈ যায় যে ইমান দিনে মুৰ্গীটোক আমি যি ভাষাত কৈছিলো, স্কুলত দেখোন ই বেলেগ। সেয়েহে, এতিয়া New Education Policy য়ে গুৰুত্ব দি কৈছে যে- 'Medium of instruction should be in the local language/mother tongue of the child at least till grade five, and preferably till grade eight (in both private and public school)'. গতিকে, মই ভাৱো যে অসমৰ নিচিনা বহুত জনগোষ্ঠী থকা ৰাজ্যত এইটো এটা আমূল পৰিৱৰ্তন আহিব আৰু বিভিন্ন জনগোষ্ঠীৰ কণ কণ ল'ৰা-ছোৱালীক foundation stage ত নিজৰ মাতৃভাষাত কথাবোৰ শিকালে অলপ আগবাঢ়ি যোৱাত New Education Policy সহায়ক হ'ব । অধ্যক্ষ মহোদয়, New Education Policyত যিখিনি বিষয় আছে, বহুতে ভাবিব পাৰে যে সেইবোৰ এতিয়াহে আৰম্ভ কৰা হৈছে। কিন্তু, এইখন চৰকাৰে শপত গ্ৰহণ কৰাৰ লগে লগে যি বাজেট আনিছিল, সেই বাজেটতে New Education Policy ক টাৰ্গেট কৰি

একেবাৰে foundation stage যেনে- অংগনবাড়ী কেন্দ্রসমূহক পূর্ণাংগ সুন্দৰ স্কুল, য'ত ল'ৰা-ছোৱালীসকলে কম বয়সতে গৈ ভাল পায়, শিক্ষাৰ প্ৰতি affection জন্মোৱাৰ কাৰণে ২৫ লাখকৈ টকা দি উন্নীত কৰাৰ যি পদক্ষেপ লৈছে আৰু স-সন্মানেৰে গ্ৰামাঞ্চলৰ ল'ৰা-ছোৱালীয়ে ২৫ লাখ টকীয়া অংগনবাড়ী কেন্দ্ৰত গৈ প্ৰাক-প্ৰাথমিক শিক্ষা গ্ৰহণ কৰাৰ যি ব্যৱস্থা আনিছে তাৰ কাৰণে মই অসম চৰকাৰক ধন্যবাদ দিছো। ইয়াৰোপৰি, New Education Policy য়ে এতিয়া research based শিক্ষা ব্যৱস্থাত বেছিকৈ গুৰুত্ব দিছে। New Education Policy বনাওঁতে observation আছিল-- 'The Committee observed that investment on research and innovation in India is only 0.69% of GDP, compared to 2.8% in the U.S.A., 4.2% in South Korea and 4.3% of GDP in Israel. আজি মই দুজনমান বন্ধুৰ সৈতে ধেমালিতে কিছুমান কথা পাতোতে কোনোবা এজনে ক'লে যে Iphone আমেৰিকাত আৰু Samsung কোৰিয়াত বনাইছে। অধ্যক্ষ মহোদয়, ভাৰতৰ তুলনাত আমেৰিকা আৰু কোৰিয়াৰ জনসংখ্যা কিমান? কিন্তু, আজি আমি আমেৰিকা, কোৰিয়াত বনোৱা বস্তু হাতে হাতে লৈ আছো। কেতিয়াবা আমি যদি উন্নত মানদণ্ডৰ technology লাগে বুলি কওঁ তেন্তে Israel is one of the No.1 country in the world. সেয়েহে বৰ্তমান চৰকাৰে New Education Policy ক কেন্দ্ৰ কৰি research improve কৰাত গুৰুত্ব প্ৰদান কৰিব বিচাৰিছে। মাননীয় প্ৰধান মন্ত্ৰীয়ে যেতিয়া 'Skill India', 'Make in India' launch কৰিছিল, তেতিয়া এক ডাঙৰ প্ৰশ্ন আৰু বিতৰ্ক হৈছিল যে ভাৰতবৰ্ষত Samsung বা অন্যান্য ডাঙৰ ডাঙৰ কোম্পানীবোৰে ফেক্টৰী খুলিলে টেক্‌নিকেল কাম কৰা ল'ৰা-ছোৱালী কোন আছে? আমাৰ বি.এ., এম.এ. পাছ কৰা ল'ৰা-ছোৱালী আছে কিন্তু সেই ফেক্টৰীবোৰত কাম কৰিব পৰাকৈ skilled man-power ভাৰতবৰ্ষত নাছিল আৰু তাৰ বাবেই 'Skill India' launch কৰা হৈছিল। আগতে আমাৰ শিক্ষাৰ যি ব্যৱস্থা আছিল, সেই অনুসৰি ল'ৰা এজনে মেট্ৰিক বা হায়াৰ ছেকেণ্ডাৰী পাছ কৰি skill based কাম কৰিম বুলি ভাৱিব পৰা নাছিল। সেয়েহে, বৰ্তমান চৰকাৰে New Education Policy ৰ জৰিয়তে vocational education ত গুৰুত্ব দিছে। 'The Committee observed that less than 5% of the work force in the age-group of 19-24 received voctional education in India during 2012-2017. This is in contrast to 52% in the USA, 75% in Germany and 96% in South Korea . The NEP recommends that vocational education should be integrted in all school and higher education institutions in a phased manner over the next 10 years. A national committee for integration of vocational education will be set up uner the Ministry of Human Resource Development for this purpose. The national skill qualifications framework will be detailed further for each discipline vocation and profession. The NEP aims to ensure that at least 50% of learners in school and higher education should be exposed to vocational education by 2025.

অধ্যক্ষ মহোদয়, যোৱাকালি চাকৰি বিচৰা বাতৰি প্ৰচাৰ হৈছিল। আমাৰ ল'ৰা-ছোৱালীখিনিৰ পুলিচ বা শিক্ষকৰ চাকৰি কৰাৰ বাহিৰে অন্যান্য বিভাগত চাকৰি কৰিব পৰাকৈ

যোগ্যতা নাই নেকি ? গতিকে, আমাৰ যি crisis বোৰ আছে, সেইবোৰ New Education Policy ৰ জৰিয়তে ২০৫০ ৰ ভিতৰত সম্পূৰ্ণ কৰিব পাৰিব বুলি কৈছে। Speaker's Initiative ত New Education Policy ৰ বিষয়টো লৈ ইয়াক গুৰুত্বসহকাৰে অনুভৱ কৰাৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰি মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া বিৰোধী দলৰ দলপতি।

**শ্ৰী দেৱব্ৰত শইকীয়া (বিৰোধী দলৰ দলপতি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, নতুন শিক্ষা নীতিৰ ওপৰত আজি Speaker's Initiative ত আপুনি ক'বলৈ কিছু সময় দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। ভাৰতৰ শিক্ষা ব্যৱস্থাত ৰাষ্ট্ৰপতি সৰ্বপল্লী ৰাধাকৃষ্ণনৰ দিনতে উচ্চ শিক্ষাৰ বাবে প্ৰথমখন শিক্ষা নীতি কৰা হৈছিল। ১৯৫২-৫৩ চনত প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ বাবে কেইবাখনো শিক্ষা নীতি হৈছিল যদিও পৰৱৰ্তী সময়ত ড° ডি.এচ. কাথাৰীৰ নেতৃত্বত হোৱা শিক্ষা নীতিখনেই সমগ্ৰ বিষয় সমূহ সামৰি লৈ যোৱা সময়ছোৱাত আমাৰ শিক্ষা নীতি চলি আছিল। ১৯৭৮ চনত ৫৪২ নং সংশোধনীৰ যোগেৰে State Subject টো concurrent বিষয়লৈ নিয়া হ'ল যাৰ ফলত কেন্দ্ৰই হস্তক্ষেপ বা নীতি-নিৰ্দেশনা দিবলৈ আৰম্ভ কৰিলে। ১৯৮৬ চনৰ কথা মোৰ সতীৰ্থ বিধায়ক পেগু ডাঙৰীয়াই কৈছে, সেইখনত মহিলা, অনুসূচিত জাতি, জনজাতি এই সমূহৰ বাবে থকা আঁসোৱাহ সমূহ যাতে দূৰ কৰিব পৰা যায় সেই দিশত আগবঢ়া হৈছিল আৰু অনুৰূপ ধৰণৰ কামখিনি ৯২ চনত শিক্ষানীতি ঘোষণা কৰি পুনৰ কৰা হৈছিল। শেহতীয়াকৈ ২০০৯ চনৰ শিক্ষানীতি, যিটো Right to Education তাৰ অধীনত আমি সকলোৰে বাবে যিখিনি শিক্ষা হ'ব লাগে যিটো আমাৰ Universal Education ১৪ বছৰ বয়সলৈকে এইখিনিও তাত সাঙুৰি লোৱা হৈছে। একেবাৰে শেহতীয়াকৈ এতিয়া নতুন Education Policy ড° কস্তুৰী ৰামানুজৰ নেৰ্তৃত্বত যিখিনি কৰা হ'ল সেইখিনিৰ বিষয়ে আমি আৰু অধিক কিছু আলোচনা কৰা ভাল আছিলে। কিন্তু যিহেতু যোৱা সময়ছোৱাত কভিড'ৰ পৰিস্থিতি আহিলে সেইকাৰণে লোক সভাই হওক বা যিকোনো বিধায়িনী plateform ত এইখিনি যিমান আলোচনা হ'ব লাগে সিমানখিনি আলোচনা কৰিব পৰা নগ'ল।

এই শিক্ষানীতিত আমি নিশ্চিতভাৱে বাহিৰৰ বহুখিনি কথা আহৰণ কৰো আৰু ভাল। কিন্তু ইয়াৰ ক্ষেত্ৰত যিটো বিত্তীয় commitment লাগে সেয়া বৰ্তমান covid period ৰ কাৰণে সেইখিনি কৰিব পৰা যাব নে নাই সেই কথা আৰু কিছু দৃঢ়ভাৱে চিন্তা কৰা প্ৰয়োজন বুলি আমি অনুভৱ কৰো।

মহোদয়, ইয়াত যিখিনি কথা কোৱা হৈছে তাৰ ভিতৰত মাতৃভাষাত পাঠদান কৰাৰ কথা কোৱা হৈছে আৰু সেইকাৰণে সকলোৱে আগ্ৰহী হৈছে। আমাৰ অসমত ৫৩ টাত কৈও অধিক মাতৃভাষা আছে। ইয়াত যিটো 3 language formula ৰ কথা আহিছে, বহু এনেকুৱা অঞ্চল আছে য'ত বিভিন্ন মাতৃভাষাৰ লৰা-ছোৱালীয়ে একেলাগে শিক্ষাগ্ৰহণ কৰে। তেনেক্ষেত্ৰত মাতৃভাষাত পাঠদান কৰাটো সম্ভৱ হ'বনে নে আঞ্চলিক ভাষাত কৰিব লাগিব এই কথাখিনিও আৰু অধিক চিন্তা কৰিব লাগিব। শিক্ষক সকলো আৰু বেছি প্ৰশিক্ষিত হ'ব লাগিব। মাতৃভাষাৰ পাঠদানৰ ব্যৱস্থাটো চৰকাৰী খণ্ডৰ বিদ্যালয় সমূহত প্ৰয়োজ্য হ'ব কিন্তু কেন্দ্ৰীয় বিদ্যালয় সমূহত এইটো কৰিব পৰা নাযাব বুলি কৈছে। অনুৰূপ ধৰণে ব্যক্তিগত খণ্ডৰ ইংৰাজী বিদ্যালয় সমূহে এই নীতি মানিব নে নাই কাৰণ ব্যক্তিগত খণ্ডত যিসকল লোকে অধিক ব্যয় কৰিব পাৰে তেওঁলোকেহে নিজৰ লৰা ছোৱালীক তাত admitted কৰে। ইয়াৰ ফলত এচাম ছাত্ৰ-ছাত্ৰীয়ে এটা সুবিধাজনক

স্থিতিত থাকিব পাৰে। আমাৰ ৰাজ্যত যিহেতু ২০১১-১২ চনৰ DIASE ৰ তথ্যমতে ৪৮ শতাংশ লোকে তেওঁলোকৰ মাতৃভাষা অসমীয়া বুলি কয়। আমাৰ ৰাজ্যত ৭৪.৫৬ শতাংশ প্ৰাথমিক বিদ্যালয় অসমীয়া মাধ্যমৰ । ইয়াৰ পৰা আমি এইটোৱে ক'ব পাৰো যে আন মাতৃভাষাৰ বহুতো ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া মাধ্যমৰ স্কুলত শিক্ষাগ্ৰহণ কৰি আছে। কিন্তু যিহেতু আমাৰ মাতৃভাষা সকলোৰে প্ৰিয়, অষ্টম শ্ৰেণীলৈকে বা তাৰ ওপৰতো মাতৃভাষাত পাঠদানৰ কথা আছে, নতুন শিক্ষানীতিয়ে এই সমস্যা সমূহ কেনেদৰে প্ৰত্যাহ্বান জনাব এই দিশত আৰু অধিক স্পষ্ট নিৰ্দেশণা অহাৰ পিছতহে Policy খন Implement হয় সেইটো আমি বিৰোধী সকলে প্ৰয়োজনীয় বুলি ভাৰো।

নতুন শিক্ষানীতি খনত Right to Education Act খনৰ বিষয়েও অন্ধকাৰত ৰখা হৈছে। এই আইনখনত যিটো আছিলে যে শিক্ষাৰ ক্ষেত্ৰত চৰকাৰে যেনেধৰণৰ দায়িত্ব গ্ৰহন কৰিব, শিক্ষা বাধ্যতামূলক হ'ব এই কথাখিনি ইয়াত স্পষ্টকৈ উল্লেখ নাই। নতুন শিক্ষানীতিত কোৱা হৈছে যে যিসকল Meritorious আদিবাসী বা আশ্ৰমৰ নিচিনা এটা ব্যৱস্থাত থাকি লৰা-ছোৱালী বা শিক্ষক সকলক concessional rate ত পঢ়াশুনা কৰিবলৈ দিয়া হ'ব। ইয়াৰ অৰ্থ হ'ল যে এটা fees থাকিব। কিন্তু Right to Education ত আছিলে যে ছাত্ৰ-ছাত্ৰী সকলে একেবাৰে বিনামূলীয়া শিক্ষা লাভ কৰিব। সেইকাৰণে এনেকুৱা ধৰণৰ conflicting কথাও এই নতুন শিক্ষানীতিখনত আছে।

১৯৬৪ চনৰ Kothari Commission য়ে ছাত্ৰ শিক্ষকৰ এটা ratio দিছিলে, এই বিষয়তো নতুন শিক্ষানীতি নীৰৱ। Kothari Commission ত ষষ্ঠ শ্ৰেণীৰ পৰা বিজ্ঞান শিক্ষাৰ কথা কোৱা হৈছিলে। এই ক্ষেত্ৰতো বিজ্ঞানৰ laboratory ৰ কথাটো নাই।

ঠিক তেনেকৈ ST/SC/OBC ৰ উচ্চ শিক্ষাৰ বাবে সংৰক্ষণ বা অধিকাৰৰ কথাও নতুন শিক্ষানীতিত স্পষ্টকৈ উল্লেখ নাই। এই শিক্ষানীতিত শিক্ষাৰ ব্যক্তিগত কৰণত যথেষ্ঠ গুৰুত্ব দিয়া হৈছে। লোকসভাত ওলোৱা যিটো তথ্য, ৩৫ শতাংশ চৰকাৰী বিদ্যালয়তহে digital ব্যৱস্থা আছে আৰু তাৰেই বহু স্কুলত শিক্ষক নাই বা computer সমূহ বেয়া হৈ আছে। তেনেক্ষেত্ৰত ব্যক্তিগত খণ্ডৰ ছাত্ৰ-ছাত্ৰী সকলে digitalisation ত আগুৱাই গ'লে এটা বৈষম্য আহিব পাৰে। একে শ্ৰেণীতে পঢ়া লৰা-ছোৱালী সমূহে একে ধৰণৰ শিক্ষাৰ মানদণ্ড নাপাব পাৰে। আনহাতে বিদেশত থকা বিশ্ববিদ্যালয় সমূহত দুই ধৰণৰ থাকে। কিছুমানে চৰকাৰী অনুদান পায় আৰু কিছুমানে নাপায়। সেয়েহে আমাৰ ইয়াত যদি ভাল বিশ্ববিদ্যালয় সমূহ নাহে আৰু অকল ব্যৱসায়িক স্বাৰ্থত বাহিৰৰ বেয়া বিশ্ববিদ্যালয় সমূহ আহে তেনেহ'লে শিক্ষাৰ মানদণ্ড কেনেকুৱা হ'ব সেয়া আমি চিন্তা কৰিব লগা হ'ব।

অন্য এটা বিষয় হ'ল Vocational Training ৰ কথা কোৱা হৈছে ষষ্ঠ শ্ৰেণীৰ পৰা। এনে কৰিলে বহু ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাৰ পৰাও বঞ্চিত হ'ব পাৰে কাৰণ যদি শাৰীৰিক শ্ৰম থকাত Vocational Training চৰকাৰী বিদ্যালয়ত দিয়া হয়, তেওঁলোকৰ স্কুলৰ attendance কমি যাব পাৰে। এইটো এটা প্ৰত্যাহ্বানো আছে। ইয়াত কোৱা হৈছিলে যে নতুন শিক্ষানীতিৰ যোগেদি আমি আঢ়ৈশ মিলিয়নত কৈও অধিক শিক্ষাৰ্থীক ২০৩০ ভিতৰত নামভৰ্তি কৰাব লাগিব আৰু ইয়াৰ বাবে বৰ্তমান এহেজাৰ বিশ্ববিদ্যালয় বৰ্তমান আছে। ২০৩৫ চনৰ ভিতৰত উচ্চ শিক্ষাত নামভৰ্তি দুগুণ কৰাৰ বাবে এটা লক্ষ্য আছে। সেয়েহে পৰৱৰ্তী ১৫ বছৰত প্ৰতি সপ্তাহে এখন নতুন বিশ্ববিদ্যালয় আমি খুলিব লগা অৱস্থা হ'ব। ২ কোটি শিশুক আমি ঘুৰাই আবি লাগিব। সেই গতিকে এই গোটেইখিনি কৰিবলৈ প্ৰত্যেক সপ্তাহত ৫০ খনকৈ নতুন বিদ্যালয় স্থাপন কৰাৰো

প্ৰয়োজন হ'ব বুলি এটা সমীক্ষাত আহিছে। এই গোটেইবিলাক চাই মই ভাৱো শিক্ষানীতিৰ ওপৰত আমাৰ আৰু কিছু আলোচনা কৰাৰ প্ৰয়োজন আছে।

Vocational Training ৰ ক্ষেত্ৰত বিদেশত যি Vocational Training লোৱা হয়, তাৰ পিছত বিভিন্ন উদ্যোগত কৰ্মসংস্থাপন পোৱা যায়। কিন্তু ভাৰতবৰ্ষৰ Engineering graduate সকল Industry ত কাম কৰিবলৈ যেনেধৰণৰ সক্ষম হ'ব লাগে তেনেধৰণে সক্ষম নহয় বুলি Industry Association ৰ এটা report ত আহিছিল। সেয়েহে ইয়াত যিখিনি Vocational Training দিয়া হ'ব সেইবিলাকৰ ক্ষেত্ৰত বিভিন্ন বিভাগৰ লগত coordination ৰ ব্যৱস্থা থাকিব লাগে। কিন্তু আমাৰ এই শিক্ষানীতিত এই কথাখিনি উল্লেখ নাই।

ঠিক তেনেকৈ বিদেশত শিল্প, সাহিত্য, সংগীত আদিৰ ক্ষেত্ৰতো এটা পৰিৱেশ পোৱা যায়। ইয়াৰ দ্বাৰাও তেওঁলোকে উপাৰ্জন কৰিব পাৰে। কিন্তু ভাৰতত শিল্প, সাহিত্য, সংগীতৰ কি পৰিৱেশ সৃষ্টি হৈছে সেয়া এক চিন্তা কৰিবলগীয়া কথা। আটাইতকৈ ডাঙৰ কথাটো হৈছে তিনিৰ পৰা ছয় বছৰৰ ভিতৰত বা early education অঙ্গনবাড়ীৰ ক্ষেত্ৰত আমি তেওঁলোকক সক্ষম কৰাৰ কথা। কিন্তু অঙ্গনবাড়ী কৰ্মী সকলৰ মাননী যথেষ্ট কম। তেওঁলোকে পঞ্চায়তৰ সজাগতা, স্বাস্থ্য বিভাগৰ কাম, ভোটাৰ তালিকাত নামভৰ্ত্তী কৰণৰ পৰা আদি কৰি বিভিন্ন কাম কৰিব লাগে। শিশুৰ কামতকৈও তেওঁলোকৰ ওপৰত আন কামৰ বোজা বেছি। তেনেক্ষেত্ৰত যিটো কোৱা হয় যে ছয় বছৰ লৈকে শিশুক বহু কথাই শিকাব লাগে। এইখিনি শিকাবলৈ তেওঁলোকে এককভাৱে কাম কৰিব পাৰিব নে নাই সেইখিনিও সন্দেহ হৈছে। গতিকে মই ভাৱো যে এই শিক্ষানীতিখন আমি খুব জৰুৰীভাৱে গ্ৰহন কৰাতকৈ ইয়াত কি কি বিপদ হ'ব পাৰে আৰু লগতে Right to Education ৰ কোনখিনি কথা আমি গ্ৰহন কৰিছিলো আৰু কোনখিনি কথা ইয়াত নাই সেইখিনি চাইহে আমি গ্ৰহন কৰা উচিত। এইখিনিকে কৈ নতুন শিক্ষানীতিৰ ওপৰত মোৰ বক্তব্য আগবঢ়াই সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী মজিবুৰ ৰহমান।

**শ্ৰী মজিবুৰ ৰহমান (দলগাওঁ) ঃ** Hon'ble Speaker Sir, thank you for giving me an opportunity to take part on the decision on New Education Policy 2020.

Sir, few days back in an orientation programme on NEP, 2020 held at Assembly GNB Bhawan where I participated and learnt a little bit from the presentation of experts and what I understood want to exprees and share in this House that to introduce or implement the New Education Policy 2020 have some major challenges. That Sir, the New National Education Policy (NEP), 2020 brings in ambitious changes that could transform the education system. But the key here is good implementation and execution. The National Education Policy, 2020 is a welcome and ambitious re-imagination of India's Education system into a modern, progressive and equitable one. Successful execution of this policy calls for dramatic simplication of decision making structures and re-prioritazation of budgetary re-

sources in months and years to come.

Given that there are around 350 million Indians today is school going or college going age groups, the NEP calls for a large scale implementation of a magnitude never before attempted anywhere un the world.

This presents substantial execution challenges, both quantitative and qualitative.

That Sir, The National Education Poilicy, 2020. intends to bring 2 crore childrens who are currently not in school, back into the school system. Whichever way to look at it, acomplishing this over 15 years requires this certainly requires a subtaintial amount of investment in classrooms and campuses. But it also means appointing at least, 50 Head-masters everey single week and atleast, 200-300 teachers every single week in an on going basis. Given that many teaching positions are going unfilled even in existing schools. This becomes a partcularly interesting challages the setting up around 50 schools in every week. That Sir, India, today has around 1000 universities accross the country. Doubling the Gross Enrolment Ratio in higher education by 2035 which is one of the stated goals of the policy will mean that we must open one university every week for the next 15 years. Opening one university every week in on an ongoing basis is an undoubtedly massive challange for us. That Hon'ble Speaker Sir, Funding also is a big challanges for us. The National Education Policy 2020 envisages and increase in the education spending from 4.6% to 6% of GDP, which amounts to around Rs.2.5 lakh crores per year. This money will be well-spent building , schools and colleges across the country, appointing teachers and professors, and more operational expenses such as providing free meal to The school children. What makes things tricky is that this policy comes into being at a time when the economy has been crashed by Covid-19 related lockdowns, Government tax collections are very low, and the fiscal deficit was high even pre-covid. That Hon'ble Speaker Sir, current economists have been calling for large stimulus packages amounting to double-digit percentage of GDP, despite the strain on the exchequer. While the Ntional Education Policy is a 20 years journy, one worries that we may be off to a stumbling start over the next the 2-3 years, when the government have budgetory priorities are claimed by the more urgent but equally important needs healthcare and economic recovery. Hon'ble Speaker Sir, in school education, the policy envisage a sweping structural re-design of the curriculum a very welcome step. But in order to deliver this curriculum effectively, we need teachers who are trained in and understand the educational needs. Many of the curricular changes

requir substantial mindset shifts on the part of teachers, as well as parents.

**মাননীয় অধ্যক্ষ ঃ** হ'ব। আপুনি যিটো কৈ আছে সেইটো মন্ত্ৰী ডাঙৰীয়াক লিখিতভাবে চাবমিট কৰিব। আমাৰ সময় ক'ম আছে। আপুনি যিহেতু ৰিটেন দিছে , ইয়াত লে কৰিলে হ'ব।

**শ্ৰীমজিবুৰ ৰহমান (দলগাওঁ) ঃ** ধন্যবাদ ছাৰ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ , এতিয়া ৰমেন্দ্ৰ নাৰায়ণ কলিতা । মই সদনৰ পৰা অনুমতি বিচাৰিছো- মাননীয় ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই লোকসভাৰ মাননীয় অধ্যক্ষ মহোদয়ক চি-অফ কৰিবলৈ যাব ।তেখেতে 'ৰাজহুৱা উদ্যোগসমূহৰ সমিতিৰ ' প্ৰতিবেদনখন লে' কৰা পিচত আছিল । এতিয়া মই তেখেতক প্ৰতিবেদনখন লে' কৰিবলৈ অনুমতি দিছো। তাৰপিচত তেখেতে সদনত বক্তব্য ৰাখি আমাৰ মাজৰ পৰা বিদায় ল'ব। আপুনি আগতে প্ৰতিবেদন লে' কৰক।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ ৰাজহুৱা উদ্যোগসমূহৰ ৬০তম প্ৰতিবেদনখন সদনত দাঙি ধৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ ।এতিয়া আপুনি " অধ্যক্ষৰ ইনিচিয়েটিভ'ত বক্তব্য ৰাখক।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "স্পীকাৰ ইনিচিয়েটিভ'ত নিউ এডুকেশ্যন পলিচিৰ ওপৰত যিটো আলোচনা হৈছে, সঁচাকৈয়ে এই সময়টো বৰ উপযোগী হৈছে। এই বিষয়টো অতি গুৰুত্বপূৰ্ণ বিষয়। গতিকে এই বিষয়টো আজি সদনত অনাৰ বাবে মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিলো। বিশেষভাবে আমি সকলোৱে জানো যে মানব সম্পদ উৎপাদন আৰু বৌদ্ধিক উত্তৰণৰ সবাতোকৈ শক্তিশালী আহিলাটো হ'ল শিক্ষা। আৰ্থসামাজিক উন্নয়ণ আৰু ৰাষ্ট্ৰ নিৰ্মানৰ ক্ষেত্ৰত শিক্ষাৰ ভুমিকা সবাতোকৈ গুৰুত্বপূৰ্ণ । শিক্ষাৰ এই সৰ্ব্বাত্মক ভূমিকাৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষাক অধিক ফলপ্ৰসূ আৰু সকলোধৰণৰ মানুহৰ মাজতে উপলব্ধ কৰোৱাৰ বাবে সমগ্ৰ বিশ্বতে ' শিক্ষা নীতি'ৰ ধাৰণাটোক যথেষ্ঠ গুৰুত্ব দিয়া হৈছে। কল্যাণকামী ৰাষ্ট্ৰৰ ধাৰণাটো সাৰোগত কৰি আগবঢ়া আমাৰ দেশ ভাৰতবৰ্ষতো 'শিক্ষা নীতি'ক যথেষ্ঠ গুৰুত্ব আৰোপ কৰা হয়। আৰু সেই কাৰণে-১৯৪৬ চনত সেই সময়ত কেন্দ্ৰীয় চৰকাৰে এটা নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি গ্ৰহণ কৰিছিল আৰু বিশেষভাবে সেই ৰাষ্ট্ৰীয় শিক্ষানীতি গ্ৰহণ কৰিছিল আৰু বিশেষভাবে সেই ৰাষ্ট্ৰীয় শিক্ষানীতিত শিক্ষাৰ সম্প্ৰসাৰণ আৰু আমাৰ সংখ্যালঘু সম্প্ৰদায়, অনুসুচীত জাতি আৰু মহিলাৰ শিক্ষাৰ ওপৰত বেছিকৈ গুৰুত্ব আৰোপ কৰা হৈছিল। এই যিটো শিক্ষা নীতিৰ এক আমূল পৰিৱৰ্ত্তনৰ বাবে শিক্ষা খণ্ডতো যথেষ্টখিনি পৰিৱৰ্ত্তন সেই সময়ত হোৱা পৰিলক্ষিত হৈছে। -বিশেষভাবে- ২০০৯ চনত 'ৰাইট টু এডুকেশ্যন এক্ট ' ত এই আইনখন অনা হৈছিল আৰু এই আইনৰ জৰিয়তে শিক্ষাটো সুনিশ্চিত কৰা হৈছিল । আৰু ২০২০ চনত যিটো নতুন নিউ এডুকেশ্যন পলিচিত ঘোষণা কৰা হ'ল, সেই শিক্ষাৰ ক্ষেত্ৰত গ্ৰহণ কৰা হৈছে আটাইতকৈ সাম্প্ৰতিক শিক্ষানীতি। সময় আৰু সমাজৰ দ্ৰুত পৰিৱৰ্ত্তনৰ পৰিপ্ৰেক্ষিতত শিক্ষা আৰু শিকন কাৰ্য্যক পুনৰীক্ষণ কৰি নতুন ৰূপত আগবঢ়াই নিয়াতো এটা প্ৰয়োজনীয় বিষয়। যিটো নতুন শিক্ষা নীতি ঘোষণা কৰিছে , এই শিক্ষানীতিৰ যি বৈশিষ্ট্য সেইখিনি অতি গুৰুত্বপূৰ্ণ । এই বৈশিষ্যসমূহে এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব এইটো নিশ্চিত। এই বৈশিষ্ট্যসমূহ হৈছে- ছাত্ৰ-ছাত্ৰী স্বকীয় গুণৰ চিনাক্তকৰণ আৰু স্বীকৃতি আৰু গুণৰ বিকাশৰ বাবে উচ্ছাহ প্ৰদান। তৃতীয় শ্ৰেণীলৈ প্ৰাথমিক সাক্ষৰতা আৰু সংজ্ঞা জ্ঞান আহৰণৰ গুৰুত্ব প্ৰদান। বিষয়বস্তু আৰু পাঠ্যক্ৰম-পছন্দৰ ক্ষেত্ৰত

ক্ষেত্ৰত শিথিলতা, নমনীয়তা আৰু পছন্দৰ গুৰুত্ব। একাডেমীক বিভাজন হ্ৰাস অৰ্থ্যাৎ আৰ্টচ, হিউমেনিটি বা চাইন্সৰ মাজৰ ব্যৱধান বিশেষভাবে শিথিল কৰণ । শিক্ষাৰ মাধ্যম হিচাপে আমাৰ মাতৃভাষা বা স্থানীয় ভাষাৰ প্ৰতি উচ্ছাহ প্ৰদান কৰা আৰু বহু বাহ্যিকতাৰ বিকাশ ঘটোৱা । গতানুগতিক পাঠ্যক্ৰমৰ পৰিসীমা বৃদ্ধি কৰি ক্ৰীড়া, ঐতিহ্য, সংগীত, সুকুমাৰ কলাৰ দৰে উৎকৰ্ষমূলক বিষয়বিলাক অৰ্ন্তভুক্ত কৰা । স্থানীয় বিষয়ৰ প্ৰতি সন্মান প্ৰদান কৰা শিক্ষকৰ নিযুক্তিৰ কৰ্ম দক্ষতা বৃদ্ধিৰ ক্ষেত্ৰত অধিক সচেতনতা, গুণগত মানদণ্ড নিশ্চিত কৰা । উচ্চ শিক্ষাক অধিক ৰিৰ্চাছবেছ আৰু অধিক নিয়োগ সম্ভৱনাযুক্ত শিক্ষা হিচাপে আগবঢ়োৱা । ভোকেশ্যনেল শিক্ষাক মূল সুঁতিৰ শিক্ষা ব্যৱস্থাৰ লগত সংযুক্ত কৰি সমমৰ্য্যদা প্ৰদান কৰা গতিকে দেখা গৈছে যে আমাৰ নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি যিটো গ্ৰহণ কৰিছে, ইয়াৰ যিখিনি বৈশিষ্ট্য এই বৈশিষ্ট্যসমূহ যদি ৰূপায়ণৰ ক্ষেত্ৰত খৰতকীয়াকৈ ব্যৱস্থা গ্ৰহণ কৰে, তেনেহ'লে শিক্ষাৰ ক্ষেত্ৰত যে আমূল পৰিৱৰ্ত্তন হ'ব, সেইটো নিশ্চিত। উদাহৰণ স্বৰূপে প্ৰাথমিক প্ৰৰ্য্যায়ৰ শিক্ষা প্ৰদানৰ পদ্ধতি বহুমূখী খেল-ধেমালী কেন্দ্ৰীক, মানৱীয় আচাৰ আচৰণ শিকনৰ ওপৰত ভিত্তি কৰি আগবঢ়াই নিয়াৰ পোষকতা কৰা হৈছে। এন চি আৰ টিয়ে ৩ বছৰ বয়সলৈকে এটা মডেল আৰু ৩ বছৰৰ পৰা ৪ বছৰ বয়সলৈকে আনটো মডেল তৈয়াৰ কৰিব। কাৰণ দুটা মডেল আমাৰ বিশেষভাৱে আমাৰ এচ চি আৰ টিয়ে তে নেধৰণে দুটা মডেল কৰাৰ কাৰণে চিন্তা-চৰ্চা কৰিছে আৰু যদি ইয়াত তেনেধৰণে মডেল প্ৰস্তুত কৰি যদি আমাৰ বিশেষভাৱে ভৱিষ্যৎ প্ৰজন্মৰ কাৰণে, যদি এই শিশু সকলৰ কাৰণে তেনেধৰণে ব্যৱস্থা গ্ৰহণ কৰে মই ভাৱো আমাৰ শিক্ষাৰ ক্ষেত্ৰত যথেষ্টখিনি আগবাঢ়ি যাব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, ধন্যবাদ। ৬ মিনিট হ'ল আৰু আমি আলহী থব যাব লাগিব সেই কাৰণে।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** আৰু অলপ আছিল, এক মিনিট, মাত্ৰ দুটামান কম। এই পৰ্য্যায়ত আনকেটবোৰ গুৰুত্বপূৰ্ণ সিদ্ধান্ত হৈছে প্ৰাথমিক স্বাক্ষৰতা আৰু সঙ্গা জ্ঞানৰ ওপৰত সৰ্বাধিক গুৰুত্ব, শিক্ষক নিযুক্তিৰ মানদণ্ড নিশ্চিত কৰণ, খালী পদৰ অনতিপলমে পূৰণ, শিক্ষা নামৰ সমল ভাণ্ডাৰ এটা প্ৰস্তুত কৰণ, বিদ্যালয় ত্যাগৰ ঘটনা হ্ৰাসৰ বাবে আৰু বিদ্যালয় এৰা সমূহক ঘুৰাই অনাৰ ব্যৱস্থা গ্ৰহণ, বিদ্যালয় শিক্ষন পদ্ধতি, যিটো আমাৰ মাননীয় শিক্ষামন্ত্ৰীয়ে আগতে কৈছে 5+3+3+4 আৰ্হিত পুনৰ গঠন। তেনেধৰণে যদি ব্যৱস্থা লৈ আগবঢ়া যায় তেতিয়াহলে মই ভাৱো যে যথেষ্টখিনি শিক্ষাৰ এটা পৰিবৰ্তন হ'ব আৰু এই ক্ষেত্ৰত আমাৰ বিশেষভাৱে আৰু এই শিক্ষা নীতিটো বাস্তৱিকতে আমি যেতিয়া কাৰ্য্যকৰী কৰিবলৈ যাম, হয়তো ইয়াৰ আৰু বহুতো পৰ্য্যালোচনা কৰাৰ স্থল থাকিব। মই ভাৱো যে এইটো একেই বছৰতে ৰূপায়ণ কৰা বিষয় নহয়। ইয়াক পৰ্য্যায়ক্ৰমে ইয়াক ৰূপায়ণ কৰিব লাগিব আৰু পৰ্য্যায়ক্ৰমে ৰূপায়ণ কৰিবলৈ যাওঁতে যাতে আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে এক আমাৰ যি শিক্ষাবিদ থাকিব এই শিক্ষাবিদ সকলৰ লগত আলোচনা কৰি পৰ্য্যায়ক্ৰমে এইটো যাতে বাস্তৱ ব্যৱস্থা গ্ৰহণ কৰি আগবাঢ়ে তাৰ বাবে মই অনুৰোধ জনাই মোৰ বক্তব্য সামৰণি মাৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰীমতী নন্দিতা গৰ্লচা।৬ বা ৭ মিনিটত সামৰণি মাৰিব।

**Smti Nandita Gorlosa:** Sir, I will complete before that.

The NEP policy, 2020 is one of the most important factors that we will be facing it. I will be saying few of the practical things that, according to me I will find once this will be implemented we know

that in the sector of the Education, we have 3 sectors elementary, secondary and higher. I will be speaking mostly on the elementary because what we find is; in the government schools we hardly have a good number of results and then hardly good numbers of students go to study in the Government School. There might be so many perspective, so many views from the different areas. According to my colleague, Bhubon Pegu he said likes after six years or mostly after six years the children, they go in the villages so that is one the factor, but I will say that we can also. I will go in a different way; I will say that in the NEP policy we will have to see on how the educators are being given more of the terms in really making this policy being implemented in a proper way. In Government schools usually the students when they go they don't find it an interest in the school itself only that is why another thing that has come up is the Anganwadi sector where we can give it properly a full education in terms of both educations we can find it in the village in Anganwadi also but basically what I see is a socio-economic problem is also there. Why do I say is that, say for example a parent who is having a service holder of a 3rd Grade or a 4th Grade, and then you have a children three numbers or four numbers of children say we are taking of a rural area, then those number of a students will like to study in an private school, they will not like to go in an Government school. But the parents they find it difficult to send them to the private school, but still they need to send them to the private school because they want to have an education in a very good sense. Now the question comes for the parents whether they will be fully satisfy them in giving that education to their four children of the family. Four children of the family if they can give it again they are finding it the salary that they are having is again very low which they cannot afford it. So what I find in my position is I see that mostly the parents are also finding it very difficult to really accommodate to the situation of the system of an education. They are not finding it in the Government schools, they are not finding it well, but in the private it is as everybody knows that in a private it is very good but in the government it is not good. Now in the government we have to make it very good but now the question is once this NEP comes whether it will be implemented for the parents also or not that is the concern, students whether they will be able to

study properly or not that is the concern. Here in the House will say that it is very good, NEP has come it is very good but the real process will be whether we will be able to bring exactly the number of students all numbers of students really coming up from the Government schools in the near future according to the policy of an NEP. The other thing I will say is I will not go more to the other's one, I will go to the syllabus. In a syllabus that I have seen is how the syllabus sector has to be there. We being a tribal we are in dearth of the language and then where we are its under the N.C Hills Autonomous Council, so Council has given it a policy where Class I to Class V the education of the tribal can be done and then the languages are being there, so NEP is another a plus point for us where the education can be given into the higher classes also. Now in such syllabus when it is being prepared or when it will be prepared I will just like to say that at least if the 100% of the syllabus, please give us scope at least for the 40% of the language that can be included in the syllabus. What I meant to say is whatever subject if we find it according to NEP that we can study our own language in the book it has to be appropriate and then when the syllabus will be made in such a way at least give some scope for the syllabus to be included in the language of whatever has been prepared in their own way, in the NEP I would just like to say that at least give some scope for the language of their own tribal wherever or whatever it is being residing. The third is in the higher education, I would not like to say much but as when the convention has been placed here in the last month I suppose, when the Minister has been here then he have said that Assam can be given as a laboratory for the language based Education, in that way I would like to say that at least some language based if it is been given as a Research, I would like to say that those policy will be very good if it can also be implemented in a place or in a district like ours where there are so many number of languages and then we can really make it a University where the  based on the laboratory process where the language can be in calculated more. Thank you Sir.

**সভাপতি (শ্ৰীপ্ৰদীপ হাজৰিকা) ঃ** এতিয়া মাননীয় সদস্য জয়ন্ত বসুমতাৰী। ৫ মিনিট ল'ব।

**শ্ৰীজয়ন্ত বসুমতাৰী (চিডলী) ঃ** ধন্যবাদ, আজি নতুন শিক্ষা নীতিৰ Speakers initiativeত মোক কবৰ কাৰণে যি সুযোগ দিলে তাৰ কাৰণে সভাপতি মহোদয়ক মই ধন্যবাদ জনাইছোঁ। নতুন

শিক্ষা নীতিৰ reasonটো হ'ল যে is to build the foundation of New India that is knowledge society আৰু এই NEP ত যিটো properly যেতিয়া implemented হ'ব তেতিয়া ২৯০ মিলিয়ন ছাত্ৰ-ছাত্ৰীৰ জীৱনত আমোল এটা পৰিৱৰ্তন আহিব। যাৰ দ্বাৰা ভাৰতক নতুন ৰাষ্ট্ৰ হিচাপে পাবলৈ ইয়াত বিচৰা হৈছে, knowledge society গঢ়াৰ কাৰণে এটা ইয়াৰ দ্বাৰা এটা সিদ্ধান্ত লোৱা হৈছে। এই New Education Policy is to provide high quality, equitable and inclusive education that is inclusion of socio-economic disadvantaged groups which focus on Girls Education বুলি কোৱা হৈছে । সেই বাবে মই ভাৰত চৰকাৰক ধন্যবাদ জনাইছো । আমি সকলোৱে জানো শিক্ষা হ'ল মানৱ সম্পদ গঢ়াৰ এক আহিলা আৰু যি ৰাষ্ট্ৰই মানৱ সম্পদ গঢ়িব পাৰিছে তেনে ৰাষ্ট্ৰ খণিজ সম্পদত চহকী নহ'লেও বিশ্বৰ অন্যতম ৰাষ্ট্ৰ হিচাপে পৰিগনিত হ'ব পাৰে । সেয়েহে আজি ভাৰত চৰকাৰৰ লগতে অসম চৰকাৰেও শিক্ষা ব্যৱস্থাটো এটা নতুন দিশেৰে আগবঢ়াই লৈ যাব বিচাৰিছে । তাৰ বাবে মই ধন্যবাদ জনাইছো ।

আমাৰ অধ্যক্ষৰ উদ্যোগৰ জৰিয়তে নতুন শিক্ষানীতি ২০২০ প্ৰচলনৰ ওপৰত আলোচনা ৰাখিছিলে যিহেতুকে তাত বহুতো আসোৱাহ থাকিব পাৰে । সেইবাবে মই এই প্ৰসংগতে বড়ো মাধ্যমৰ কথা উল্লেখ কৰিব বিচাৰিছো । বড়ো সকল হ'ল অসমৰ আদিম বাসিন্দা আৰু ১৯৬৩ চনৰ ১৪ মে' তাৰিখৰ পৰা অসমত বড়ো মিডিয়াম হিচাপে অসমত প্ৰচলিত হৈ আছে । আজি আহি আহি আমি বিশ্ববিদ্যালয় পৰ্য্যায়ত অধ্যয়ন বা ৰিচাৰ্চ আদি কৰিবলৈ সক্ষম হৈছো। বড়ো মাধ্যমতPhd পৰ্য্যন্ত পাবলৈ সক্ষম হৈছো । সেই কাৰণে মই ক'ব বিচাৰিছো যে BTR অঞ্চলত বড়ো মাধ্যমত ভেঞ্চাৰ স্কুল হৈ আছে । অসম চৰকাৰে এটা সিদ্ধান্ত লৈছিল হাইস্কুল বিলাক হায়াৰ চেকেণ্ডাৰী কৰাৰ। আমাৰ তাত জনসংখ্যা অনুপাতে স্কুল ক'ম গতিকে তাত স্কুল স্থাপন কৰিব লাগে। ইতিমধ্যে ২০-২৫ বছৰ ধৰি যিবিলাক ভেঞ্চাৰ স্কুল হিচাপে চলি আছে, সেই বিলাকক প্ৰভিঞ্চিয়েলাইজ নকৰিলে নতুন শিক্ষানীতিত এই বিলাকৰ অৱস্থা কি হ'ব ? গতিকে মই আপোনাৰ যোগেদি মাননীয় শিক্ষামন্ত্ৰী মহোদয়ক আহ্বান জনাব বিচাৰিছো যে আমাৰ হাইস্কুল বিলাকত হায়াৰ চেকেণ্ডাৰী কৰিব লাগে আৰু প্ৰাইমাৰী বিলাকত য'ত প্ৰতিটো গোষ্ঠীৰ ভাষাৰ জ্ঞান দিয়া হয়, আমাৰ বড়ো মাধ্যমৰ প্ৰাথমিক বিদ্যালয় সমূহতো যোৱা ১৯৬৩ চনৰ পৰা চলি আছে, এই বিলাক প্ৰভিঞ্চিয়েলাইজ কৰি তাত পৰ্য্যাপ্ত শিক্ষক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে। অন্যথা নতুন ভাৰত গঠন কৰা কঠিন হ'ব । সেইবাবে মই আহ্বান জনাইছো হাইস্কুল বিলাক হায়াৰ চেকেণ্ডাৰী কৰি গঢ়ি তোলাৰ বাবে । প্ৰায় ২০০ খন মান হাইস্কুল আছে য'ত পৰ্য্যাপ্ত পৰিমানৰ শিক্ষক নাই । বিদ্যালয় সমূহত যিহেতুকে নৱম, দশম, একাদশ আৰু দ্বাদশ শ্ৰেণী একেলগ কৰিব বিচাৰিছো আমি বেচৰকাৰী বিদ্যালয় সমূহত কেনেকৈ নতুন শিক্ষানীতি প্ৰচলনৰ ব্যৱস্থা কৰিব । নতুন শিক্ষানীতি ৰূপায়ণ কৰাৰ আগে আগে আমাৰ যি ভাৰ্ণেকুলাৰ মাধ্যমৰ বিদ্যালয় ভেঞ্চাৰ হৈ আছে সেই বিলাক যাতে চৰকাৰী কৰে তাৰ বাবে আহ্বান জনাইছো ।

**(সভাপতিৰ আসনত সন্মানীয় শ্ৰী প্ৰদীপ হাজৰিকা দেৱ উপবিষ্ট)**

**সভপতি ঃ** আপোনাৰ সময় ইতিমধ্যে উকলিছে আপুনি সামৰণি মাৰিব পাৰে ।

**শ্ৰী জয়ন্ত বসুমতাৰী (চিডলী) ঃ** হয় মই সামৰিছো । মই নতুন শিক্ষানীতিটোৱে ভেঞ্চাল স্কুল বিলাক প্ৰভিঞ্চিয়েলাইজ কৰি নতুন ভাৰত নিৰ্মাণ কৰাত লক্ষ্যত উপনিত হ'ব পাৰিব বুলি আশা কৰিছো আৰু নতুন শিক্ষানীতিটো গ্ৰহণ কৰিছো । নতুন শিক্ষানীতি অসমত সোনাকালে বলৱৎ

কৰিব লাগে । কিয়নো ইয়াৰ দ্বাৰা বিগ্য সমাজ গঢ়াৰ যি সপোন সেইটো যাতে অতিশীৰ্ঘে বাস্তৱায়িত হয় । ধন্যবাদ ।

**শ্ৰী প্ৰদীপ হাজৰিকা (সভাপতি)ঃ** ইয়াৰ পিছত আছে সন্মানীয় সদস্য শ্ৰী দুৰ্গা দাস বড়ো।

**শ্ৰী দুৰ্গা দাস বড়ো (কলাইগাঁও)ঃ** মাননীয় সভাপতি মহোদয়, আচলতে মই নেতিবাচক হিচাপে আৰম্ভ কৰিছো বক্তব্য। নতুন শিক্ষা নীতিক লৈ আমি ডাঙৰ ডাঙৰ লেকচাৰ দিব পাৰিম, ইয়াত ডাঙৰ ডাঙৰ পৰামৰ্শ দিব পাৰিম, কিন্তু নতুন শিক্ষা নীতি ইতিমধ্যে ৰূপায়ণ হৈছে আৰু এই নীতি মতে কাম-কাজ আৰম্ভ হৈছে । আৰু এই নতুন শিক্ষা নীতি ৰূপায়ণৰ সময়ত যিবিলাক ষ্টেক হল্ডাৰ আছিল সেই ষ্টেক হল্ডাৰ বিলাকৰ লগত বিস্তৃত ভাবে আলোচনা কৰা আমি দেখা নাপালো। তেওঁলোকৰ লগত বিস্তৃতভাবে আলোচনা কৰিলে হয়তো ইয়াতকৈ এখন উন্নত মানৰ নতুন শিক্ষা নীতি আনিব পাৰিলোহেঁতেন। এটা কথা মই সমৰ্থন কৰিছো আজিৰ সময়ত এই দীঘলীয়া সময়চোৱাৰ মাজত নতুন শিক্ষা নীতি দিয়াটো অতিকৈ প্ৰয়োজন আছে । গতিকে এই ক্ষেত্ৰত মই এটা কথা ক'ব বিচাৰিছো যে মই গোটেই কেইটা চেক্টৰ 5+3+3+4 মই বাকীখিনি ক'ব বিচৰা নাই, মই মাত্ৰ ৫ টে থাকিব বিচাৰিছো । মাননীয় শিক্ষামন্ত্ৰী মহোদয়, ৫ নং টো আলোচনা কৰিব লাগিলে আচলতে মোৰ যিটো সময় সেই সময়তো নিশ্চয় নহয়। বাকী খিনি মই আলোচনা কৰিব নোৱাৰো । মাননীয় অধ্যক্ষ মহোদয়, এই যিটো প্ৰাথমিক পৰ্য্যায় সেইটো পৰ্য্যায় কৰবাৰ পৰা এগৰাকী শিক্ষক গঢ়ি আনি শিকাব পৰা বিষয় নহয় । এই আৰম্ভনি প্ৰক্ৰিয়াটো শিক্ষক জন আল-পইচান ধৰাৰ পৰা ক, খ, A, B শিকোৱালৈকে তেওঁ জানিব লাগিব । গতিকে যিকোনো এজনে শিক্ষকক আমি যদি শিকাবলৈ দিয়া হয় তেতিয়াহ'লে সেই শিক্ষক জনে কোনো কাৰণত শিকাব নোৱাৰিব, । দ্বিতীয়তে, আমাৰ পঞ্চম শ্ৰেণীতে কৈছে যে আমাক মাতৃ ভাষাত শিকিবলৈ দিব । মাতৃ ভাষা এটা নহয়, Multi language state, এনেকুৱা এখন স্কুল আছে যে তাত ৫ টা ভাষাৰ তাত ছাত্ৰ-ছাত্ৰী আছে । অতি কমেও দুটা ভাষাৰ ছাত্ৰ-ছাত্ৰী প্ৰায় প্ৰত্যেক খন বিদ্যালয়তে হ'ব গতিকে শিক্ষকজন Multi language শিক্ষক হ'ব নে ৫টা ভাষাৰ শিক্ষক আমি তাত দিম । এই কথা বিলাক আমি চালিজাৰি চাবলগীয়া আছে । মই ক'ব বিচাৰিছো 3+3+4 তাত খুব বেছি আন্তঃগাঠনিৰ প্ৰয়োজন নাই । কিন্তু আজি তলৰ শ্ৰেণীটোত আন্তঃগাঠনিৰ এই কাৰণে প্ৰয়োজন আছে, যদিও আমাৰ অসম চৰকাৰে ইতিমধে অঙ্গনবাড়ী কেন্দ্ৰ আছে সেইবিলাকৰ এটা লক্ষ্য আৰু উদ্দেশ্য ৰাখি সেই বিলাক জাকজমকীয়াকৈ গঠন কৰিব, তৈয়াৰ কৰি তাত ল'ৰা-ছোৱালী পঢ়োৱাৰ কথা ভাবিছে সেইটো সুন্দৰ কথা ভাবিছে । মই কৈছো আমাৰ শিক্ষানীতি লাগু হ'ব সেইদিনা কিন্তু একেদিনাই গোটেই অসমত প্ৰয়োজন হ'ব । এই যে একেদিনাই অসমত স্কুলৰ প্ৰয়োজন হ'ব, শিক্ষকৰ প্ৰয়োজন হ'ব, ভাষাৰ প্ৰয়োজন হ'ব অন্যান্য আৰু যি প্ৰয়োজন হ'ব সেই প্ৰয়োজন বিলাক এখন ৰাজ্য চৰকাৰে ইমান ক'ম সময়ৰ ভিতৰত ধৰিব পাৰিব নে নাই । গতিকে মই এই কাৰণে কেইবাজনো বক্তাই কৈছে চৰকাৰী পক্ষৰ বক্তাই কৈছে যে আমি সময় লোৱা উচিত । খৰতকীয়া কেতিয়াও কৰিব নালাগে এই পৰ্য্যায়ৰ ছাত্ৰ-ছাত্ৰী খিনিৰ কাৰণে। আপোনালোকে জানে এই পৰ্য্যায়ত এটা ছাত্ৰক খেলা শিকাব লাগিব, গান শিকাব লাগিব ইত্যাদি ইত্যাদি তাত কৰিব লগীয়া আছে । তাত মাত্ৰ শিক্ষক দিলে নহ'ব, আপোনালোকে জানে তেনেকুৱা ব্যক্তিগত খণ্ডৰ বিদ্যালয় যিবিলাক আছে সেই বিদ্যালয় বিলাকক হেল্পাৰ তিনি-চাৰি জনকৈ থাকে এটা শ্ৰেণীত। আমাৰ নতুন শিক্ষানীতিৰ যিটো ৰেচিঅ' সেই ৰেচিঅ' টো ৪০+১ শিক্ষক, আমাৰ এই ৰেচিঅ'টো অসমত নাই । এতিয়াও সেইটো সম্পূৰ্ণ কৰিব পৰা নাই । গতিকে মই ভাবো যে

তেনেকুৰা ধৰণৰ চিন্তা-চৰ্চা মাননীয় শিক্ষামন্ত্ৰী আছে তেওঁ সাংঘাটিক ধৰণে শিক্ষাৰ লগত জড়িত গতিকে জ্ঞান এই ক্ষেত্ৰত আছে । মই এটা কথা কৈছো যদিও মই অন্য চেক্টৰত ক'ব খোজা নাই, এটা কথা কৈছো যে এটা কিন্তু বিপদ দেখা গৈছে এই শিক্ষানীতি খনত। ভৱিষ্যতে প্ৰাইভেটাইজেশ্যনৰ ফালৰ পৰা প্ৰাইভেটাইজেশ্যন কৰাৰ এটা ক্লু এই নতুন শিক্ষানীতিত আছে, বিশেষকৈ আপাৰ ক্লাচত যিবিলাক আছে। আমি দেখিছো গুৱাহাটী বিশ্ববিদ্যালয়আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়কে ধৰি প্ৰায় চাৰি-পাঁচখন বিশ্ববিদ্যালয়ৰ ভাইচ-চেন্সেলাৰে যেতিয়া তেওঁলোকৰ বক্তব্য ৰাখিছিল, সেই বক্তব্যত এটা কথা স্পষ্ট হৈছিল সিদিনা, মই নিজেই শুনিছো যে ভৱিষতে যেতিয়া বাহিৰৰ ইউনিভাৰছিটি বিলাক আহে, আজি যদি ইউ, কেৰ এখন ইউনিভাৰছিটি আহে, আমেৰিকাৰ এখন ইউনিভাৰছিটি আহে, ইয়াতে আহি তেওঁলোকৰ ব্ৰাঞ্চ খুলি ইউনিভাৰছিটি কৰে, তেওঁলোকে তেওঁলোকৰ ষ্টেণ্ডাৰডৰ টিচাৰ, টিচিং ষ্টাফ ৰাখিবনে নাইঙ্গ ইনফ্ৰাষ্ট্ৰাকচাৰ ৰাখিব কিন্তু টিচিং ষ্টাফ তেওঁলোকে ৰাখিবনে নাই। যদি নাৰাখে নামটোৰে সৈতে সেইটো সমভাৱে শিক্ষা তেওঁলোকে নাপাব। এইকাৰণে মই বিচাৰিছো অধ্যক্ষ মহোদয়, আগন্তুক দিনত যিবিলাক ইউনিভাৰছিটি ইয়াত খোলা হ'ব ,আজিৰ যিবিলাক ইউনিভাৰছিটি আছে, আপুনি জানে কটন কলেজখন ইউনিভাৰছিটি হৈছে। সিদিনা কটন বিশ্ববিদ্যালয়ৰ ভাইচ-চেন্সেলাৰে কেইটামান কথা কৈছে যে তেওঁলোকে আজিও তাত ফেকাল্টি পাবপৰা নাই, বাকী আছে। যদিও কৈছে সপ্তাহত এখনকৈ ইউনিভাৰছিটি খুলিব লাগিব। যিমান ইউনিভাৰছিটিৰ প্ৰয়োজন হ'ব সেই ইউনিভাৰছিটিবিলাকৰ লগত বাকী 3+3+ যিখিনি আছে আৰু 4 এইখিনি খোলাৰ লগে লগে একেলগে ৰাজ্য চৰকাৰৰ, ভাৰত চৰকাৰৰ এটা সাংঘাটিক প্ৰেচাৰ আহিব। পইচা দিলেই যেনিবা আমাৰ ৰাজ্য চৰকাৰলৈ ভাৰত চৰকাৰে, আমিটো একে ৰাতিৰ ভিতৰতে গড় বান্ধিব নোৱাৰো। একে ৰাতিৰ ভিতৰতে গড় বন্ধাৰ নিচিনাকৈ আমি কোনো কাৰণত বিদ্যালয় গৃহ, শিক্ষক তৈয়াৰ কৰিব নোৱাৰো। দীঘলীয়া সময়ৰ প্ৰয়োজন আছে। সেই কাৰণে অধ্যক্ষ মহোদয়, মই আপোনাৰ জড়িয়তে মন্ত্ৰী মহোদয়ক মিনতি কৰিব বিচাৰিছো, অনুৰোধ কৰিছো এইটো কোনো ৰাজনীতি, কোনো অৰ্থনীতিৰ কথা নহয়, মানুহ গঢ়াৰ যিহেতু এইটো স্থল, এই মানুহ গঢ়িবলৈ যাওঁতে প্ৰিলিমিনাৰী ষ্টেজটোক সকলোতকৈ বেছি গুৰুত্ব দিব লাগিব পিচত বাকী বোৰ আহিব। শিক্ষাৰ ওপৰত কৰা প্ৰশ্নসমূহৰ উত্তৰত আপুনি নিজেই কৈছে যিবিলাক বিদ্যালয় খালী থাকিব, সেই বিদ্যালয় বিলাকত আপুনি CBSC ৰ ক্লাচ আৰম্ভ কৰিব পাৰিব, বা যিবিলাক বিদ্যালয় খালী থকিব ৩+৩+৪ এইবিলাক আপুনি আৰম্ভ কৰিব পাৰিব আপুনি নিজেই কৈছে। আপোনাৰ 'ভিছন' এটা আছে, আপোনাৰ 'ভিছন'ক ধন্যবাদ দিছো। শেষত আকৌ মই আপোনাক অনুৰোধ কৰিছো ফাইভটো আকৌ কোঠাৰী আয়োগৰে আহিছে। ক, খ, প্ৰথম, দ্বিতীয়, তৃতীয় এইয়েই ফাইভ। গতিকে এই ফাইভটোতআপুনি গুৰুত্ব দিব বুলি মই অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো, ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, শ্ৰী ভৰত চন্দ্ৰ নৰহ।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** চাৰ , Speaker initiative ত ৰাষ্ট্ৰীয় শিক্ষানীতিৰ ওপৰত আলোচনা কৰাৰ সুবিধা দিয়াৰ কাৰণে আমি আপোনাক ধন্যবাদ জনাইছো। ৰাষ্ট্ৰীয় শিক্ষানীতিৰ ওপৰত আপোনাৰ initiative ত আমাৰ আলোচনা ইতিমধ্যে হৈছে। ৰাষ্ট্ৰীয় শিক্ষানীতিৰ ওপৰত সকলোৰে ইতিমধ্যে গম পাইছে যে ৫+৩+৩+৪। কিন্তু চাৰ, implementation টো কেনেকৈ হ'ব গোটেই বিষয়টো তাৰ ওপৰতে নিৰ্ভৰ কৰিব। যেতিয়া নীতি আয়োগে sustainable development goals, 2013 তাৰে ১৬ টা টাৰ্গেট দি যেতিয়া ঘোষণা কৰিলে যে সকলো

ৰাজ্যই এইটো follow কৰিব চাগে, তেতিয়া অসমেই আছিল প্ৰথম ৰাজ্য যে আমি এইটো কাৰ্য্যকৰী কৰিম। তেতিয়া টাৰ্গেটবিলাক fulfil কৰাৰ কাৰণে লগে লগে মিটিং পাতি Administrative Building ত বোধ হয় department এটাও খুলিলে। জিলাই জিলাই এইবিলাক তেওঁলোকে মনিটৰ কৰিব, চোৱা-চিতা কৰিব। কিন্তু যেতিয়া দুবছৰ মানৰ পিছত নীতি আয়োগে ৰেটিংটো দেখুৱালে প্ৰতিটো টাৰ্গেটত অসম পিচপৰি গ'ল। সেইকাৰণে গোটেই বস্তুটো implementation ৰ ওপৰতে নিৰ্ভৰ কৰিব, শিক্ষানীতিটো কি আমি গম পাই গৈছো। ৰাষ্ট্ৰীয় শিক্ষানীতিটো যেতিয়া ঘোষণা কৰিছিলে, বোধহয় ২৯ জুলাই, ২০২০চনত,তেতিয়া আমাৰ মাননীয় মুখ্যমন্ত্ৰী শিক্ষামন্ত্ৰী আছিল। লগে লগে তেওঁ ঘোষণা কৰিলে (মই যিমান দূৰ জানো ৮ টা কমিটী বনাইছিলে, প্ৰিন্সিপাল সকলক সভাপতি বনাইছিলে। এখন কমিটীত বোধহয় পাণ্ডু কলেজৰ প্ৰিন্সিপালো আছিলে। কিন্তু এই ৮ টা কমিটীৰ ৰিপোৰ্টতো কি হ'ল আমি গ'ম নাপালো, বা এইটো প্ৰকাশ হোৱা নাই। এইটো যদি পাৰে আমাৰ এছেম্বলিত দিলে ভাল হয়। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় প্ৰধান মন্ত্ৰীয়ে গভৰ্নৰ সকলক লৈ এখন সন্মিলন পাতিছিলে যে ৰাষ্ট্ৰীয় শিক্ষানীতি কেনেকৈ ৰূপায়ণ কৰিব, road map কেনেকৈ বনাব ? তাত অসমৰ মাননীয় গভৰ্নৰো গৈছিলে আৰু অসমৰ road map কেনেকৈ বনাব ইয়াৰ ওপৰত তেখেতে বক্তব্য ৰখাৰ উপৰিও তাত কেইবাটাও প্ৰস্তাৱ ৰাখিছিলে। যোৱা আগষ্ট মাহৰ অধিৰেশনত মই এই কথাটো উলিয়াইছিলো আৰু এই বিষয়ত অসম চৰকাৰৰ ষ্টেণ্ড কি ? সুধিছিলো Governor য়ে কৰা প্ৰস্তাৱত অসম চৰকাৰ তথা শিক্ষা বিভাগে কি পদক্ষেপ গ্ৰহণ কৰিছে? মাননীয় মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীয়ে কৈছে যে আমি পঞ্চম শ্ৰেনীলৈকে শিক্ষাৰ মাধ্যম মাতৃভাষাত কৰিম। মই যোৱাবাৰ মিটিঙত কৈছিলো মিচিং, ৰাভা, দেউৰী, তিৱা তেওঁলোকক পঞ্চম শ্ৰেনীলৈকে মাতৃভাষাত শিক্ষা দিব লাগে। এইটো New Education Policy ত আছে। অকল পলিচিতে নহয়, Right to education, 2009 Act, তাতো Chapter V Clause 29 (A) ত এই কথাটো স্পষ্ট লিখা আছে। আমাৰ ভাৰতীয় সংবিধানৰ Article - 350 (A) টো লিখা আছে যে প্ৰাথমিক পৰ্যায়ত মাতৃভাষাত শিক্ষা দিব লাগে, কিন্তু আপোনালোকে এইটো কৰিবৰ কাৰণে Cabinet memorandum বনালেনে নাই ? Cabinet ত approval কৰিলে নে নাই ? পশ্চিমবংগ চৰকাৰে দুবছৰ আগতে চাৰ্ভে কৰি কোচ ৰাজবংশীৰ ১০৯ খন স্কুলত শিক্ষাৰ মাধ্যম তেওঁলোকৰ ভাষাত হ'ব লাগে বুলি Notification উলিয়াই দিছে। Press conference ত মুখেৰে কৈ থকা আৰু implementation কৰা দুটা কথা। এতিয়া implementation টো হ'ব নে নহয় ? আজি বিশেষকৈ শিক্ষা মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে আপুনি এইটো implementation কৰিব পাৰিব, কিয়নো এই ক্ষেত্ৰত massive structural change ৰ প্ৰয়োজন আছে। হাইস্কুল বিলাকক হাইয়াৰ চেকেণ্ডাৰীলৈ আনিব লাগিব, Junior College ৰ পৰা একাদশ আৰু দ্বাদশ শ্ৰেনীটো হাইস্কুললৈ আনিব লাগিব। অসমত বহুত হাইস্কুল আছে, আপুনি তাত একাদশ আৰু দ্বাদশ শ্ৰেনীটো বঢ়াবৰ কাৰণে যথেষ্ট সংখ্যক টকা খৰচ কৰিব লাগিব। আপোনাৰ বাজেটত কিমান টকা আছে, যি কোনো এটা project বা policy ল'লে তাত বাজেটতো প্ৰধান বস্তু। এতিয়া ২০২১-২২ ৰ অসমৰ বাজেটত শিক্ষা বিভাগত কিমান টকা দিছে? ১৯.২ শতাংশ দিছে। এই যে ১৯.২ শতাংশ বাজেটত দিয়া টকা বেচি সংখ্যক টকা মাষ্টৰৰ salary ৰ টকা আৰু বেচি সংখ্যক টকা Mid-day-Meal ৰ পইচা, তাত স্কুলৰ Class-room, Additional class-room ৰ construction ৰ কাম কৰিবৰ বাবে বহুত পইচা কম আছে। সেই গতিকে আপুনি মুখ্যমন্ত্ৰীৰ লগত

কথা পাতিব লাগে যে ইয়াৰ বাজেটতো কি হ'ব ? মই অনুমান কৰিব পৰা নাই, এই ৰাষ্ট্ৰীয় শিক্ষানীতিৰ ক্ষেত্ৰত 'ভাৰত চৰকাৰে' কিমান টকা Contribution কৰিব? প্ৰধান কথা হ'ল বাজেট। দিল্লীত Education বাজেট হ'ল ২৬ শতাংশ, ২৫, ২৬ শতাংশ তেওঁলোকে ৰাখিছে। এতিয়া আমাৰ অসমত Gross enrollment ratio, Elementary Education, Secondary Education, Higher Education ত অন্য ৰাজ্যতকৈ বহুত ক'ম, বিশেষকৈ দিল্লীত কৈ কম। অৱশ্যে কিছুমান ৰাজ্যত কৈ অলপ বেছি আছে আৰু Teacher ratio ও আমাৰ কম আছে। শিক্ষকৰ খালী পদ মাত্ৰ ২০ শতাংশহে আছে।

স্কুলৰ আন্তঃগাঁথনি আৰু facility ৰ ক্ষেত্ৰত অসমৰ ৩৮ শতাংশহে মাত্ৰ। দিল্লীত ৯৯ শতাংশ, গোৱাত ৯০ শতাংশ। ঠিক তেনেকৈ স্কুলৰ Electricity ৰ connection ত অসমৰ অৱস্থান ২৪ শতাংশ । অন্যহাতেদি, দিল্লী, গুজৰাট আৰু গোৱাত ১০০ শতাংশ স্কুলৰ লগত Electricity ৰ connection. স্কুল with Library ৰ ক্ষেত্ৰত অসম মাত্ৰ ৬২ শতাংশ। দিল্লী ৯৮ শতাংশ, গোৱাট ৯৯ শতাংশ, গুজৰাটত ৯৫ শতাংশ, হাৰিয়ানাত ৯৭ শতাংশ।

স্কুল with computer ৰ ক্ষেত্ৰত অসমৰ পজিচন ৪ শতাংশ। আনকি দিল্লী ৬৮ শতাংশ, কেৰেলা ৭০ শতাংশ, এই কথা বিলাক বাজেটৰ ওপৰতহে নিৰ্ভৰশীল, আপোনাৰ ওপৰত নিৰ্ভৰ নকৰে । নিজৰ মাধ্যমত শিক্ষা দিয়াৰ কাৰণে আপুনি বাজেটৰ ব্যৱস্থা কৰক, কেবিনেটত এপ্ৰোভ কৰক ৰাজ্যপালৰ নটিফিকেশ্যনটো সোনকালে কৰক। এই ৰেকৰ্ড নিশ্চয় আপোনালোকৰ ওচৰত নিশ্চয় আছেই। ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ আপোনালোকে মাথো ৰঙা কাৰ্পেটটো দেখুৱাইছে কিন্তু এই ৰঙা কাৰ্পেটৰ তলত কি আছে এইটো মানুহে দেখা নাই। আজি ৰাইজে সন্দেহ কৰিছে যে ৰাষ্ট্ৰীয় শিক্ষানীতিৰ পিছফালে কি আছে? বাণিজ্যকৰণ, ব্যক্তিগতকৰণ। শিক্ষাটো ৰাষ্ট্ৰই নিয়ন্ত্ৰণ কৰিব লাগে। চৰকাৰী স্কুল বিলাকৰ আন্তঃগাঁথনি চৰকাৰে নিৰ্মাণ কৰে ৰাষ্ট্ৰৰ পইচাৰে আৰু গোটেই খৰচটো ৰাষ্ট্ৰই বহন কৰিব লাগে। কিন্তু ৰাষ্ট্ৰই লাহে লাহে মানে চৰকাৰে ইয়াৰ পৰা আঁতৰি আহিব বিচাৰিছে আৰু তাৰপিছত ব্যক্তিগত কৰণ, বাণিজ্যকৰণ কৰিব বিচাৰিছে। যাৰ ফলত কেন্দ্ৰীয় চৰকাৰে মাজতে এশ খন বিদেশী ইউনিৰ্ভাচিটিৰ ইণ্ডিয়াত কেম্পাচ খুলিবৰ কাৰণে পাৰমিশ্যন দিছে। আপোনালোকে যে নতুন শিক্ষা নীতিৰ ওপৰত দুখন কনফাৰেন্স পাতিলে তাত আপোনালোকে য'ত বহিছিলে তাৰ বেক চাইডে কি লিখা আছিলে? Education Department and Shankardev Education and Research Foundation. য'ত চেৱা থাকিব লাগিছিল, এন চি আৰ থাকিব লাগিছিল। যে আপোনালোকে Education Department and Shankardev Education and Research Foundation. ক লগত লৈছে। যিটো এটা প্ৰাইভেট অনুষ্ঠান। সেইকাৰণে আপোনালোকে লাহে লাহে চৰকাৰে শিক্ষা বিভাগটোৰ পৰা নিজৰ দায়িত্ব এৰুৱাই পেলাব বিচাৰিছে। আজি ৰাষ্ট্ৰীয় শিক্ষা নীতি নিয়োগ কৰিবলৈ ওলাইছে। মাননীয় অধ্যক্ষ মহোদয়, আপুনি জানে যে তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা বেৰ্নাজীয়ে ৱেষ্ট বেংগলত ক্ষমতালৈ অহাৰ আগতে তিনিটা শ্লোগান উলিয়াইছিল - "মা, মাটি আৰু মানুষ"। সেইটোক ফল' কৰি এ জি পি য়ে ২০১৬ চনত ক'লে "জাতি, মাটি, ভেটি"। আজি ৰাষ্ট্ৰীয় নাগৰিক সংশোধনী আইনখন বি জে পি চৰকাৰে সমৰ্থন কৰিলে। আগৰ মুখ্যমন্ত্ৰী মাননীয় শ্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়াই আইন এখন আনি এ পি এ চি ত অসমীয়া ভাষাতো বাধ্যতামূলক পৰীক্ষা কৰিব বিচাৰিছিলে, এখন পেপাৰ বনাব বিচাৰিছিল। আপোনালোকে বঙাইগাওঁত অনুষ্ঠিত কেবিনেট বৈঠকত এইটো উইড্ৰ কৰিলে আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই গুৱাহাটীত প্ৰেচ কনফাৰেন্সত

ক'লে যে ইংৰাজী পঢ়া ল'ৰা-ছোৱালীৰ অসুবিধাৰ বাবে মই এই পেপাৰটো উইড্ৰ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ দহ মিনিট হৈ গ'ল আৰু বহু কেইজন গৰাকীয়ে ক'বলৈ আছে।

**শ্ৰীভৰত নৰহ (নাওঁবৈচা) ঃ** মই মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে মাজতে আৰু আগতে 16 annual status of Education Report Rural এইটো ওলাই গৈছে। তাৰমতে আমাৰ ৬ বছৰৰ পৰা ১৪ বছৰৰ যিবিলাক ল'ৰাৰ চৰকাৰী স্কুলত enrollment declined হৈ গৈছে। ২০১৬ চনত ৬৮ শতাংশ আছিল আৰু এতিয়া ২০২০ চনত ৬৪.৪ লৈ নামি গৈছে। সেইকাৰণে ৰাষ্ট্ৰীয় শিক্ষা নীতিত প্ৰধানকৈ মই বাজেটৰ কথা কৈছো। আমি মাননীয় শিক্ষামন্ত্ৰী মহোদয় ডাঙৰীয়াই ৰিপ্লাই দিওঁতে এইটো কথাত অলপ বুজাই দিলে ভাল হয় যে Multi Disciplinary Autonomous College এইটো কেনেকুৱা হ'ব য'ত ৩০০০ ছাত্ৰ-ছাত্ৰী লাগিব বুলি কৈছে। ৩০০০ ছাত্ৰ-ছাত্ৰী নহ'লে কি হ'ব? Cluster of University যে এখন University যদি অকলে থিয় হ'ব নোৱাৰে তেতিয়া ছয়-সাতখন University ক লৈ এখন Cluster University হ'ব বুলি কৈছে। এতিয়া Cluster of University হ'ব নে Cluster of Colleges হ'ব সেই কথাটো আপুনি আপোনাৰ উত্তৰত বুজাই দিলে ভাল হয় আৰু মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ে Academic Bank of Credit(ABC) যিটো ৰাষ্ট্ৰীয় শিক্ষানীতিৰ এটা পাৰ্ট ঘোষণা কৰিলে। চাবজেক্ট বিলাকৰ নম্বৰ থাকিব যেনে - মেইন চাবজেক্টৰ নম্বৰ থাকিব, ঐচ্চিক বিষয়টোৰ নম্বৰ থাকিব, অতিৰিক্ত বিষয়টোৰ বেলেগ হ'ব। এইবিষয়ে ও আপুনি অলপ বহলাই ক'বলৈ অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী ৰফিকুল ইছলাম।

**শ্ৰী ৰফিকুল ইছলাম (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাক এই বিষয়ে দুআষাৰ কোৱাৰ সুযোগ দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। নতুন শিক্ষানীতি আৰু ইয়াৰ আগৰ যিটো আমাৰ ১৯৮৬ চনৰ শিক্ষানীতি আছিল, ৩৪ বছৰ পিছত নতুন পলিচী আহিছে। কম্পেৰেটিভ ষ্টাডী যদি কৰা হয়, ইয়াত মেৰিট-ডিমেৰিট দুয়োটাই আছে। পাঁচমিনিট সময়ত এই বিষয়ত গোটেইখিনি উনুকিওৱাটো সম্ভৱ নহয়। 5+3+3+4 যি আছে, ইতিমধ্যে ফাইভলৈকে আলোচনা হৈছে। 1-2 আৰু ইয়াৰ আগৰ তিনিবছৰ, মুঠতে পাঁচ বছৰ যদি আপুনি এই পাঁচবছৰ অংগনবাড়ী চেণ্টাৰত পঢ়ায় এইখিনি infrastructure আমাৰ হাতত নাই। পাঁচ বছৰ যদি অংগনবাড়ী কেন্দ্ৰত পঢ়াবলগীয়া হয় class 1,2,3 মানে class 1,2 আৰু 1 ৰ আগত 3 এই তিনি বছৰ মুঠ পাঁচ বছৰ তাত নে শিক্ষক আছে, নেপঢ়াৰ infrastructure আছে। More then 50% অংগনবাড়ী চেণ্টাৰ মানুহৰ ঘৰৰ আশে-পাশে আছে। এইখিনি মই ভাৱো মাননীয় মন্ত্ৰী মহোদয়ে ক্লিয়াৰ কৰিব আৰু যদি কোৱা হয় প্ৰাইমাৰী স্কুলত হ'ব। ফাইভ লৈকে প্ৰাইমাৰীত থাকিব আৰু ইয়াৰ পিচত মিড'ল এডুকেশ্যনত যাব। যদি প্ৰাইমাৰীতে পঢ়ায় তেতিয়াহ'লে অংগনবাড়ী চেণ্টাৰৰ কি কাম হ'ব? মাননীয় মন্ত্ৰী মহোদয়ে এইখিনি ক্লিয়াৰ কৰিলে ভাল হ'ব। মাননীয় অধ্যক্ষ মহোদয়, নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি আমি অসমে ইতিমধ্যে এড'প্ত কৰিছো। এতিয়া ইম্পলিমেণ্টেশ্যনৰ কাৰণে প্ৰস্তুতি লৈ আছে। মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে ২০২৩ চনৰ পৰা লাহে লাহে আৰম্ভ কৰিব। ইয়াত এটা ভাল দিশ আছে যে প্ৰাইমাৰী শিক্ষা আমাৰ স্থানীয় ভাষাত আৰু মাতৃভাষাত হ'ব। এই কথাটো খুব ভাল যদিও ইমান সহজ নহয়। বৰ্তমান অসমত তিনিটা ভাষাৰ কিতাপ-পত্ৰ চৰকাৰী ভাৱে চাপ্পাই দিয়া হয়। অসমীয়া, বড়ো আৰু বেংগলী। এই তিনিটা মাধ্যমৰ কিতাপ পাবলিছ কৰি স্কুল সমূহত পঠাই দিওঁতে আমি লক্ষ্য কৰো যে প্ৰায় প্ৰত্যেক বছৰতে দুমাহ-তিনিমাহ দেৰি হয়।

এতিয়া স্থানীয় ভাষাত প্ৰাইমাৰী শিক্ষা যেতিয়া আমি দিবলৈ যাম, মই ক'ব নোৱাৰো কিমান সংখ্যক ভাষাত এইখিনি হ'ব, পঁচিশ-ত্ৰিশৰ কমতটো নিশ্চয় নহ'ব। আমাৰ অসমত অসমীয়া, মিচিং, দেউৰী, গাৰো, ৰাভা, বঙালী, বড়ো, হিন্দী ইত্যাদি কৰি বহুত ভাষা আছে। মিয়া ভাষাটোৰ কথাটো আমি নকওঁৱেই। অসমীয়াই আমি, ৮০ লাখ মানুহৰ ল'ৰা-ছোৱালীলাটো অসমীয়াতে পঢ়িব। গতিকে এই ২৫-৩০ টা ভাষাত মাতৃভাষাত প্ৰাইমাৰী লেভেলত কিতাপ অনুবাদ কৰি সময়মতে কিতাপ-পত্ৰ যোগান ধৰি স্কুলত পঢ়োৱাটো ইমান সহজ নহয়। গতিকে এইটো এটা বহুত ডাঙৰ প্ৰত্যাহ্বান। কৰিব পাৰিলে বহুত ভাল। মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে নিশ্চয় এই কথাটো অনুধাৱন কৰিব পাৰিছে। He is a man of possitive.তেখেতে নিশ্চয় চেষ্টা কৰিব। কিন্তু আমাৰ যিটো চীষ্টেম, আমি কেনেকৈ চলিছো, আমাৰ কাম বিলাক কেনেকৈ হৈছে মাননীয় অধ্যক্ষ মহোদয়। যোৱা ২০১১ চনৰ পৰা আজিলৈকে আমি বিধান সভাত কৈ আছো টিছাৰ আৰু ষ্টুডেণ্টৰ অনুপাতৰ কথাটো পাতি আছো যিটো হৈছে 30ঃ1 যিটোৰ ৰেচ'জাইনেলাইজেশ্যন আজিলৈকে হোৱা নাই। যিটো বস্তু হোৱাটো মন্ত্ৰী মহোদয়ে বিচাৰে কিন্তু পৰা নাই, যাৰ বাবে আজিও কিছুমান বিদ্যালয়ত ৫ জন শিক্ষক আৰু ৫ জন ছাত্ৰ আছে আৰু ২০০ জন ছাত্ৰ থকা স্কুলত এজন শিক্ষকে পঢ়াই আছে। মন্ত্ৰী মহোদয়ে নিশ্চয় বিচাৰে যে এনেকুৱা স্কুল বিলাক ৰেচ'নৈলাইজড কৰি সকলোবোৰ ঠিক-ঠাক কৰিম। কিন্তু আগতেও আমি বহুত মখ্যমন্ত্ৰী, শিক্ষামন্ত্ৰী আছিল তেখেত সকলেও এইবিলাক কৰিবলৈ চেষ্টা কৰি অলপ কৰিব পাৰিছে বাকীখিনি কৰিব নোৱাৰিলে। আমাৰ স্কুল, কলেজ, বিশ্ববিদ্যালয় বোৰত বহুত পদ খালী আছে। বিশ্ববিদ্যালয়ত এটা বিভাগত কমেও সাত জন ফেকাল্টী লাগে। আজি যদি গুৱাহাটী বিশ্ববিদ্যালয়ক আমি চাওঁ, গুৱাহাটী বিশ্ববিদ্যালয়ত অধিক সংখ্যক বিভাগ আছে, যিবোৰ তিনি ৰ পৰা পাঁচজন শিক্ষকৰ দ্বাৰা চলি আছে। বাকী নতুন বিশ্ববিদ্যালয়ৰ কথাটো মই কোৱা নাই। আজি আপুনি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যদি নাম লয় , ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ মুখ্যমন্ত্ৰী হৈ গৈছে, এতিয়াৰ অধিক সংখ্যক বিধায়ক কিজানি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পঢ়া। কিন্তু মই কালি এটা ৰিপোৰ্টত চালো ডিব্ৰুগড় বিশ্ববিদ্যালয়ত মাত্ৰ ১৬ টা বিভাগ আছে আৰু ১৭ টা কেন্দ্ৰ চলি আছে। মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰ ডিপাৰ্টমেণ্ট নহয়। ডিপাৰ্টমেণ্ট সমূহত ল'ৰা-ছোৱালীয়ে ফীজ দি , এতিয়াটো ফীজ নাই। কিন্তু কেন্দ্ৰ বিলাকত ধন দি এডমিশ্যন ল'বলগীয়া হয়। সেই শিক্ষক সকলে পূৰা দৰমহা ও নাপায়। আজি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কথাটো তাৰ আগৰ ষ্টুডেণ্ট বিধায়ক সকলে কোনোদিন কোৱা নাই। আমি লাজ পাইছো যে ইমান পুৰণি বিশ্ববিদ্যালয় কিন্তু মাত্ৰ ১৬ টা বিভাগ আৰু ১৭ টা কেন্দ্ৰ চলে, যিটো ফুল ফ্লেজড চৰকাৰৰ আণ্ডাৰত নহয়, সুবিধাখিনি নাপায়। শিক্ষক,ছাত্ৰ-ছাত্ৰীয়ে চাফাৰ কৰি আছে। মাননীয় অধ্যক্ষ মহোদয়, ভট্ট দেৱ বিশ্ববিদ্যালয়, বজালী, বৰপেটা, হোজাইৰ বিশ্ববিদ্যালয়ে কওঁক, অন্য অন্য কটন বিশ্ববিদ্যালয়ে কওঁক, Newly Provincialised College বিলাক আমাৰ হ'ল। তাতে একোটা কলেজত মোৰ বিবি কলেজ লাংলা। মোৰ শংকৰ মাধৱ কলেজ ভাতকুছী। এই বিলাকত ১০ পৰা ১২ টা মান পোষ্ট হৈছে। এটা কলেজ ১০/১৫ জন শিক্ষকেৰে নচলে। কমেও ৩০/৪০ বা ৫০ জন শিক্ষক লাগে। এই কলেজ বিলাক কেনেকৈ চলি আছে আজি বছৰ বছৰ ছাত্ৰ-ছাত্ৰী সকলে ভুগি আছে। যি বিলাকৰ শিক্ষকৰ পোষ্ট হোৱা নাই, ইচ্ছা গলে আহিছে, ইচ্ছা গলেই অহা নাই। এই কাম বিলাক শিক্ষা মন্ত্ৰী মহোদয়ে বিচাৰে কিন্তু কৰিব পৰা নাই, যিটো তাৰম্বিত হ'ব লাগে সমস্যা বিলাক সমাধান কৰাৰ বাবে শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত। ৪০ হাজাৰ টেট উত্তীৰ্ণ শিক্ষক আছে, ৰিজাল্ট হৈ গ'ল কিন্তু এসপ্তাসৰ ভিতৰত দিব পাৰে ক'ক ক'ত পোষ্ট খালী আছে, নিশ্চয়

শিক্ষামন্ত্ৰীয়ে বিচাৰে কিন্তু মাননীয় মুখ্যমন্ত্ৰীয়ে এই কথাটো চিন্তা কৰিব লাগিব। চৰকাৰে এই কথা বিলাক চিন্তা কৰিব লাগিব। আমাৰ যি বিশ্ববিদ্যালয়লৈ শিক্ষকৰ অভাৱ,বাকী যি infrastructure ৰ অভাৱ, এইখিনি পূৰণ নকৰি আমি যিমানে নতুন শিক্ষানীতি গ্ৰহণ নকৰো কিয় এই বিলাক সম্ভৱ নহয়। একাদশ দ্বাদশৰ কলা, বাণিজ্য আৰু বিজ্ঞান একেলগে বহুত ভাল UK কৰি আছে, US য়ে কৰি আছে, আমি কিয় নকৰিম। কিন্তু এনেকুৱা হ'ব নালাগে কাউৰীৰ নিচিনা দেখি, হাহে যদি তেনেকুৱাকৈ খোজ কাঢ়িব বিচাৰে আমি নিজৰ চাটো পাহৰিম যাম। আমাৰ ওচৰত শিক্ষক আছে নে নাই? বাজেটত সংলগ্ন আছে নে নাই? এই কথাখিনি যদি নহয় মাননীয় শিক্ষামন্ত্ৰীয়ে নোৱাৰে। নতুন শিক্ষানীতি কৰাৰ আগতে সমস্যা বিলাক সমধান কৰি লৈ আমি যাতে আৰম্ভ কৰো, তাৰ পিছত হে আমি সফলতা লাভ কৰিম। নহ'লে আধাবাটতে যাতে থমকি ৰ'ব লগীয়া নহয়। ভেন্সাৰ স্কুলৰ শিক্ষক, ছাত্ৰ-ছাত্ৰী এই বিলাকৰ সমস্যাও সদায় শিক্ষামন্ত্ৰীৰ মহোদয়ৰ আহে। Act টো Implement কৰি সেই সকলৰো যাতে শিক্ষামন্ত্ৰীয়ে বিবেচনা কৰে। Act সংশোধন কৰি সেই ভেন্সাৰৰ শিক্ষক বিলাকক ব্যৱস্থা কৰে। এইখিনি আবেদন ৰাখি শেষ কৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** নতুন শিক্ষানীতিক লৈ আলোচনা কৰি আছো, ইয়াত যাতে কোনো কাজিয়া হ'ব নালাগে। আপোনালোকে উপদেশ দিয়ক। আক্ৰমন নহয়। শ্ৰী হেমাঙ্গ ঠাকুৰীয়া।

**শ্ৰী হেমাঙ্গ ঠাকুৰীয়া (পলাশবাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ভাবো নতুন শিক্ষানীতিটো চৰকাৰৰ এটা যুগান্তকাৰী সিদ্ধান্ত। এই নতুন শিক্ষানীতিয়ে ভাৰতবৰ্ষ উন্নতিৰ দিশত আগবঢ়াই লৈ যাব। কিয়নো আমাৰ যি আগৰ শিক্ষানীতি আছিলে ৩৪ বছৰ হৈছিল। ১৯৮৬ ত Adopt কৰা হৈছিলে আৰু ইতিমধ্যে যথেষ্ট যিবিলাক আমাৰ শিক্ষাবিদ আছিলে সেই শিক্ষাবিদ বিলাকে আগতে বহু আগৰ পৰাই কৈ আহিছিলে যে, নতুন শিক্ষানীতি প্ৰৱৰ্তন কৰি বহুখিনি পৰিৱৰ্তন আনিব লাগে। মই ভাবো আমাৰ মোডী ডাঙৰীয়াৰ চৰকাৰৰ সময়তে আৰম্ভ হৈছে, সেই কাৰণে মই মোডী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো আপোনাৰ জৰিয়তে। এই নতুন শিক্ষানীতিয়ে নিশ্চয়কৈ ভাৰবৰ্ষক এখন শক্তিশালী ৰাষ্ট্ৰক পৰিগণিত কৰাত যথেষ্ট সহায় কৰিব আৰু নতুন দিশত আগবঢ়াই লৈ যাব। অধ্যক্ষ মহোদয়, নতুন শিক্ষানীতিটো ফৰমূলা Adopt কৰা হৈছে 5+3+3+4। এইটো ১৫ বছৰীয়া যি শিক্ষা একাদি ক্ৰমে হ'ব, Up to Higher Secondary লৈ আমাৰ শিক্ষাৰ্থী সকলক যথেষ্ট সহায় কৰিব। কিয়নো দেখা যায় আগতে এটা সময়ত যেতিয়া আমাৰ লৰা-ছোৱালীয়ে মেট্ৰিক দিছিলে, মেট্ৰিকত বহুত সময়ত মেট্ৰিক পাছ কৰিব নোৱাৰে। সেই লৰাজনে যদি কেতিয়াবা দুবাৰ তিনিবাৰ পিছত মেট্ৰিক পাছ কৰি তেখেতে Higher Secondary পঢ়ে। সি কিন্তু Higher Secondary এবাৰতে পাছ কৰে। এনেকুৱা বহুত Record আছে যে, Higher Secondary ত বহুতৰ Dramatic changes যে হয়। নতুন শিক্ষানীতিত একেৰাহে ক্ৰমে যে ২২ বছৰলৈ পঢ়িব। এইটোৱে নিশ্চিয়কৈ আমাৰ শিক্ষাৰ্থী সকলক নিৰ্দিষ্ট ভাবে এটা standard ত Higher Secondary Level লৈ পঢ়িবৰ কাৰণে এটা সুযোগ দিব। প্ৰথম অৱস্থাত বিশেষকৈ আমাৰ গ্ৰাম্য অঞ্চল সমূহত আৰু গোটেই ভাৰতবৰ্ষত যথেষ্ট সংখ্যক অংগনাবাদী কেন্দ্ৰত আৰু তাত আহাৰ দি পেলাই ল'ৰা-ছোৱালীবোৰক ভালকৈ শিক্ষাদান দিয়াৰ ব্যৱস্থা কৰা হয়। ইয়াৰ জৰিয়তে এটা নতুন মানৱ সম্পদ গঢ়াৰ চেষ্টা কৰা হয়। এই ক্ষেত্ৰত এই নতুন শিক্ষানীতিয়ে শিক্ষাদানৰ যি ব্যৱস্থা কৰিব আৰু অংগনাবাদী কেন্দ্ৰবোৰক ল'ৰা-ছোৱালী ৬ বছৰলৈকে শিক্ষাদানৰ ব্যৱস্থা কৰা হব। অংগনাবাদী শিক্ষা গ্ৰহণৰ পৰা প্ৰথম শ্ৰেণীলৈ যি শিক্ষাদানৰ ব্যৱস্থা কৰা হ'ব, তেতিয়াহ'লে নিশ্চিয়কৈ অনাগত দিনবোৰত অংগনাবাদী কেন্দ্ৰবোৰত শিক্ষাদান

কৰা ল'ৰা-ছোৱালীবোৰে যথেষ্ট আগবাঢ়ি যাব পাৰিব। আগতে আমি দেখা পাইছিলো যে আমাৰ বহু অভিভাৱকে তেওঁলোকৰ লৰা-ছোৱালীবোৰক অংগনবাদী কেন্দ্ৰবোৰত পঠায়। মই এই ক্ষেত্ৰত আমাৰ চৰকাৰক ধন্যবাদ জনাব লাগিব কিয়নো আমাৰ অংগনবাদী কেন্দ্ৰ বোৰত ইতিমধ্যে Model অংগনাবাদী কেন্দ্ৰলৈ পৰ্য্যৱেশিত কৰাৰ কাৰণে ইতিমধ্যে ব্যৱস্থা গৰিহণ কৰিছে। এইটোৱে নিশ্চয়কৈ আমাৰ অংগনবাদী কেন্দ্ৰবোৰক শিক্ষাদান দিয়া লৰা-ছোৱালী বোৰক ভৱিষ্যতলৈ সু-নাগৰিক হিচাবে গঢ়ি তোলাত যথেষ্ঠ অৰিহণা যোগাব। মই কেৱল এটা পৰামৰ্শ হে মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক দিব বিচাৰিছো যে, আমাৰ নতুন শিক্ষানীতিত marking যিটো ব্যৱস্থা আছে, সেইটো যদি অলপ সহজ কৰা হয় তেতিয়া হলে আমাৰ শিক্ষাৰ্থী সকল উপকৃত হ'ব পাৰিব। কাৰণ এই শিক্ষানীতিত যিটো Grade দিয়াৰ ব্যৱস্থা আছে, সেইটো যদি সহজ কৰা হয় তাৰ ওপৰত মই মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক দৃষ্টিগোচৰ দিবৰ কাৰণে অনুৰোধ কৰিলো। নতুন শিক্ষানীতিত বিদেশী স্কুল সমূহত দেখা যায় যে, তাত Extra Curriculum activities বোৰ অন্তৰ্ভূক্ত কৰা হয় আৰু ইয়াৰ লগে লগে professional যিবোৰ Study থাকে সেইবোৰ স্কুল লেভেলতে লৰা-ছোৱালী বোৰকে দিয়া হয়। কিন্তু সেই নীতিটো আমাৰ স্কুলবোৰত এতিয়ালৈকে প্ৰৱৰ্তন কৰা হোৱা নাই। মই আশা কৰিছো যাতে আমাৰ এই নতুন শিক্ষানীতিত Professional study টো যাতে অন্তৰ্ভূক্ত হয়। যদিও এই Study টো এই নতুন শিক্ষানীতিত আছে নে নাই মই ভালকৈ নাজানো আৰু এই ক্ষেত্ৰত যাতে মাননীয় শিক্ষা Curriculum activities stream এই দুটা নতুন শিক্ষানীতিত যাতে অন্তৰ্ভূক্ত হয়, তাৰ বাবে মই অনুৰোধ কৰিলো। ইয়াৰ উপৰিও আমাৰ যিটো Class vi ৰ পৰা লৈ বাধ্যতামূলক কৰাৰ যি ব্যৱস্থা লৈছে, এইটো এটা অতি গুৰুত্বপূৰ্ণ পদক্ষেপ। মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে অন্য ৰাজ্যবোৰত 366 Degree ৰ এটা Process Card introduced কৰা হৈছে। যাৰ ফলত লৰা-ছোৱালীবোৰক Progress টো taking কৰিব পাৰি। সেইটো যাতে আমাৰ অসমতো বলবৎ কৰিব পাৰে। সেইটো মই অনুৰোধ কৰিলো। ২০৪০ চনৰ ভিতৰত আমাৰ Higher Education অনুষ্ঠান বিলাক Multi Disciplinary Establishment হিচাবে গঢ়ি তোলাৰ বাবে চৰকাৰে যিটো ব্যৱস্থা গ্ৰহণ কৰিছে সেইটো অতি গুৰুত্বপূৰ্ণ বিষয়। মই ভাবো ২০৩০ চনৰ ভিতৰত আমাৰ অতি কমেও এখন Enormious Multi Disciplinary কলেজ প্ৰত্যকটো অঞ্চলত প্ৰতিষ্ঠা কৰাৰ যিটো ব্যৱস্থা গ্ৰহণ কৰিছে সেইটো নিশ্চয় কৈ আদৰণিয় পদক্ষেপ। কিয়নো এইটোৰ জৰিয়তে আমাৰ উচ্চ শিক্ষাৰ কাৰণে ল'ৰা-ছোৱালীৰ সংখ্যাটো বঢ়োৱাব। বহুতে বহু দূৰলৈ যাবলগীয়া হোৱা কাৰণে উচ্চ শিক্ষাটো গ্ৰহণ কৰিব নোৱাৰে। গতিকে এইটোৰ ক্ষেত্ৰতো চৰকাৰৰ এটা গুৰুত্বপূৰ্ণ পদক্ষেপ। মই আৰু এটা কথা মাননীয় মন্ত্ৰী মহোদয়ক দৃষ্টিগোচৰ কৰিব বিচাৰিছো যে, আমাৰ এটা সময়ত Higher Secondary ৰ পিছত যিটো ডিগ্ৰী থাকে বা যিটো Higher Studies থাকে, এই ক্ষেত্ৰত নতুন শিক্ষা নীতিত 4+1 কৰিব বিচৰা হৈছে। কিন্তু 4+1 কৰিলে এটা technical problem আহিব পাৰে। মই মাননীয় মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে দৃষ্টিগোচৰ কৰিবলৈ বিচাৰিছোঁ যে যিটো ৪ ৰ কৰা, তেতিয়া কি হয়, আগৰ যিটো পুৰনি ৩ ২ আছে, যিটো graduation ৩ বছৰ থাকে, master degree ২ বছৰ থাকে। যিবিলাক ছাত্ৰ-ছাত্ৰীয়ে Geology পঢ়ি graduation কৰিছে, তাৰ সিহঁতে professor ৰ course কৰে। যেনেকৈ MBA (Master of Busi-

ness Admission) course আছে, সেই course টো বহুতে graduation নকৰে। কিন্তু যিবিলাকে B.Sc বা BA কৰি পেলাই, যিবিলাকে master degree, MBA কৰিব, তেওঁলোকৰ ক্ষেত্ৰত সমস্যা আহিব পাৰে, যদি ৪ ১ কৰা হয়, যদি ১ বছৰতে তেওঁলোকে master degree কৰিব লগীয়া হয়। সেই কাৰণে Geology বা Botany ৰ ছাত্ৰ-ছাত্ৰীয়েও Bio-technology ৰ master degree কৰে। Bio-technology ৰ totally এটা বেলেগ system, technical এটা course যিটো নেকি Geology আৰু Botany ছাত্ৰ-ছাত্ৰীবিলাকে কৰিব লগীয়া হয়। সেইটোও যদি 4+1 কৰা হয়, master degree টো Geology বা Botany ৰ ক্ষেত্ৰত ৰ বছৰত সম্পূৰ্ণ কৰিব নোৱাৰে। গতিকে মই মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে দৃষ্টিগোচৰ কৰিলোঁ। মুঠৰ ওচৰত যিটো নতুন শিক্ষা নীতি আহিছে, সেই নতুন শিক্ষা নীতিটোক আমি অন্তত্য স্বাগতম জনাব লাগে আৰু বিশেষকৈ আমি এটা গ্ৰমেটিক পৰিবৰ্তন দেখিছো, মোৰ নিজৰ সমষ্টি পলাশবাৰীত দেখিছো যে ২০১৬ চনৰ পৰা চৰকাৰী স্কুলবিলাক enrollment যথেষ্টখিনি বাঢ়িছে। মই অসমৰ মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰী মহোদয়ৰ ওপৰত আমাৰ যথেষ্টা আশা আছে যে তেওঁলোকে নতুন শিক্ষা নীতিটো বলবৎ কৰিবৰ কাৰণে যিখিনি প্ৰস্তুতি কৰিব লাগে নিশ্চয়কৈ কৰিব আৰু মই আশা ৰাখিছো অসম তথা ভাৰতবৰ্ষত এটা নতুন দিগন্তলৈ আগবঢ়াই লৈ যাব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰীৰকিবুল হুছেইন।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি আপোনাৰ উদ্দ্যেগ শিতানত যি নতুন শিক্ষা নীতিৰ ওপৰত আলোচনা হৈছে, মই ভাৱো যে এই কথাখিনি অতি গুৰুত্বপূৰ্ণ। এই আলোচনাৰ জৰিয়তে চৰকাৰখনে যেনেদৰে আগবাঢ়িব বিচাৰিছে, সেই ক্ষেত্ৰত যথেষ্ট সহায়ক হ'ব। এই ক্ষেত্ৰত কম সময়ৰ ভিতৰত গোটেই শিক্ষা নীতিৰ ওপৰত আলোচানা কৰাটো সম্ভৱপৰ নহয়। সেয়ে আপুনি কোৱাৰ কাৰণে মই specific মাত্ৰ এটা বিষয়ৰ ওপৰতে চৰকাৰৰ আলোকপাত কৰিব বিচাৰিছোঁ। চৰকাৰৰ এই গোটেই শিক্ষা নীতিৰ ওপৰত আলোকপাত কৰাতকৈ মই implementation ৰ দুই এটা কথা আপোনাৰ পৰা জানিব বিচাৰিছোঁ।

শিক্ষানীতিত National Edcation Policy 1.7। তাত আছে যে অঙ্গনবাডী কেন্দ্ৰসমূহত পাৰম্ভিক শিশু পৰিচাৰ্য্য আৰু শিক্ষাৰ বাবে উচ্চ মান সম্পন্ন শিক্ষকৰ প্ৰথমটো গোট প্ৰস্তুত কৰিবলৈ SCERT য়ে প্ৰস্তুত কৰি উলিওৱা পাঠ্যক্ৰমৰ পদ্ধতিৰ আধাৰত অঙ্গনবাডী কেন্দ্ৰসমূহত বৰ্তমানৰ কৰ্মী তথা শিক্ষক সকলৰ পদ্ধতিগতভাৱে পৰিসন প্ৰদান কৰি উপযুক্ত কৰি তোলা হ'ব।

উচ্চতৰ মাধ্যমিকত উত্তীৰ্ণ বা তাতোধিক শিক্ষাগত অৰ্হতা সম্পন্ন অঙ্গনবাডীৰ কৰ্মী তথা শিক্ষৰ প্ৰাৰম্ভিক পৰিচৰ্য্যা আৰু শিক্ষাৰ বাবে ৬ মাহত প্ৰশিক্ষণ প্ৰমাণ পত্ৰ দিয়া

হ'ব আৰু যিসকল উচ্চ মাধ্যমিকতকৈ প্ৰাৰম্ভিক পৰিচৰ্য্যা আৰু শিক্ষাৰ বাবে ৬ মাহত প্ৰশিক্ষণ প্ৰমান পত্ৰ দিয়া হ'ব আৰু যিসকল উচ্চ মাধ্যমিকতকৈ তলৰ অৰ্হতা সম্পন্ন, তেওঁলোকক পাৰম্ভিক আখৰ জ্ঞান, সংখ্যা জ্ঞান আৰু অন্যান্য দিশসমূহ সামৰি ৰ বছৰীয়া Diploma পাঠ্যক্ৰম পৰিসৰ দিয়া হ'ব। বৰ্তমান চলি থকা কাৰ্য্যসূচীত কোনো অসুবিধাৰ সৃষ্টি নোহোৱাকৈ পাৰম্ভিক শিক্ষা পৰিচাৰ্য্য আৰু শিক্ষা ব্যৱস্থা কৰা হৈছে।

মই কেৱল 1.7 ৰ কথাটো ক'বলৈ ওলাইছো। কাৰণ বৰ্তমান চৰকাৰখনৰ যিটো লক্ষ্য যে আমি ভাৰতবৰ্ষৰ একেবাৰে উচ্চ শিখৰত আমি ৰাজ্যখন লৈ যাম। তাৰ মানদণ্ড নিশ্চয় শিক্ষা হ'ব। এখন ৰাজ্য, এখন জিলা কিমান আগবঢা, সেইখিনি চাবলৈ আমি বোধহয় শিক্ষাৰ মাণদণ্ডৰে জুখিম। এতিয়া চৰকাৰে খনে যি চিন্তা ধাৰাৰে আগবাঢ়িছে যে আমি ভাৰতবৰ্ষৰ অন্য ৰাজ্যতকৈ আগবাঢ়ি যাম। এই শিক্ষাৰ মাণদণ্ডৰে আমি তাত জুখিব লাগিব। এই ক্ষেত্ৰত মই উচ্চ শিক্ষা, কলেজীয়া শিক্ষা বা বিশ্ববিদ্যায়লয়ৰ শিক্ষাৰ কথা নকৈ, মই কেৱল 1.7 ৰ কথাখিনিকে কব বিচাৰিছোঁ, যিটো একেবাৰে পাৰম্ভিক, য'ত অঙ্গনবাডী চেন্টাৰ সমূহত আমাৰ pre-primary stage ৰ কথা কৈছে যে pre-primary stage ত অঙ্গনবাডী কেন্দ্ৰ বিলাকত ছাত্ৰ-ছাত্ৰীসকলক শিকোৱা হয়। মই implementation ৰ কথা কৈছো, মই কোনো আলোচনা বিলোচনা কৰা নাই। আমি জানিব বিচাৰিছোঁ যে অঙ্গনবাডী চেন্টাৰ বিলাকত কিমান কৰ্মী আছে আৰু সেই সকলক প্ৰশিক্ষণ দিয়া হ'ল ইতিমধ্যে নেকি? সেই খিনিৰ বাবে strategy কি লোৱা হৈছো, এইখিনি basic কথা। কাৰণ গুৰিতে যদি ভালকৈ পঢ়া-শুনা কৰি নাহো আমি secondary বা Higher secondary ত তাৰ ফল নাপাম। আমি দেখিছোঁ প্ৰায় ৬১ হাজাৰ মান অঙ্গনবাডী কৰ্মী আছে (মোৰ হাতত সঠিক তথ্য নাই)। এই কৰ্মীৰ পৰা আমি যদি নতুন শিক্ষা নীতিৰ অনুসৰি কাম আদায় কৰিবলৈ লওঁ, তেতিয়া হলে আমাৰ 1.7 ৰ যিটো National Education Policy নিয়মমতে যদি Higher secondary পাছ হয়, তেতিয়া হলে তেখেতসকলক ৬ মাহত প্ৰশিক্ষণ দিব লাগিব। এতিয়া সেই লোকসকলক ৬ মাহৰ প্ৰশিক্ষণ দিয়া হ'ল নে নাই আৰু যদি Higher secondary পাছ কাৰকৈ তলৰ হয়, তেতিয়া তেওঁলোকক ১ বছৰৰ প্ৰশিক্ষণ দিয়া হ'ব। একেবাৰে positively ৰাজ্যখনৰ গোটেই ভৱিষ্যৎৰ কাৰণে মই কৈ আছো যে এইকামটো ততাতয়াকৈ নকৰি অলপ চিন্তা কৰি এই কামখিনি কৰিলে ভাল হ'ব। এই ক্ষেত্ৰত আমি আপোনাৰ লগত আছো, কাৰণ এই ক্ষেত্ৰত উঠি অহা চামৰ লগত গোটেই অসমৰ ভৱিষ্যৎ জৰিত হৈ আছে। মই চহৰৰ কথা কোৱা নাই, গাঁৱৰ লৰা-ছোৱালীখিনিৰ কথা কৈছো য'ত অঙ্গনবাডীত pre-primary section টোত নতুন শিক্ষা নীতিৰ 1.7 অনুচ্ছেদত লিখা আছে, অঙ্গনবাডী চেন্টাৰ সমূহত শিক্ষাদানটো দিয়া হ'ব। গতিকে এই সকলৰ (৬১ হাজাৰ) প্ৰশিক্ষণৰ কি ব্যৱস্থা লোৱা হৈছে। এতিয়া প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা আছে, কিন্তু সেই প্ৰশিক্ষণ দিয়া হয় Social Welfare Department ৰ জৰিয়তে, এইটো

অকল পুষ্টি সম্পৰ্কীয়। এই পুষ্টি সম্পৰ্কীয় শিক্ষক সকলক আমি যদি National Education Policy ত আধাৰত প্ৰশিক্ষণ দিয়া নহয়, তেতিয়া হলে নতুন প্ৰজন্মৰ লৰা-ছোৱালীক শিকোৱা হয় তেতিয়া হ'লে ভাল ফল নে নাপাম , অকল আপোনালোকে implementation, মই policy টো সমালোচনা কৰা নাই, অকনমান আপোনালোকে চালে ভাল হ'ব।

দ্বিতীয়তে হ'ল, কলেজৰ পৰা দুটা class কাটি আনি secondary education কৰিব খুজিছে। কলেজ সমূহত এতিয়া higher secondary level তো নাথাকে। গোটেই class বিলাক আহি যাব higher secondary school বিলাকত। এতিয়া higher secondary school বিলাকত যে আনিব তাত infrastructure টো আছে নে নাই। যদি আন্তঃগাঁথনি কৰিছে, তাত শিক্ষক আছে নে নাই। সেই শিক্ষকসকলক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিছে নে নাই নতুন শিক্ষা নীতিত। গতিকে এই কামটো ততাতায়া কৰাকৈ মই ভাবো যে গাঁৱৰ স্কুল বিলাকৰ লৰা-ছোৱালীয়ে বহুত অসুবিধাত পৰিব। কাৰণ কম বেছি কৰি চহৰত infrastructure আছে, কিন্তু গাঁৱৰ লৰা-ছোৱালীয়ে অঙ্গনবাড়ীত পঢ়া-শুনা কৰি, after school activities কি হ'ব। শিক্ষা নীতিত after school activities চহৰত আছে। কৰবাত urban area ত computer শিক্ষা বা অন্য শিক্ষা তেওঁলোকে লব পাৰে। কিন্তু গাঁৱত কি কৰিব, এই কথাখিনি চাব লাগে। sport training and equipment training কি কৰিব। Education Policy ৰ শেষত গুৰুত্বপূৰ্ণ কথা এটা কৈছে যে এইটো vernacular language। আপোনালোকে চাব, মাননীয় মুখমন্ত্ৰী মহোদয়ে খুব science ওপৰত জোৰ দিছে। vernacular language ত যদি আমি এতিয়া পঢ়া-শুনা কৰো, তাৰ পিছত যেতিয়া আমাৰ computer ৰ কথা আহিব, যেতিয়া english communication তো কমি যাব, কমি যোৱাৰ লগে লগে, আমি science ক ভয় কৰিম নেকি? science নপঢ়ি, Art & Culture বেছিকৈ পঢ়িম নেকি? গোটেই আমাৰ উঠি অহা চামে Doctor, Engineer, Science টো নপঢ়াৰ ফলত বিভিন্ন ক্ষেত্ৰত ৰাজ্যখনৰ আমাৰ অসুবিধা হ'ব নেকি? এই কথাখিনি আপোনালোকে অকনমান চাব। মই থোৰতে কওঁ অলপ অসুবিধা হ'ব। ডিজিটেল লিটাৰেচি এই বিলাকৰ কথা আছিল। গতিকে মাননীয় অধ্যক্ষ মহোদয় যিখিনি সময়সীমা দিছে এই কথাখিনি পুনৰ বাৰ মই headline ৰ কথা কৈছো যে ৬১ হাজাৰ যদি আমাৰ আছো, তেখেত সকলক কেনেকৈ training দি ৬ মাহ বা ১ বছৰ training দি কেনেকৈ আপোনালোকে একেবাৰে সৰু ল'ৰা-ছোৱালীক, গাঁৱৰ ল'ৰা-ছোৱালী বিলাকক আপোনালোকে পঢ়া শুনাৰ ব্যৱস্থা কৰিব, কেনেকৈ আমি Science পঢ়াৰ কাৰণে আমাৰ ল'ৰা-ছোৱালীবিলাকক মানসিক ভাৱে প্ৰস্তুত কৰিম, কেনেকৈ other activities ত আমি মনোযোগ দিয়াম। এই কথাখিনি আপুনি গুৰুত্ব দিব বুলি আশা ৰাখি, যিহেতু কম সময়, মই এইখিনিতে মোৰ কথাখিনি শেষ কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ- ধন্যবাদ, এতিয়া সুমন হৰিপ্ৰিয়া, চমুকৈ ক'ব।

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া (হাজো)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ initiative ত যি আমাৰ stake holders আৰু বিধায়ক সকলৰ মাজত যিখিনি আলোচনা কৰিলে, New Education policy ৰ ওপৰত, তাৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিছো। চাৰ, Learning is a continuous process, So change the education policy ia inevitable.

আমি এইটো ৰাখিব নোৱাৰো। আৰু পৃথিবীও change হৈ আছে। এতিয়া যিহেতু পৃথিবী change হৈ আছে। So we are আমাৰ যিখিনি শিশু আছে, আমি বিছাৰো, বা আমাৰ চৰকাৰে বিচাৰে যে our children should match the change. আমি আমাৰ ল'ৰা-ছোৱালীবিলাকক আমি বিচাৰো যে global শিশু হওঁক। তেওঁলোক global learn হওঁক। আজি কালি শিক্ষাৰ ব্যৱস্থাটো আমি এনেকুৱা কৰিবলৈ গৈ আছো যে য'ত knowledge, লগত education system ৰ শিক্ষা আছে, সেইখিনি থাকিবই, আৰু তাৰ লগত knowledge আৰু skill এইখিনি লগ লগাই আমি global citizenship বনাবলৈ গৈ আছো। তেনে ক্ষেত্ৰত কিছুমান change ৰ কথা বিৰোধী দলে ক'লে কিন্তু মই আমাৰ সন্মানীয় AIUDF ৰ বিধায়কৰ যিখিনি "হংস চলে কাৰা কি চাল" সেইটোৰ সম্পৰ্কত মই ক'ব খুজিছো, যে আমাৰ পুৰণি দিনতে নালন্দা, তক্ষশীলা ইউনিভাৰচিটি বিলাক যেতিয়া আছিল, তেতিয়া বাহিৰৰ ছাত্ৰ আমাৰ ভাৰতবৰ্ষত পঢ়িবলৈ আহিছিল। আমি কাৰাৰ চাল চলোৱা নাই। আমি কাউৰীৰ স্বভাৱ আমি লোৱা নাই। আমি হংস আছিলো, ষষ্ঠ শতিকাত আছিলো, যেতিয়া তক্ষশীলা, নালন্দা existed in 6th century. তেতিয়াৰ পৰা আমাৰ glorious ইতিহাস আছে শিক্ষা ব্যৱস্থাৰ। পুৰনা ইতিহাস আছে। গতিকে আমি কেতিয়াওঁ কাৰা হ'বলৈ যোৱা নাই। গতিকে এনেকুৱা ধৰণৰ ষ্টেটমেন্ট গ্ৰাহ্য নহয় বিধান সভাত। আৰু ২য় কথা আমাৰ যিটো Education policy ত change আহিছে 34years ত। গতিকে এই change খিনি আপোনালোকে চাবলৈ গলে আমাৰ যিখিনি infrastructure development ৰ কথা কৈছে, এই যে আমাৰ implementation ৰ ওপৰত আমি নকওঁ, আমাৰ সন্মানীয় বিৰোধী দলৰ বিধায়ক সকলে কলে। implementation কেনেকৈ কৰিব। আমি সেইটোহে কম তাৰ কাৰণ infrastructure development ৰ ওপৰত আমাৰ চৰকাৰে ইতিমধ্যে গুৰুত্ব দিছে। আমাৰ C.M. Sir য়ে সেইদিনাখন, আপোনালোকে নিজেই গম পাইছে যে higher Secondary, college ৰ পৰা আঁতৰাই লৈ আহিছে স্কুললৈ আৰু কলেজত ইতিমধ্যে post graduate class বিলাক include কৰিবৰ কাৰণে strict order issue কৰিছে। গতিকে implementation কেনেকে কৰিম, কেতিয়া কৰিম নহয়। we have started the implementation process already. আৰু C.M. Sir also directed the State Education Department to convert 1000 high school in to higher sccondary school. গতিকে এইখিনি আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে কথামতে কাম কৰে। আমি implementation process আমি আৰম্ভ কৰিবৰ কাৰণে চিন্তা-চৰ্চা কৰিবৰ দৰকাৰ নকৰে। Once it is issued order from the Central Government, we have already started working on it . তাৰ উপৰিও to prevent the drop out, the L.P. and M.E. আমাৰ মুখ্যমন্ত্ৰীয়ে ইতিমধ্যে গুৰুত্ব দিছে যে আমাৰ এই L.P. আৰু M.E. স্কুল বিলাক merge কৰিব লাগে। ন'হলে দেখা যায় যে L.P. আৰু M.E. বিলাকটো বহুত drop-out হৈ যায়। গতিকে এই বিলাক আমাৰ infrastructure ৰ যিখিনি আমাৰ process ল'ব লাগে সেইখিনি আমাৰ চৰকাৰে ইতিমধ্যে লৈছে। তাৰোপৰিও কিছুমান কথা আছে, ধৰক আমাৰ শিক্ষকৰ ওপৰত এতিয়া আমাৰ দূৰ্গা দাস বড়ো ডাঙৰীয়া এতিয়া নাই, তেখেতে কৈ গ'ল, মই গুৰুত্ব দিছো যে প্ৰথম আৰু পঞ্চম শ্ৰেণীৰ ওপৰত আৰু প্ৰথম আৰু পঞ্চমমান শ্ৰেণীৰ কথা ক'বলৈ যাওতে অঙ্গনবাড়ীৰ কথা কৈছে। অংগনবাড়ী আৰু আমাৰ যিখিনি প্ৰি- প্ৰাইমাৰী স্কুলৰ class -1, আৰু class -11, মিলি গৈলাই class -V, হ'ব। মুঠ ৫ টা বছৰ থাকিব। ৩ বছৰৰ পৰা ৮ বছৰলৈকে।

ইতিমধ্যে আমাৰ চৰকাৰে বহুতখিনি আলোচনা চলাইছে Social welfare বিভাগৰ লগত যে অংগনবাড়ী চেন্টাৰ আৰু class -1, আৰু class -11, কেনেকৈ club কৰিব পৰা যাব? গতিকে এই 5 years টো very challenging হ'ব, আপোনালোকে চাই থাকক যে আমাৰ ২০২২ পোৱাৰ লগে লগে, অংগনবাড়ী চেন্টাৰ আৰু class -1, আৰু class -11, মিলি আমি যিটো club কৰিব লৈ গৈ আছো, it will be very challenging. কিন্তু এটা কথা মই অধ্যক্ষ মহোদয়, বিচাৰিম যে যিখিনি আমাৰ শিক্ষক আহিব, সেই শিক্ষকখিনিৰ intention, motivation, আৰু তেওঁলোকৰ PASSION থাকিব লাগিব towards teaching. এইটো নহয় যে আমি কেৱল শিক্ষাদান কৰিবলৈ আহিছো. কাৰণ আমি বেলেগ ধৰণৰ কৰিবলৈ গৈ আছো, শিক্ষা নীতিটো। গতিকে সৰ্বশেষত মই কওঁ আমি এই Sustainable development goal, SDG goal ত উপনীত হ'বৰ কাৰণে আমাৰ যিখিনি শিক্ষা ব্যৱস্থা, মই আদৰণি জনাইছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ- ধন্যবাদ, এতিয়া মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, এইখন নতুন শিক্ষা নীতি আমাৰ ৰাজ্যত প্ৰয়োগ কৰাৰ কাৰণে তাৰিখ, বাৰ ঠিক কৰি দিয়া হৈছে। মই প্ৰথমতে আমাৰ শিক্ষা মন্ত্ৰীক শুভেচ্ছা যাচিছো, তেওঁ যিখন মহাসাগৰত সাতুৰিব, সেইখন মহাসাগৰত তেওঁ যাতে সাতুৰি পাৰ হ'ব পাৰে। মহাসাগৰ বুলি মই এইকাৰণেই কৈছো, ৰাজ্যখনত যিটো অৱস্থা, ৰাষ্ট্ৰ সংঘৰ উন্নয়ন আঁচনিৰ সহযোগত ভাৰতৰ নীতি আয়োগে বহনক্ষম উন্নয়নৰ লক্ষ্য SDG India Index and dashboard 2021, শিক্ষক Act প্ৰতিবেদনত প্ৰকাশ কৰিছে যে গুণগত শিক্ষাৰ ক্ষেত্ৰত অসমে এই প্ৰতিবেদনত তলৰ পৰা পঞ্চম স্থানত আছে। তলৰ পৰা পঞ্চম স্থানত আছে গুণগত শিক্ষাৰ ক্ষেত্ৰত। এতিয়া স্বাভাৱিকতে এই যিখন নতুন শিক্ষা নীতি। implement হৈ যাব, ইয়াকটো আৰু oppose কৰি লাভ নাই। মোৰ যিখিনি সন্দেহ আছে, সেইটো কৈছো। প্ৰথমে এই শিক্ষা নীতিত পৰম্পৰা আৰু constitution. আমাৰ সংবিধান আৰু পৰম্পৰাক একেলগে সংগবদ্ধ কৰাৰ কথা কৈছে, এইটো মোৰ কাৰণে বুজাত অসুবিধা হৈছে। পৰম্পৰা আৰু সংবিধান কেনেকৈ সংগবদ্ধ কৰিব সেইটো কথা কিন্তু স্বাধীনতাৰ পৰৱৰ্তী সময়ত University Education Commission 1948-49. 5 years plans of India Secondary Education Commission 1952-53, Indian Education Commission 1964-66, National policy on Education 1968, International Commission on Education 1999. The Commission on advice on Renovation and Rejuvenation higher Education 2009 আৰু Lastly NEP ১০০ খনতকৈ বেছি আয়োগ, council আৰু কমিটি ইতিমধ্যে প্ৰকট হৈছে। এইখন নতুন শিক্ষানীতিত এই যিবিলাক council কমিটী হ'ল, তাত কি achieve কৰিলো, আমি ক'ত ফেইল কৰিলো, এইটোৰ পৰ্য্যালোচনা NEP ত নাহিলে, অহা হলে ভাল আছিল। আমাৰ অভিজ্ঞতাবোৰ ভাল হ'ল হেতেন। তাৰ পাছত মই যাব খুজিছো, এই যে নতুন Education policy ত ৬ শতাংশ GDP ৰ কথা কোৱা হৈছে। ৬ শতাংশ GDP আমাৰ দেশত এতিয়ালৈকে আমাৰ কেন্দ্ৰীয় চৰকাৰে GDP ৰ ৬ শতাংশ শিক্ষকৰ এতিয়াহে আৰম্ভ কৰিছে, চিন্তা ভাৱনাটো কিছু কৰিছে। আমাৰ ৰাজ্যত ইতিমধ্যে কৈছে যে, ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই কৈছে যে ১৯ শতাংশ আমি আমাৰ বাজেট এলোকেশ্যনৰ শিক্ষাত ধৰিছো। কিন্তু this is not sufficent. এদিন এই

শিক্ষামন্ত্ৰীৰ লগতে কথা পাতোতে তেওঁ মোক কৈছিল যে, ১৫০০০ টো ওলাই গুছি গৈছে দৰমহাত। বাকী থাকিল মাত্ৰ ৪ হাজাৰ কোটি টকা ক'ত কি কৰা যাব? স্বাভাৱিকতে মই আজি এচেম্বলিত এইটো আশা কৰিছো, সেই কাৰণে মই শুভেচ্ছা জনাই কৈছো যে মহাসাগৰত সাতুৰিব ওলাইছে আমাৰ শিক্ষা মন্ত্ৰী, সাতুৰি যেন পাৰ পায়, মইও সেই আশা কৰিছো। আমাৰ যেন বাজেটৰ ৩০ শতাংশ যদি নহয় তেতিয়াহলে এই শিক্ষাত যিটো implementation ত যিবিলাক সমস্যা হ'ব আমাৰ চৰকাৰী পক্ষৰ সদস্যই কোৱাৰ দৰে আৰম্ভ কৰি দিলো, ঘোঁৰা দৌৰি গ'ল, হৈ গ'ল। এই ধৰণে নহয়। কিন্তু কথা কৈ implement কৰাটো অতি কঠিন কাম। সেইটোৰ ক্ষেত্ৰত বাজেট এলোকেশ্যনটো ৩০ শতাংশ কৰা হওঁক। নিশ্চয় শিক্ষামন্ত্ৰীয়ে মোক ভালে পাব। ৩০ শতাংশৰ ডিমাণ্ডটো কৰিছো। এইটো নতুন শিক্ষা নীতিত যিটো fee-structure কৰিছে fee-structure ৰ কথাটো চিন্তনীয় step চৰকাৰৰ কাৰণে। fee-structure টো এটা শিক্ষা মাচুল নিৰ্ণয়কাৰী ব্যৱস্থাপনা, শিক্ষানুষ্ঠানতে গঢ়ি তোলাৰ সপক্ষে নথি খনত যুক্তি দৰ্শোৱা হৈছে। এইটো যদি কৰিবলগীয়া হয়, শিক্ষা নীতিত উল্লেখ কৰা মতে fee determination mechanism will be ensure responsible recovery of cost. এইটো শিক্ষানীতিৰ যদি direction ত আমি এইটো কৰিবলৈ যাওঁ তেতিয়া হলে আমাৰ শিক্ষা প্ৰতিষ্ঠানৰ হয়তো উচ্চ হাৰত মাচুল impose কৰিব লগা হ'ব। ল'ৰা-ছোৱালী কিছুমানক, গৰীৱ ঘৰৰ মানুহ বিলাকক, ল'ৰা-ছোৱালীক জলপানি দিয়াৰ কথা আহিছে । জলপানি দিয়াৰ টকাটো ক'ৰ পৰা আহিব? টকাটো ক'ত ধাৰ্য্য কৰা থাকিব। হয়তো State Government য়ে সেই টকাটো দিব লাগিব।

**মাননীয় অধ্যক্ষঃ** চাৰে চাৰি মিনিট হ'ল।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাটো অলপ গুৰুত্বপূৰ্ণ। সেইকাৰণে মই কৈছো।

**মাননীয় অধ্যক্ষঃ** উপায় নাই। ৫ টা বজাত ৰিপ্লাই দিব।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ** এইটো কথা মই আনিব খুজিছো enrollment ৰ প্ৰশ্নত। আমাৰ উচ্চ শিক্ষাত Gross Enrollment Ratio যিটো আমি GR বুলি কওঁ সেইটো ৫০· শতাংশলৈকে বৃদ্ধি কৰা নতুন শিক্ষানীতিত কৈছে। এতিয়া বৰ্তমানলৈকে ২৬ শতাংশ। এই GR বৃদ্ধি কৰাৰ কাৰণে যদি আমি মুক্ত অনুষ্ঠানলৈকে ঠেলি দিব বিচাৰিছো ছাত্ৰ-ছাত্ৰী সকলৰ কিন্তু শেষত গৈ ডাঙৰ সমস্যা হ'ব। মুক্ত শিক্ষা নীতিৰ যিবিলাক ছাত্ৰ বা তেওঁলোকে শিক্ষাপ্ৰাপ্ত হ'ব তেওঁলোকৰ গুণগতমান আৰু বিশ্ববিদ্যালয় বা কলেজৰ ল'ৰা-ছোৱালী বিলাকৰ গুণগতমানৰ যথেষ্ট পাৰ্থক্য থাকিব। সেইটো নিশ্চয় ভৱিষ্যত আমি এটা অসুবিধাত পৰিম। Cluster College ৰ ক্ষেত্ৰত আমাৰ অসমত Cluster College কৰাতো গুৱাহাটীৰ বাহিৰে বা ডিব্ৰুগড়ৰ বাহিৰে অন্য আমাৰ গাঁও অঞ্চলত থকা কলেজবিলাকত কৰিব নোৱাৰি।

**মাননীয় অধ্যক্ষঃ** আপুনি লিখি lay কৰি দিব।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ** লিখি দিম। কিন্তু বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰত বহুত সমস্যা আছে।

**মাননীয় অধ্যক্ষঃ** আপুনি লিখি দি দিব। ইয়াত lay কৰিব সেইটো আমি বিভাগলৈ পঠাম। ধন্যবাদ। শ্ৰীমতী শিৰামনি বৰা। ২ মিনিট দিছো। সকলোৰে ১ মিনিট পাব।

**শ্ৰীমতী শিৰামনি বৰা (বটদ্ৰৱা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপুনি লোৱা উদ্যোগৰ বাবে আপোনাৰ শলাগ লৈছো। শিক্ষাই শক্তি। প্ৰতিজন ব্যক্তি তথা প্ৰতিখন দেশ আগুৱাই যোৱাত শিক্ষাই এটা

অপৰিসীম গুৰুত্ব বহন কৰে। চাৰ, যিটো 1986 ত যিটো শিক্ষানীতি আছিল আমাৰ এতিয়া ২০২২ হ'বলৈ গৈ আছে। কিন্তু কথাটো হ'ল যে ২০২২ ত যিটো শিক্ষা নীতি, বেয়া বুলি কোৱা নাই। বহুত ভাল আৰু এইটো বিতৰ্কৰ কথা নাই। আমি কিছুমান বস্তু বুজাই নাছিলো। কিন্তু আপুনি যিটো উদ্যোগ ল'লে আমি তেতিয়া বুজিবলৈ চেষ্টা কৰিছিলো যে যিটো solution ৰ ভিতৰত আমাৰ আৰম্ভ কৰিব লাগে সেই শিক্ষানীতিটো আমি ইমান লৰালৰিকে বহুত খিনি বিবেচনা কৰি, চালি-জাৰি চাই শিক্ষানীতিটো আৰম্ভ কৰিলে ভাল আছিল, অকনমান সময় ল'ব লাগিছিল। মই মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক এইটোৱে কৈছো যে অলপ সময় ল'ব লাগিছিল। কাৰণ গোটেই শিক্ষানীতিটো প্ৰায়খিনিয়ে ঠিকে আছে, আমি ভাল পাইছো, কিছুমান দিশ চালি-জাৰি নাচাই যদি আমি খোজ দিওঁ তেতিয়াহ'লে ভৱিষ্যতে আকৌ আমাৰ উঠি অহা প্ৰজন্মৰ কাৰণে শিক্ষানীতিৰ ভুলত খোজ দিলে আমাৰ সমস্যাৰ সৃষ্টি হ'ব। উদাহৰণস্বৰূপে মই ক'ব খুজিছো যে যিটো শিক্ষনীতি আমাৰ প্ৰৱৰ্তন কৰিব ওলাইছে, আমাৰ প্ৰাথমিক স্তৰৰ কথাই ক'ব ওলাইছো। মই এইটো ক'ব যোৱা নাই যে প্ৰাথমিক স্তৰৰ অংগনাবাড়ী লৈ যিটো কৰিব ওলাইছে অংগনবাড়ী কৰ্মীখিনিক তেওঁলোকক কিন্তু train up কৰা নাই। কাৰণ মোৰ অঞ্চলত মই যেতিয়া সুধিছিলো যে এনেকুৱা শিক্ষানীতি এটা নতুনকে প্ৰৱৰ্ত্তন হ'বলৈ গৈছে, জানুৱাৰীৰ পৰা আৰম্ভ হ'ব, তেওঁলোকে একো বুজিয়েই পোৱা নাই। মোক সুধিছে, এইটো মানে কি? কি হ'ব। গতিকে তেনেকুৱা ভিতৰুৱা অঞ্চল বিলাকত একো বুজি পোৱা নাই। গতিকে তেওঁলোকক train up কৰাতো বহুত দৰকাৰ হৈছে আৰু শিক্ষক সকলৰ accountability টো ধৰি দিব লাগিব। কাৰণ শিক্ষকসকলকো train up কৰিব লাগিব। যিখিনি আমাৰ আন্তঃগাঁথনি এইখিনি যদি প্ৰথমে ঠিক কৰি নলয়, তেতিয়াহ'লে ভৱিষ্যতে এইটো অসুবিধা হ'ব। আমাৰ যিটো GVP কৈছে আমি আগতে 1.7% খৰছ কৰিছিলো এতিয়া 6% লৈ বঢ়াই দিলে। কিন্তু শিক্ষানীতিটোত এনেকুৱা কিছুমান আমাৰ ধৰা হৈছে যে 6% কিয়, শিক্ষাৰ লগত জৰিত বহুতখিনি আৰু ধৰিব লাগে। বাজেটত আৰু ধৰিব লাগে কিন্তু এতিয়া আমাৰ বৰ্তমান সাম্প্ৰদায়িক সময়ত যি দুবছৰ আমাৰ ক'ৰোণা ভাইৰাছৰ কাৰণে সকলোতকৈ বাধাগ্ৰস্ত হৈছে আমাৰ শিক্ষাৰ্থী সকল। কাৰণ তেওঁলোকে দুবছৰ বহি আছে। এইখিনিত তেওঁলোকক সেই অৱস্থাৰ পৰা আমি এটা নতুন শিক্ষানীতিৰ লগত লৈ যাবৰ কাৰণে আমাক বহুতখিনি অৰ্থৰ প্ৰয়োজন হ'ব। গতিকে বাজেটত ধৰিব লাগে 6% কে বেছিহে ধৰিব লাগে মই সেইটোৱে কৈছো। যিবোৰ বিষয় নিৰ্বাচন কৰিব লৈছে এতিয়াতো বিষয় একেবাৰে open কৰিছে। বিষয়টো open কৰিছে আমি Science ও পঢ়িব পাৰো বা যিকোনো বিষয় Physics ৰ লগত Geography ও পঢ়িব পাৰো, Physics ৰ লগত আমি History ও পঢ়িব পাৰো। তেনেকুৱা ধৰণৰ কিছুমান কথা আছে। কিন্তু এইখিনি কৰিবলৈ যাওঁতে আগতে কিছুমান মানুহে Science য়ে পঢ়ায়। ল'ৰা-ছোৱালীয়ে Science পঢ়িব খোজে। চিট সমূহ সংৰক্ষণ বা চিটসমূহ আমি বঢ়াই লৈ যাব খুজিব লাগিব। বহুতখিনি কথা আছিল।

**মাননীয় অধ্যক্ষঃ** লিখিত দি দিব।

**শ্ৰীমতী শিৱামনি বৰা (বটদ্ৰৱা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এইটোৱে ক'ব খুজিছো যে অকনমান সময় লৈ শিক্ষানীতিটো কাৰ্য্যকৰণ কৰিলে আমাৰ আগন্তুক দিনত বা আমাৰ ভৱিষ্যতৰ যিখিনি মানৱ সম্পদ গঢ়িবলৈ যাম, তেওঁলোকৰ কাৰণে সুবিধা হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। Lay কৰি দিব। আমি এইটো গোটেই ডিপাৰ্টমেণ্টলৈ পঠাম। ডঃ অমিয় ভূএগ্ৰা।

**ডঃ অমিয় কুমাৰ ভূঞা (বিহপুৰীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তিনিটা দশকৰ পাছত ৰাজ্যখনত এনেধৰণে শিক্ষাবিষয়ত মাননীয় অধ্যক্ষ মহোদয়ে বিশেষ উদ্যোগ লৈ যি আজি আলোচনা কৰিলে তাৰবাবে মই প্ৰথমে বহুত বহুত আন্তৰিক ধন্যবাদ জনাইছো আৰু এই ২১ শতিকাত ভাৰতবৰ্ষত ২৫ কোটি ছাত্ৰ-ছাত্ৰীৰ বাবে আমাৰ বিশ্ববৰেণ্য নেতা হিচাপে পৰিগণিত হোৱা ৰাষ্ট্ৰৰ নেতা মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই যি নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি পাতি ভাৰতবৰ্ষক এখন Globel Knowledge Power হিচাপে কৰিবৰ কাৰণে যি উদ্যোগ লৈছে, যি নতুন শিক্ষানীতি আগবঢ়াই দিছে, যি আশাৰ বতৰা দিছে তাত মই উষ্ম আদৰণি জনাইছো আৰু এই নতুন শিক্ষানীতি আমাৰ ৰাজ্যখনত এই আগন্তুক বৰ্ষৰ পৰা ৰূপায়ণ কৰিবৰ কাৰণে আমাৰ ৰাজ্যৰ বিচক্ষণ মুখ্যমন্ত্ৰী ডাঙৰীয়া যি উদ্যোগ লৈছে মই তেখেতক আন্তৰিক ধন্যবাদ দিছো আৰু এই উদ্যোগক আগবঢ়াই নিবৰ বাবে আমাৰ মাননীয় শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াক ধন্যবাদ দিছো আৰু মই আস্থা আৰু বিশ্বাস ৰাখিছো। এগৰাকী সুযোগ্য শিক্ষামন্ত্ৰী আমি বহুদিনৰ পাছত ৰাজ্যখনে পাইছো। তেখেতৰ নেতৃত্বত নতুন শিক্ষানীতিৰ জৰিয়তে আমি ছাত্ৰ-ছাত্ৰী সকলক সুন্দৰ আৰু সুৰক্ষিত ভৱিষ্যতৰ কাৰণে কাম কৰাৰ পৰিবেশ ৰাজ্যখনত আৰম্ভ কৰিবৰ কাৰণে পাইছো। যোৱা ছয়টা মাহত আমাৰ ৰাজ্যখনে শিক্ষাখণ্ডত আন্তঃগাঁথনিৰ পৰিৱৰ্তনকে ধৰি আন আন যি নীতিগত যিবিলাক সিদ্ধান্ত লৈছে এই বিলাকে আমাৰ ৰাজ্যখনলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে। আমি দেখিলো যে যোৱা বাজেটখনত যিটো কথা আমি আজি সদনত কোৱা শুনিলো যে ১৯.৩ শতাংশ ধন এই প্ৰথমবাৰৰ কাৰণে আবণ্টন দি শিক্ষাৰ ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব দি উঠি অহা নতুন চামক আগবঢ়াই নিবৰ কাৰণে যুৱ প্ৰজন্মৰ তেওঁলোকক কৰ্মমুখী শিক্ষা দিবৰ বাবে নয়োগৰ সুবিধাৰ বাট মুকলি কৰিবৰ বাবে ভাৰতবৰ্ষকে এখন Knowledge Destination কৰিবৰ বাবে যি উদ্যোগ লোৱা হৈছে এই উদ্যোগ সময় সাপেক্ষে সিদ্ধান্ত হৈছে বুলি আমি ভাবিছে যে ৰাজ্যখনত এতিয়া আমাৰ আন্তঃগাঁথনি আছে সেই আন্তঃগাঁথনিৰ সুযোগ আমি ল'ব পাৰো নতুন শিক্ষানীতি আগবঢ়াই নিবৰ কাৰণে। নতুন শ্ৰেণী কোঠা সংযোগ কৰিবৰ কাৰণে ইতিমধ্যে উদ্যোগ লোৱা হৈছে। নতুন বিশ্ববিদ্যালয় যোৱা দিনবিলাকৰ পৰা আৰম্ভ কৰা হৈছে আৰু আমাৰ বিচক্ষণ মুখ্যমন্ত্ৰী গৰাকীয়ে বিশেষকৈ শিক্ষাৰ যি চৰকাৰী পৰিবেশটো শিক্ষাৰ নিয়োগৰ বাছনিৰ যিটো পৰিবেশ যোগ্যতা আৰু মেধাসম্পন্ন তেনেকুৱা প্ৰাৰ্থীকে শিক্ষক নিয়োগ কৰিছে ইতিমধ্যে চৰকাৰী বিদ্যালয় বিলাকলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে। মই ভাবো যে ৰাজ্যখনত বিনিয়োগ কৰিবলৈ বিচৰা সকলক আমি বিভিন্ন পৰিবেশ সৃষ্টি কৰি ইয়াত বিনিয়োগ কৰিবৰ কাৰণে নিদিও। গতিকে মানুহ গঢ়া ৰাজ্য হিচাপে আমি সকলোৱে প্ৰত্যাহবান হিচাপে ল'ব লাগে আৰু Team Assam আমি সকলোৱে কৰিব লাগে। আজি যেনেকৈ আপুনি এটা initiative লৈছে শিক্ষামন্ত্ৰীয়েও যেনেকৈ initiative লৈছে, আমি বিধায়ক সকলেও নিজৰ নিজৰ ক্ষেত্ৰত এই initiative টো ল'ব লাগে আৰু আমাৰ তৰফৰ পৰা অহা ২৮ তাৰিখে আমাৰ সমষ্টিত ৰাষ্ট্ৰীয় শিক্ষানীতিৰ ওপৰত আমি আলোচনা চক্ৰৰ আয়োজন কৰিছো। পঞ্চায়তৰ যি 15th Finance ৰ যি টকা পইচা আহিছে সকলো টকা পইচা আমাৰ জৰাজীৰ্ণ শিক্ষানুষ্ঠান নিৰ্মাণ কৰাৰ ক্ষেত্ৰত ব্যয় কৰিবৰ কাৰণে ঠিক কৰিছো আৰু লক্ষ্য নিৰ্ধাৰণ কৰিছো। দুটা বছৰৰ ভিতৰত যাতে আমাৰ সমষ্টিৰ সকলো শিক্ষানুষ্ঠানৰ আন্তঃগাঁথনি যাতে আমি সুন্দৰ কৰি তুলিব পাৰো, ছাত্ৰ-ছাত্ৰীক আকৃষ্ট কৰিব পাৰো তেনেধৰণে আমি কাম-কাজ কৰিবৰ কাৰণে সকলোৱে এতিয়া নতুন চিন্তাৰ বাট মুকলি কৰিছে মাননীয় মোডী ডাঙৰীয়াই। সেই বাটেৰে যদি আমি গতি কৰো যে আমি অসম, যি আমি লক্ষ্য নিৰ্ধাৰণ কৰিছো ভাৰতবৰ্ষৰ ৫ খন উন্নত ৰাজ্যৰ ভিতৰত

এখন হ'বৰ কাৰণে। আমি প্ৰথম হ'বও পাৰিম। ৫ খন নহয়, অসম আমি প্ৰথম হ'ব পাৰিম। আমি মানৱ সম্পদ গঢ়া উদ্যোগ হিচাপে এইটোক এটা আন্দোলন হিচাপে ৰাজ্যখনত গঢ়ি তুলিবৰ কাৰণে আমি সকলোৱে যদি প্ৰচেষ্টা চলাও আমি সকলো শ্ৰেণীৰ পৰা সহাৰি পাম। সময় যিহেতু তাকৰ মই অতিশয় আনন্দিত আৰু মাননীয় অধ্যক্ষ ডাঙৰীয়াক বহুত বহুত ধন্যবাদ।

**মাননীয়অধ্যক্ষঃ** ধন্যবাদ শ্ৰী প্ৰদীপ হাজৰিকা।

**শ্ৰী প্ৰদীপ হাজৰিকা (আমগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই নতুন শিক্ষানীতিৰ ওপৰত আপুনি যিটো ইনিচিয়েটিভ লৈছে, তাৰ কাৰণে মই আপোনাক ধন্যবাদ জনাইছো। Human Resource Development অৰ্থাৎ মানৱ সম্পদ আমি গঢ়িব লাগিব। মই এই বিষয়ে দুই তিনিটামান কথা ক'ব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, আপোনাক লৈ আমি যিমানবোৰ ইয়াত উপস্থিত আছো ইয়াৰে কোনেও কিন্তু নতুন শিক্ষা নীতিক শিক্ষা গ্ৰহণ কৰি অহা নাই। নতুন শিক্ষা নীতিটো আৰম্ভ হ'বহে। আমি দেখিছো যে আমি যেতিয়া নিম্ন প্ৰাথমিক বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিছিলো, তাৰ শিক্ষক সকল অষ্টম শ্ৰেণী বা নৱম শ্ৰেণী লৈকে পঢ়া আছিল। কিন্তু তেখেত সকলে আমাক যি শিক্ষা দিছিল, সেইয়া কিন্তু আমি এতিয়ালৈকে পাহৰিব পৰা নাই। ৰকিবুল হুছেইন ডাঙৰীয়াই এটা খুব ভাল কথা কৈছে, সেইটো হৈছে ফাউণ্ডেশ্যনটো যদি ভালকৈ বনোৱা নাযায়, তেতিয়া যিমান ওপৰলৈ গ্লবেলাইজেশ্যন কৰিবলৈ গ'লেও ফলটো ভাল নহ'ব। সেই সময়ত পাচ কৰি যোৱা মানুহে এতিয়া অক্সফ'ৰ্ড ইউনিভাৰ্চিটিত শিক্ষক হৈ আছে। সেই সময়ত শিক্ষাৰ মানদণ্ড খুব ভাল আছিল। পঢ়া-শুনা, উচ্চাৰণ, শ্ৰুতলিপি, শুদ্ধ ব্যাকৰণৰ প্ৰয়োগ, শুদ্ধ কৈ চিঠি-পত্ৰ লিখিবলৈ ভালকৈ শিকাইছিল। এতিয়া কিন্তু এইধৰণৰ শিক্ষা দিয়া নহয়। আপুনি জানি আচৰিত হ'ব যে কাৰোবাক যদি শুদ্ধকৈ এখন এপ্লিকেশ্যন লিখিবলৈ দিয়া হয়, তেনেকুৱা মানুহ পোৱা নাযায়। এতিয়া অঙ্গনবাড়ী কেন্দ্ৰসমূহ কেৱল ভাত খাবলৈ দিয়া হয় নেকি? মই এদিন এখন অঙ্গনবাড়ী স্কুলত গৈ দেখিলো যে সৰু সৰু ল'ৰা-ছোৱালীক বহু বেছি পৰিমাণে ভাত খাবলৈ দিয়া হৈছে। এজন শিশুক কিমান পৰিমাণৰ ভাত দিব লাগে সেইটো তেওঁলোকে নাচায়। মই তেওঁলোকৰ লগতে খাম বুলি তালৈ গৈছিলো। এজন লোকৰ ফাউণ্ডেশ্যন শিক্ষা ইয়াৰ পৰা আৰম্ভ হয়। পাচলৈ আপুনি যিমানেই আন্তঃগাঁথনি যিমানেই নিদিওঁ কিয় বা যিমানেই গ্লবেলাইজেশ্যন নকৰো কিয় লাভ নহয়। সেয়েহে এই শিক্ষক সকলৰ শিক্ষাগত অৰ্হতা কিমান, অভিজ্ঞতা কিমান আৰু তেওঁলোকক প্ৰকৃততে প্ৰশিক্ষণ দিয়া হৈছে নে নাই এই কথাটো যি এজন সন্মানীয় সদস্যই উত্থাপন কৰি গৈছে সেইটো মই পুনৰাবৃত্তি কৰিছো। এই কথাবোৰ আমাৰো চকুত পৰিছে। সেয়েহে মই আশা ৰাখিম যে মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াই এই অঙ্গনবাড়ী কেন্দ্ৰ সমূহত কেনেধৰণৰ শিক্ষক দিয়া হৈছে সেই কথালৈ লক্ষ্য ৰাখে। মোৰ গাঁৱৰ অঙ্গনবাড়ী কেন্দ্ৰত সেই গাঁৱৰে এজন শিক্ষক হিচাপে নিযুক্তি দিব লাগে। মই যদি কোনোবা এজন পঢ়া-শুনা নজনা লোক এজনক শিক্ষক হিচাপে দিওঁ তেতিয়া আমাৰ ল'ৰা-ছোৱালীৰ কেতিয়াওঁ উন্নতি সাধন হ'ব নোৱাৰে। সেয়েহে প্ৰশিক্ষণ দিয়া আৰু শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ ওপৰত বিশেষভাৱে লক্ষ্য ৰাখিব লাগে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া দিগন্ত বৰ্মন ডাঙৰীয়াই কওঁক।

**শ্ৰী দিগন্ত বৰ্মন (বৰক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, নতুন শিক্ষা নীতিৰ ওপৰত ইতিমধ্যে আমাৰ বহু মাননীয় সদস্যই কৈ গৈছে আৰু সময়ে সময়ে ভাৰত চৰকাৰৰ প'লিচিসমূহ সলনি হৈ থাকে। এটা সময়ত Vocational Education, Non Formal Education, Adult Education আৰু বৰ্তমান সৰ্ব্বশিক্ষা চলি আছে। সময়ে সময়ে গাইড লাইন সমূহ সলনি হৈ

থাকে আৰু মই ভাৱো যিখন প'লিচি আনিছে সেইখন ভালেই হ'ব। ২০১৫ চনত যেতিয়া প'লিচিখন প্ৰস্তুত কৰিছিল, তেতিয়া পঞ্চায়ত পৰ্য্যন্ত তেওঁলোকে ভিউবোৰ লৈছিল। সেয়েহে মই সেই বিষয়ে বেছি কথা নকওঁ। মোৰ সমষ্টি বৰক্ষেত্ৰীৰ বিষয়ে এটা কথা ক'ব বিচাৰিছো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সকলো সমষ্টিতে এখনকৈ মডেল স্কুল দিব বুলি কৈছিল আৰু তেওঁৰ অনুৰোধ মৰ্ম্মে মই মোৰ সমষ্টি বৰক্ষেত্ৰীৰ ৰঘুনাথ চৌধুৰী চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়খনৰ নাম প্ৰস্তাৱ কৰিছিলো। মই মাননীয় শিক্ষামন্ত্ৰী মহোদয়কো চিঠি লিখিছো আৰু মই ভাল পাইছো যে তেওঁ WhatsApp যোগে প'লিচিবোৰ দিয়ে আৰু মই সেইবোৰ পঢ়ো। এই বিদ্যালয়খনত প্ৰায় তেৰ শ বিদ্যাৰ্থী আছে আৰু বিজ্ঞান, কলা আৰু বাণিজ্য এই তিনিটা শাখা আছে। প্ৰয়াত ৰঘুনাথ চৌধুৰীদেৱৰ নামত উৎসৰ্গিত স্কুল তাত ৫৪ টা পদৰ ভিতৰত ২৭ টা পদ আজি বহু বছৰ ধৰি খালী হৈ আছে। মই সেইখন মডেল স্কুল হোৱা বুলি ঘোষণা কৰিলো আৰু বহু ছাত্ৰ-ছাত্ৰীয়ে নাম ভৰ্ত্তি কৰিছে। এতিয়া শিক্ষাৰ্থী সকলে হীনমান্যতাত ভুগিছে। প্ৰয়োজনীয় আন্তঃগাঁথনি আৰু শিক্ষক দিব নোৱাৰিলে আমি নতুন শিক্ষা নীতি আনিলেও লাভ নহ'ব। আমি চহৰ সমূহত দেখিছো যে সাধাৰণ লোকেও ল'ৰা-ছোৱালীক প্ৰাইভেট স্কুলত দিয়াটো এটা পৰম্পৰা হৈছে। চৰকাৰী স্কুলত ভাল শিক্ষক আৰু ভাল আন্তঃগাঁথনি থাকিলেও সাধাৰণ লোকে প্ৰাইভেট স্কুলত দিয়া দেখা যায়। চহৰসমূহত দেখিছো কিছুমান আগতে গেৰেজ আছিল। তাত হাতী আদিৰ ছবি আঁকি স্কুল খুলিছে বা তৰ্জা বেৰৰ স্কুল খুলিছে। তোনে স্কুলবিলাকতো ল'ৰা-ছোৱালীৰ ভিৰ হোৱা দেখা যায়। মই মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক নতুন শিক্ষা নীতি অনাৰ আগতে যিসমূহ উচ্চতৰ মাধ্যমিক স্কুলত শিক্ষক কম আছে, তাত শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰিব লাগে। বিশেষকৈ ৰঘুনাথ চৌধুৰী বিদ্যালয়ত অতি শীঘ্ৰে শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰিব লাগে। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আশ্ৰাফুল হুছেইন ডাঙৰীয়াই কওঁক।

**শ্ৰী আশ্ৰাফুল হুছেইন (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মূলতঃ প্ৰাক্-প্ৰাথমিক বিদ্যালয়ৰ বিষয়ে কেইটামান কথা ক'ব বিচাৰিছো। যদি আমি বিশ্বৰ অন্যান্য আগবঢ়া দেশসমূহলৈ চাওঁ ইউ কে, নিউজীলেণ্ড, ছুইডেন আৰু ফ্ৰান্স তো দেখা যায় যে পাঁচ বছৰত প্ৰাক্ প্ৰাথমিক বিদ্যালয় আছে। মই ভালদৰে নাজানো। কিন্তু যিখিনি তথ্য পাইছো সেইমতে কেৱল ভাৰততে নিম্ন প্ৰাথমিক বিদ্যালয়ৰ লগত দ্বিতীয় শ্ৰেণীটো যোগ কৰি দিয়া হৈছে। বৰ্তমান আমাৰ যিমানখিনি আন্তঃগাঁথনি আছে, সেইখিনিত কিমানখিনি হৈ উঠিব মোৰ সন্দেহ আছে। আৰু মাননীয় মন্ত্ৰী মহোদয়ৰ ওচৰত আমাৰ আহ্বান যে সেই কথাখিনি আৰু অলপ বিতংভাৱে আমাক বুজাই দিয়ে। অৱশ্যে আমি যেতিয়া নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ মাজেৰে গৈছিলো তেতিয়া আমি দেখা পাইছিলো যে ইয়াৰ আগতে যি কমিশ্যন আছিল তেওঁলোকে উদ্যেগ প্ৰকাশ কৰিছিল যে দেশৰ ২৬ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে Elementrary Education লোৱাৰ পিছতো Numeric, বৰ্ণমালা, সংখ্যা আদি ভালকৈ নাজানে। এইবোৰ অসুবিধা আছিল আৰু তাৰ বাবেই কিজানি প্ৰাক্-প্ৰাথমিকত এই দুটা শ্ৰেণী লৈ যোৱা হয়। সেইবাবে এইটো পদক্ষেপ লৈছে আৰু টাৰ্গেট লৈছে যে আঠ বছৰ বয়সলৈকে এইখিনি শিকাই শেষ কৰিব। কিন্তু এইখিনি সম্ভৱ হ'ব নে নহ'ব এতিয়ালৈকে বুজিব পৰা হোৱা নাই। ইয়াৰ পিছত মই একেবাৰে এই শিক্ষা নীতিৰ শেষৰ ফালে যাব বিচাৰিছো। ২৩ আৰু ২৪ নম্বৰ অনুচ্ছেদত প্ৰযুক্তিগত ব্যৱহাৰ, অন লাইন আৰু ডিজিটেল শিক্ষাৰ কথা কোৱা হৈছে। প্ৰযুক্তিগত ব্যৱহাৰ, অন লাইন আৰু ডিজিটেল শিক্ষা, হ'বলৈ হ'লে আমাৰ বিদ্যালয় সমূহত আন্তঃগাঁথনি থাকিব লাগিব। আজিৰ সময়ত ২০১৯-২০ চনৰ বিভিন্ন সমীক্ষা মতে অসমৰ অৱস্থা

বিভিন্ন পেৰামিটাৰত ভাল নহয়। বৰ্তমান বিদ্যুৎ সংযোগৰ ক্ষেত্ৰত মাত্ৰ ৩৯ শতাংশ আছো। আমি শেষৰ ফালৰ পৰা ৬ নে ৭ নম্বৰ স্থানত আছো। ছোৱালী প্ৰাস্ৰাৱাগাৰৰ ক্ষেত্ৰত মাত্ৰ ৮০ শতাংশ আমাৰ ৰাজ্যত হৈছে য'ত National Average 93%.। পুথিভঁৰালৰ ক্ষেত্ৰত মাত্ৰ ৭৯ শতাংশ আমাৰ ৰাজ্যত হৈছে। আমি যদি চাওঁ দেখিবলৈ পাম যে ১৩ শতাংশ স্কুলতহে কম্পিউটাৰ কাৰ্য্যক্ষম হৈ আছে। কিন্তু বাকী ৰাজ্যসমূহ এইক্ষেত্ৰত ভালেখিনি আগবাঢ়ি গৈছে। পুঁজিগত দিশত অসুবিধা থাকিব পাৰে। কিন্তু অনাগত দিনত আমি যদি এই নীতিক আগুৱাই নিব লাগে তেনেহ'লে পুঁজিগত দিশৰ পৰা প্ৰত্যাহ্বান পোৱাৰ সম্ভাৱনা আছে। আমি আশা কৰো, বিশ্বাস কৰো যে শিক্ষামন্ত্ৰী মহোদয়ৰ যি ইচ্ছা অনাগত দিনত পূৰণ কৰিব পাৰিব। সৌ-সিদিনা কেন্দ্ৰীয় চৰকাৰৰ মানৱ সম্পদ বিভাগৰ কেন্দ্ৰীয়ৰাজ্য মন্ত্ৰী মছলপুৰত আহিছিল আৰু তেওঁ এটা কথা কৈছিল যে ব্যক্তিগত বিদ্যালয়ে চৰকাৰী স্কুলৰ ক্ষতি কৰিব নোৱাৰে বা নকৰে। আজি গ্ৰাম্য অঞ্চলৰ ল'ৰা-ছোৱালীবোৰে প্ৰাইমাৰী স্কুলত পঢ়ে। আজি যদি আমি প্ৰাইভেট স্কুলবোৰক উদগণি দিওঁ, যদি প্ৰাইভেট স্কুলবোৰক আগুৱাই লৈ যাওঁ তেনেহ'লে আমাৰ দুখীয়া মানুহৰ ল'ৰা-ছোৱালী বোৰে বুনিয়াদী শিক্ষা নাপাব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। আপুনি পৰামৰ্শটো দিব। অসুবিধাসমূহৰ বিষয়ে সকলোৱে কৈছে। New Education Policy হ'বই। এইটো খাটাং কথা। গতিকে, ইয়াত New Education Policy নোহোৱাৰ বাবে আৰু আলোচনা নহয়। New Education Policy ক কিদৰে মোকাবিলা কৰিব বা ইয়াক লৈ আপোনালোকৰ মনত উদয় হোৱা নিজস্ব চিন্তা-ধাৰা সমূহ পৰামৰ্শ আকাৰে দি দিব আৰু সেই অনুসৰি চৰকাৰে বিবেচনা কৰিব।

**শ্ৰী বিশ্বজিৎ ফুকন (সৰুপথাৰ )ঃ** মাননীয় অধ্যক্ষ মহোদয়, নতুন শিক্ষা নীতি সম্পৰ্কত মই কেইটামান সৰু কথা ক'ম। বিশেষ ক'ব বিচৰা নাই। নতুন শিক্ষা নীতি সফল ভাৱে ৰূপায়ণ কৰিবলৈ সামগ্ৰিকভাৱে আমি সকলোৱে যত্ন কৰিব লাগিব। প্ৰাথমিক বিদ্যালয়ত আমি নতুনকৈ বহু শিক্ষকক নিযুক্তি দিবলৈ গৈ আছো। প্ৰাথমিক পৰ্যায়ত মাতৃভাষাত শিক্ষাদানৰ সিদ্ধান্ত লোৱা হৈছে। আমাৰ কিছুমান অঞ্চলত বহু জনজাতীয় ভাষা আছে। গতিকে মই অনুৰোধ কৰিছো যে- প্ৰাথমিক শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত একাধিক ভাষা জনা শিক্ষক বা প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিলে শিক্ষকৰ সমস্যা যথেষ্ট কমি যাব। সেয়েহে, একাধিক ভাষা জনাটো criteria হিচাপে ল'ব লাগে। দ্বিতীয়তে, মোৰ সমষ্টিৰ এনে বহুতো ভেঞ্চাৰ স্কুল, জুনিয়ৰ কলেজ আছে যিবোৰ এতিয়ালৈকে চৰকাৰী হোৱা নাই। সৰুপথাৰ ছোৱালী মহাবিদ্যালয়ৰ দৰেই আৰু বিদ্যালয় আছে যিখন বিদ্যালয় ১৯৯৩ চনতে স্থাপিত হৈ সকলোখিনি criteria fulfill কৰাৰ পিছতো আজিলৈকে চৰকাৰী হোৱা নাই। সেই কাৰণে শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে ভেঞ্চাৰ স্কুলৰ ক্ষেত্ৰত once for all fullstop দিয়াটো ভাল। এই স্কুলবোৰক নতুন শিক্ষা নীতিৰ আওঁতালৈ নানি, বন্ধ কৰি তেওঁলোকক ক্ষতিপূৰণ দি বেলেগ ব্যৱস্থা কৰিব লাগে নাইবা যিবোৰ বিদ্যালয় ২০১৭-১৮ চনৰ প্ৰাদেশিকীকৰণ আইনৰ অধীনত ল'ব পৰাকৈ criteria আছে, সেই বিদ্যালয় সমূহকলৈ শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত এই পৰ্যায়টোলৈ আগবঢ়াই লৈ যাব লাগে। ভেঞ্চাৰ স্কুলবোৰ থাকি গ'লে নতুন শিক্ষা নীতিয়ে ভেঞ্চাৰ স্কুলবোৰক কেতিয়াও cover কৰিব নোৱাৰিব। তৃতীয়তে, ভাৰতবৰ্ষলৈ আহিব লগা ১০০ খন বিদেশী বিশ্ববিদ্যালয়ৰ বিষয়টোত কোনোৱে negativelyও কৈছে। প্ৰত্যেক বছৰে ২ লাখ ছাত্ৰ-ছাত্ৰী ভাৰতৰ পৰা বিদেশলৈ যায়। গতিকে, ১০০ খন বিদেশী বিশ্ববিদ্যালয় যদি ভাৰতবৰ্ষলৈ অনা হয়, তেন্তে বিদেশলৈ যোৱাৰ ফলত আমাৰ যি অৰ্থনৈতিক ক্ষতি হয় সেইটো দূৰ হ'ব আৰু বাহিৰলৈ যোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস পাব। ১০০ খন বিশ্ববিদ্যালয় যিহেতু

ভাৰতবৰ্ষলৈ অহাৰ কথা আছে, অন্ততঃ ইয়াৰ ৪ বা ৫ খন বিশ্ববিদ্যালয়ৰ কেম্পাচ যাতে উত্তৰ-পূৰ্বাঞ্চল বা অসমলৈ আহে তাৰ বাবে অসম চৰকাৰৰ তৰফৰ পৰা উদ্যোগ ল'বলৈ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। ইয়াৰোপৰি, আন্তঃগাঁথনিৰ ক্ষেত্ৰত আমি মোকাবিলা কৰিব পাৰিছো বাবেই চৰকাৰে এই নীতি ৰূপায়ণ কৰিবলৈ গৈ আছে। অধ্যক্ষ মহোদয়, প্ৰাথমিক বিদ্যালয়ৰ লগত অংগনবাড়ী কেন্দ্ৰবোৰ একত্ৰীকৰণ কৰাৰ বাবে প্ৰাথমিক পৰ্যায়ত আন্তঃগাঁথনিৰ সমস্যাও দূৰ হ'ব। হায়াৰ ছেকেণ্ডাৰী পৰ্যায়টো যিহেতু মেট্ৰিক পৰ্যায়ত অনা হৈছে, ইয়াৰ ফলত কলেজত ক্লাছৰুম সমূহ বাচি যাব আৰু এই ক্লাছৰুমতেই স্নাতকোত্তৰৰ ক্লাছ কৰিবলৈ সুবিধা হ'ব। এনেকৈয়ে কলেজসমূহক Post Graduate Institution লৈ ৰূপান্তৰ কৰিবলৈ সুবিধা হ'ব আৰু Cluster Colleg/Cluster University/Post Graduate Instituteৰ জৰিয়তে আমাৰ শিক্ষা ব্যৱস্থাক আগবঢ়াই লৈ যাবলৈ যথেষ্ট সুবিধা হ'ব। এই শিক্ষা নীতি সফল হোৱাৰ ক্ষেত্ৰত প্ৰত্যেক গৰাকী বিধায়কে সহায়-সহযোগ কৰিব বুলি আশা কৰিছো। লগতে, শিক্ষা মন্ত্ৰী আৰু মুখ্যমন্ত্ৰী মহোদয়কো শুভেচ্ছা দিছো আৰু আধুনিক শিক্ষাৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ ভিতৰত আগবঢ়া শিক্ষা ব্যৱস্থা অসমত প্ৰৱৰ্তন হ'ব, তাকেই আশা কৰি মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** নুৰুল হুদা। আপুনি পইণ্ট কেইটা ক'ব, সমস্যাবোৰ ক'ব নালাগে।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট)ঃ** অধ্যক্ষ মহোদয়, ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ নতুন structure ৰ ১.১ত আছে যে সামগ্ৰিকভাৱে ৮৫% মগজুৰ বিকাশ ৬ বছৰ বয়সৰ পূৰ্বেই সাধন হয় আৰু এই বয়সৰ শিশু সকলক অংগনবাড়ী কেন্দ্ৰৰ জৰিয়তে শিক্ষাৰ প্ৰসাৰতা বৃদ্ধিৰ বাবে ব্যৱস্থা লোৱা হৈছে। যদি এনে হয়, তেন্তে অসমৰ ৮০% অংগনবাড়ী কেন্দ্ৰই জৰাজীৰ্ণ অৱস্থাত আছে। তাত শিক্ষাৰ কোনো পৰিৱেশ নাই। অংগনবাড়ী কৰ্মীসকলৰ training ৰ কথাটো মই নকওঁ, কিন্তু, অংগনবাড়ী কেন্দ্ৰ সমূহৰ আন্তঃগাঁথনি উন্নত কৰিব লাগিব। এতিয়া হয়তো Model Anganwadi Centre আৰম্ভ কৰিছে যদিও এটা সমষ্টিত মাত্ৰ দুটা Model Anganwadi Centre দিছে। অধ্যক্ষ মহোদয়, এটা সমষ্টিত শ শ অংগনবাড়ী কেন্দ্ৰ থকাৰ পিছত বছৰত মাত্ৰ দুটাকৈ Model Anganwadi Centre বনাই লাভ নহ'ব। সেয়েহে, মই ক'ব বিচাৰিছো যে অংগনবাড়ী কেন্দ্ৰ সমূহৰ আন্তঃগাঁথনি খুব ভালকৈ কৰিব লাগে আৰু তাত শিক্ষাৰ পৰিৱেশ নিৰ্মাণ কৰিব লাগে যাতে শিশু সকলে তেওঁলোকৰ মগজুৰ বিকাশ কৰাৰ পৰিৱেশ পায়। অধ্যক্ষ মহোদয়, Point No. 7.1 ত আছে যে ২৮% Primary, ১৪.৮% Upper Primary school ত ৩০ জনতকৈ কম ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয়সমূহ বন্ধ কৰি অন্য বিদ্যালয়ৰ লগত সংযোগ কৰিব বিচৰা হৈছে। SSA শিক্ষা নীতি অনুসৰি ১ বৰ্গ কিঃমিঃত এখন প্ৰাথমিক বিদ্যালয় হ'ব লাগে। গতিকে, এই বিদ্যালয় সমূহ বন্ধ কৰি যদি অন্যান্য বিদ্যালয়ৰ লগত সংযোগ কৰা হয় তেন্তে শিক্ষাৰ যি উদ্দেশ্য সেইটো সফল নহ'ব। মানৱ সম্পদ গঢ় লওঁতা আৰু মানৱ সম্পদ গঢ় দিওঁতাৰ মাজত এক সৌহাৰ্দ্যপূৰ্ণ পৰিৱেশ লাগিব যাতে ভালদৰে শিক্ষা-দীক্ষা ল'ব পাৰে। সেয়েহে, অধ্যক্ষ মহোদয়, মই অনুৰোধ কৰিব বিচাৰিছো যে Point No. 7.1 ৰ অধীনত বিদ্যালয়সমূহ বন্ধ কৰি দিয়াৰ যি সিদ্ধান্ত লৈছে সেইটো যাতে প্ৰত্যাহাৰ কৰে তেতিয়াহে আমাৰ নৱ-প্ৰজন্মৰ বাবে উত্তম হ'ব। এইখিনিকে কৈ মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া আব্দুৰ ৰহিম আহমেদ।

**শ্ৰী আব্দুৰ ৰহিম আহমেদ (বৰপেটা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই দুটামান কথা মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো। প্ৰথম কথা হ'ল যে- ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষকৰ যথেষ্ট অভাৱ হোৱা বিষয়ে

আমি সকলোৰে জানো। এতিয়া যিহেতু নতুন শিক্ষা নীতি প্ৰৱৰ্তনৰ পিছত নতুন ভেঞ্চাৰ স্কুল প্ৰতিষ্ঠা কৰাৰ বাবে চৰকাৰৰ অনুমতি পোৱা নাযাব, সেয়েহে, দুৰ্ভাগ্যজনকভাৱে তাৰ সুবিধা লৈ কিছুমান প্ৰাইভেট স্কুলে আমাৰ গাওঁ অঞ্চলত শিক্ষকতাৰ নামত কেৱল মাত্ৰ ব্যৱসায়িক মনোবৃত্তিৰে একেবাৰে quality less শিক্ষা দি আছে। মই ভাৱো, শিক্ষা ক্ষেত্ৰত এইটো দুখজনক কথা, সেয়েহে তেওঁলোকৰ academic careeer চোৱাৰ লগতে তেওঁলোকে তাত কি মানদণ্ডৰ শিক্ষা দিয়ে সেইটো চোৱাৰ বাবে মন্ত্ৰী মহোদয়ে যদি Assemblyৰ এটা team গঠন কৰি তদাৰক কৰে তেন্তে সকলো তথ্য ভালদৰে ওলাই পৰিব। আজি চৰকাৰী বিদ্যালয় সমূহে গোটেই শিক্ষাৰ্থীক পাঠদান কৰিব নোৱাৰে। বিশেষকৈ, চহৰ বা নগৰ অঞ্চলত ৬০%তকৈও অধিক ছাত্ৰ-ছাত্ৰীক ব্যক্তিগত খণ্ডৰ বিদ্যালয়ে পাঠদান কৰি আছে। আনহাতে, গাওঁ অঞ্চলতো ৩০% তকৈ অধিক ছাত্ৰ-ছাত্ৰীয়ে ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত পঢ়ি আছে। সেয়েহে, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহক নিয়ন্ত্ৰণ কৰিব লাগে, প্ৰাইভেট স্কুলৰ fees বিলাক নিয়ন্ত্ৰণ কৰাৰ বাবে যিদৰে আইন বনোৱা হৈছে, তেনেদৰে শিক্ষাৰ মানদণ্ড নিৰীক্ষণ কৰাৰ বাবেও প্ৰয়োজনত এখন আইন আনিব লাগে। লগতে, পূৰ্বৰ বক্তা সন্মানীয় বিধায়কজনে জনোৱাৰ নিচিনাকৈ বাকী থকা খুব কম সংখ্যক ভেঞ্চাৰ শিক্ষানুষ্ঠানসমূহক চৰকাৰীকৰণ কৰি নতুন শিক্ষা নীতিৰ ভিতৰত সাঙুৰি ল'ব লাগে নহ'লে এইটোৱে আকৌ নতুন সমস্যাৰ সৃষ্টি কৰিব। মই এইখিনি কৈয়ে সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া বসন্ত দাস। আপুনি এক মিনিটত কওঁক।

**শ্ৰী বসন্ত দাস (মঙ্গলদৈ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ধন্যবাদ। মই মাত্ৰ দুটা point কৈছো। আজি এসপ্তাহমান আগতে Bodoland University ৰ Court Member হিচাপে এখন সভা ত অংশগ্ৰহন কৰিছিলো। মই বাকীখিনি লিখিত দিম। Bodoland University ৰ Court Member হিচাপে অংশগ্ৰহণ কৰোতে মই সেই বিশ্ববিদ্যালয়ৰ বহুত সমস্যা দেখিছিলো। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অৱগত কৰিব বিচাৰিছো যে Bodoland University য়ে যথেষ্ঠ বিত্তীয় সমস্যাৰ সন্মুখীন হৈছে আৰু তাত যোৱা দুটা বছৰে চৰকাৰৰ পৰা যিখিনি পুঁজি দিব লাগে সেইখিনি দিয়া নাই। ইয়াৰ উপৰিও ওদালগুৰিত এটা কেম্পাচ হ'ব লাগে। দ্বিতীয়তে, আমাৰ যিসকল অনুসুচিত জাতি, জনজাতিৰ ছাত্ৰ-ছাত্ৰী আছে তেওঁলোকে ভালদৰে scholarship পোৱা নাই। তৃতীয়তে, আমাৰ BTR অঞ্চলত যিবিলাক বিশেষকৈ চৰ চাপৰি অঞ্চল আছে বা ৰিমোট এৰিয়া আছে সেইবিলাকত এতিয়াও ৫-১০ কিঃ মিঃ দূৰত্বলৈকে হাই স্কুল নাই, এম ই স্কুল নাই। সেইবিলাকৰ ওপৰতো ব্যৱস্থা হ'ব লাগে। এইখিনি মই পূৰণা শিক্ষানীতিৰ ওপৰতে কৈছো। এইখিনি ঠিক হ'লেহে নতুন শিক্ষানীতি প্ৰৱৰ্তণ কৰাটো ভাল হ'ব বুলি মই ভাৱো আৰু কিছু পেপাৰ কাটিং আছে। ইয়াত কি কি সমস্যা আছে সেইখিনিও মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে আপোনাক দিব খোজো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী তেৰছ গোৱালা। তেখেত অনুপস্থিত। শ্ৰী ৰূপজ্যোতি কুৰ্মী আপোনাৰ যদি New Education Policy ৰ ওপৰত কিবা suggestion আছে কওক।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়ণী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা গুৰুত্বপূৰ্ণ বিষয় New Education Policy ৰ ওপৰত ক'বলৈ সুবিধা দিয়াৰ বাবে তেখেতক ধন্যবাদ জনাইছো। মই বিশেষভাৱে আমাৰ উজনি অসমৰ মাননীয় মন্ত্ৰী মহোদয়ে দায়িত্ব লৈ নিশ্চয় জ্ঞাত হৈছে যে চাহ বাগান এলেকাৰ বহু কেইখন বিদ্যালয় এতিয়াও চৰকাৰে লোৱা নাই। সৰ্বশিক্ষাৰ অধীনত নাই।

চাহ বাগানৰ মালিকে দৰমহা দিয়ে। কেতিয়াবা সেই চাহ বাগানত যদি ভাল উপাৰ্জন নহয়, তেওঁলোকে দৰমহা দিব নোৱাৰে। এই বিষয়টো মই মাননীয় মন্ত্ৰী মহোদয়ক আঙুলিয়াই দেখুৱাইছো। দ্বিতীয়তে, মই মোৰ ২০০৬ চনৰ পৰা বিধায়ক হৈ থকাৰ অভিজ্ঞতাৰ পৰা কওঁ আমাৰ পৰিচালনা সমিতি সমূহত প্ৰধান শিক্ষক সকলে অভিভাৱক সকলৰ মাজৰ পৰা প্ৰতিনিধি নিৰ্বাচন কৰিব লাগে। কেতিয়াবা দেখা যায় বহু বিদ্যালয়ত একেবাৰে অশিক্ষিত লোকক পৰিচালনা সমিতিত সভাপতি নিৰ্বাচিত কৰে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী ধমেশ্বৰ কোঁৱৰ।

**শ্ৰী ধমেশ্বৰ কোঁৱৰ (সোণাৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি নতুন শিক্ষানীতিৰ ওপৰত মোক দুআষাৰ ক'বলৈ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। আমাৰ যি নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিৰ আধাৰত যদি অসমৰ শিক্ষানীতি ফলপ্ৰসু হয়, অসমৰ প্ৰতিজন জনপ্ৰতিনিধিয়ে যদি গুৰুত্ব আৰোপ কৰে তেতিয়াহ'লে এই নতুন শিক্ষানীতিটো নিশ্চয় ফলপ্ৰসূ হ'ব। আমাৰ যিসমূহ প্ৰাথমিক বিদ্যালয় আছে সেই সমূহৰ লগত কিছুমানত অঙ্গনবাড়ী বিদ্যালয় সংলগ্ন আছে। যাৰফলত কিছুমান অসুবিধা হয়। যিবিলাক প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী থাকে তেওঁলোকে অঙ্গনবাড়ী বিদ্যালয়ৰ লগত সংলগ্ন থকা কাৰণে প্ৰথম শ্ৰেণীৰ ল'ৰা-ছোৱালী সমূহক পাঠদানৰ কাৰণে অসুবিধা হয়। গতিকে আমাৰ শিক্ষক সমূহৰ এই অসুবিধাটো দূৰ কৰিব পাৰিলে বৰ্তমান শিক্ষানীতিটো ফলপ্ৰসু হ'ব বুলি ভাৱো। গতিকে আশা কৰিছো আমাৰ শিক্ষামন্ত্ৰী মহোদয়ে এইখিনি সমস্যা দূৰ কৰিব বুলি। ধন্যবাদ।

**শ্ৰী ৰামকৃষ্ণ ঘোষ (হোজাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই নতুন শিক্ষানীতিটো ভাৰতৰ কাৰণে এটা বৰদান। কাৰণ আমি চীনৰ ক্ষেত্ৰত দেখিছো যে Vocational Education Centre প্ৰায় ৫ লাখৰ ওপৰত আছে। কানাডা, ব্ৰিটেইন, আমেৰিকাতো তেনেকুৱা। কিন্তু আমাৰ এই চৰকাৰ অহাৰ আগতে ভাৰতত Vocational Education Centre প্ৰায় ১২ হাজাৰ আছিলে আৰু এতিয়া ২৫ হাজাৰ হৈছেগৈ। কিন্তু এই New Education Policy ত class vi, vii, viii লৈকে যিটো Vocational training ৰখা হৈছে, মই ভাৱো আমাৰ ভাৰতবৰ্ষ চীনতকৈও আগবাঢ়ি যাব। সেইকাৰণে ভাৰত চৰকাৰে বা অসম চৰকাৰেও যিটো এই New Education Policy কৰিব খুজিছে তাৰবাবে মই অতিকৈ ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**ডাঃ ৰণোজ পেগু (শিক্ষামন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ initiative ত New Education Policy অংশগ্ৰহণ কৰা সকলো মাননীয় সদস্যক মোৰ তৰফৰ পৰা ধন্যবাদ জ্ঞাপন কৰিছো। মই নামবোৰ পাঠ কৰি দীঘলীয়া কৰিব বিচৰা নাই। কাৰণ আমাৰ সময়টো কম। মই কেইটামান concept clear কৰিব বিচাৰো যে New Education Policy কিয় লাগে? New Education Policy কিয় লাগে বুলি ক'লে ক'ব লাগিব যে শিক্ষা আমাক কিয় লাগে। মোৰ দৃষ্টিভঙ্গীত শিক্ষাৰ প্ৰথম উদ্দেশ্যটো হ'ল Society খনক discipline কৰা। দ্বিতীয়তে, Society খনক এক knowledge base Society কৰা। তৃতীয় উদ্দেশ্যটো হ'ল Employment প্ৰদান কৰা। আৰু তাৰ কাৰণে New Education Policy ৰ লক্ষ্য আৰু উদ্দেশ্যত কোৱা হৈছে যে এই Education Policy টো India Centric হ'ব। আমি British ৰ পৰা এটা system inherit কৰিছিলো। গতিকে আমাক এতিয়া India Centric Education Policy এটা লাগে। এই New Education Policy টো student

centric হ'ব লাগে ছাত্ৰ-ছাত্ৰীৰ সুবিধা হোৱাকৈ। ইয়াৰ উপৰিও Transform Indian Society into a knowledged base Society. এই লক্ষ্য আৰু উদ্দেশ্য লৈ New Education Policy আহিছে আৰু এই New Education Policy ত খুব কম কথাৰে মই আপোনালোকে জানিবলৈ বিচৰা কথা কেইটামান ক'ব খুজিম।

এতিয়া আমি অঙ্গনবাড়ী কেন্দ্ৰ কেন্দ্ৰ সমূহত শিক্ষাদান কৰিব বিচাৰিছো। কোৱা হৈছে যে ছাত্ৰ বা ছাত্ৰীৰ শিশুৰ মগজুৰ বিকাশ এই ৬ বছৰৰ ভিতৰতে হয়। কিন্তু ইয়াত যি শিক্ষা সামৰিব বিচৰা হৈছে অঙ্গনবাড়ী কেন্দ্ৰত এইটো কেবল পাঠ্য পুথিৰ শিক্ষা নহয়। ইয়াত ৪ টা বিভাগে একেলগ হৈ এই early childhood ৩ ৰ পৰা ৬ বছৰৰ ভিতৰত এটা intervention কৰিব। এই ৪ টা বিভাগ হ'ল- সমাজ কল্যাণ, স্বাস্থ্য বিভাগ, Tribal Affairs Department আৰু শিক্ষা বিভাগ। মগজুৰ বিকাশ বহুখিনি নিৰ্ভৰ কৰে পুষ্টিৰ ওপৰত। গতিকে উপযুক্ত পুষ্টিৰ যোগান দিয়া, বৌদ্ধিক বিকাশ, মগজুৰ বিকাশৰ কাৰণে ছাত্ৰ ছাত্ৰী সকলক সহায় কৰা আমাৰ উদ্দেশ্য। Ministry of Tribal Affairs Department ক ইয়াত এই কাৰণেই ৰখা হৈছে যে সৰ্বভাৰতীয় প্ৰেক্ষাপটত জনজাতীয় অঞ্চলবিলাকত এটা ডাঙৰ concern আছে। শিশু সকলৰ বিকাশ, মগজুৰ বিকাশ, পুষ্টিকে লৈ তাত বিভিন্ন বিষয় আছে আৰু সেইকাৰণে কেন্দ্ৰীয় চৰকাৰে এই Ministry of Tribal Affairs Department কো ইয়াত ৰাখিছে। এই চাৰিটা বিভাগ লগ হৈ পৰিকল্পনা প্ৰস্তুত কৰিব যিটো কাম ইতিমধ্যে আমি আৰম্ভ কৰিছো। নতুন শিক্ষানীতিতো আমি এই বছৰেই implement কৰিব পাৰিম বুলি কোৱা নাই। ইয়াৰ বিভিন্ন time line আছে। ২০২০ ত এইখন submit কৰাৰ পাছত ২০৪০ লৈকে ইয়াৰ time line আছে। গতিকে ২০৪০ লৈকে আমাৰ বিভিন্ন milestone আছে। এই milestone বিলাক আমি পৰ্য্যয়ক্ৰমে achieve কৰিব লাগিব আৰু আমিও পৰ্য্যয়ক্ৰমে ব্যৱস্থাবিলাক গ্ৰহণ কৰিম। পৰ্য্যয়ক্ৰমে ব্যৱস্থাগ্ৰহণ কৰিবলৈ যাওঁতে আপোনালোকে নিশ্চয় গম পায় যে 'ক' শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে তাৰ restructuring টো আমি ঘোষণা কৰিছো। যি পাঠ্যক্ৰম আছে তাৰ সালসলনি হ'ব। আপোনাসকলেওঁ গম পায় যে, ইতিমধ্যে বঙাইগাওঁ কেবিনেটে এপ্ৰোভেল দিলে যে আমি আমাৰ ইলিমেন্টৰী এডুকেশ্যন আৰু চেকেণ্ডৰী এডুকেশ্যন যি আছিল তাক আমি পুনৰ বিন্যাস কৰিছো আৰু তাক আমি প্ৰাথমিক শিক্ষা সঞ্চালকালয়ৰ অধীনত থকা ষষ্ঠ, সপ্তম আৰু অষ্টম এই শ্ৰেণীকেইটা আমি চেকেণ্ডৰী এডুকেশ্যনত আনি - চেকেণ্ডৰী এডুকেশ্যনক নতুনকৈ স্কুল এডুকেশ্যন হিচাপে তাক নামাকৰণ কৰিছো। এইটো কৰাৰ বিভিন্ন কাৰণ আছে । এই কাৰণ খিনি মই বিভিন্ন প্ৰচাৰ মাধ্যমতো কৈছো। আমি বিজ্ঞানৰ ওপৰত গুৰুত্ব দিব বিচাৰিছো । অংকৰ ওপৰত গুৰুত্ব দিব বিচাৰিছো। ইংৰাজী শিক্ষাৰ ওপৰত গুৰুত্ব দিব বিচাৰিছো , আমাৰ শিক্ষাৰ মানদণ্ডটো উন্নত কৰিব বিচাৰিছো। উচ্চ শিক্ষাৰ ক্ষেত্ৰত কিছুমান ইন্টাভেনশ্যন ইতিমধ্যে আৰম্ভ হৈছে। স্কুলত যেনেকৈ আমি ফোৰ প্লাচ থ্ৰি প্লাচ ফাইভ প্লাচ থ্ৰি প্লাচ আমি কৰিলো । মই আৰম্ভনিতে কৈছিলো যে, এডুকেশ্যন পলিচিৰ আন এটা অৱজেক্টিভ যে ষ্টুডেন্ট চেন্ট্ৰিক এডুকেশ্যন কৰিব লাগে। ষ্টুডেন্ট চেন্ট্ৰিক কেনেকৈ হ'ব ? মাননীয় ভৰত নৰহ ডাঙৰীয়াই কেইটামান প্ৰশ্ন কৰিছে , সেই কেইটাৰো মই উত্তৰ দিম। কাৰণ সেইকেইটাও আমি জানিবলগীয়া কথা । আজিৰ শিক্ষা ব্যৱস্থাটো হ'ল - টুৱেলভৰ পিচত উচ্চ শিক্ষা আৰম্ভ হৈ আৰু ডিগ্ৰি হয়। এই ডিগ্ৰিটো ৩ বছৰীয়া, মই এবছৰ পঢ়িলো , তাৰ পিচত মই আৰু পঢ়িব নোৱাৰো এতিয়া মই ড্ৰ'প আউট হৈ ওলাই যাম তেতিয়া মই কোনো চাৰ্টিফিকেট নাপাওঁ । দুই বছৰ বঢ়াৰ পিচত মই ওলাই গ'লো

তেতিয়াও মই কোনো চাৰ্টিফিকেট নাপাওঁ । ৩ বাৰ পঢ়িও মই ফাইনেলটো দিব নোৱাৰিলো তেতিয়াও মই কোনো চাৰ্টিফিকেট নাপাওঁ । কিন্তু এতিয়াও মতুন শিক্ষা ব্যৱস্থাত কৈছে যে ষ্টুডেন্ট চেন্ট্ৰিক মানে আমি ছাত্ৰজনক সহায় কৰিব লাগিব। তেওঁৰ শিক্ষাটো ক'ৰবাত ব্ৰেক হ'ব পাৰে। সেই কাৰণে এই কেৰিকুলামটো এনেধৰনে প্ৰস্তুত কৰা হ'ব যে যদি তেও ডিগ্ৰি ৩ বছৰ পঢ়ি ওলাই যায় তেন্তে তেওঁ এখন চাৰ্টিফিকেট পাব । যদি তেওঁ দুইবছৰ পঢ়ি ওলাই যায় তেন্তে তেও এখন ডিপ্ল'মা পাব । ৩ বছৰ পঢ়ি ওলাই গ'লে তেওঁ এখন ডিগ্ৰি পাচ চাৰ্টিফিকেট পাব । তেওঁ যদি ৪ বছৰ পঢ়ি ওলাই যায় তেন্তে তেও এখন গ্ৰেজুৱেট প্লাচ ৰিৰ্চাচ বা অনাৰ্চ ডিগ্ৰী লৈ ওলাই যাব আৰু ৫ টা বছৰ সম্পূৰ্ণ কৰিলে তেও মাষ্টাৰ ডিগ্ৰী লৈ ওলাই যাব। এতিয়া যিজন ছাত্ৰই কিবা কাৰণত চাৰ্টিফিকেট কোৰ্ছটো কৰি চাৰ্টিফিকেট লৈ ওলাই গ'ল তেওঁক এটা নিৰ্দ্দিষ্ট সময় দিয়া যাব, তেওঁ যদি সেই নিৰ্দ্দিষ্ট সময়ত ঘূৰি আহে তেন্তে তেওঁ আৰু এবছৰ পঢ়ি ডিপ্ল'মাখন লৈ যাব পাৰিব। সেই নিৰ্দ্দিষ্ট সময় ৫ বছৰ ৬ বছৰ আনিৰ্দ্দিষ্ট কাললৈ নহয়। সেই নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত তেওঁ ঘুৰি আহি ডিগ্ৰিটো লৈ যাব পাৰিব। অৰ্থ্যাৎ কিবা কাৰণত শিক্ষাটো তেওঁৰ গেপ বা আধৰুৱা হ'লেও যাতে ছাত্ৰ-ছাত্ৰী গৰাকী ক্ষতিগ্ৰস্থ নহয়। ইয়াত আজি একাডেমিক বেংক অৰ ক্ৰেডিটৰ কথা কোৱা হৈছে। একাডেমিক বেংক অৰ ক্ৰেডিট হৈছে মই যদি একেবাৰে চিম্পল ভাষাতো বুজাবলৈ যাওঁ । আজিকালিতো সকলোৰে জানে ধৰক এচ বি আইৰ পৰা এইচ ডি এফ চি বেংককলৈ এটা ক্লিকতেই পইচাটো ট্ৰেন্সফাৰ কৰি দিব পাৰো। আজি ইউনিৰ্ভাচিটিবিলাকৰ মাজত ক'লাবোৰেশ্যন হ'ব। ইয়াৰ ফলত ছাত্ৰ এজনে তেওঁৰ পাঠ্যক্ৰমৰ কোনোবা এটা চাবজেক্ট বা ট'পিকৰ ক্ৰেডিট এখন বেলেগ বিশ্ববিদ্যালয়ত গ্ৰহণ কৰি নিজৰ যি পেৰেন্ট ইউনিভাৰ্চিৰ্তি সেইটো সংযোগ কৰিব পাৰিব অৰ্থ্যাৎ তেখেতৰ এটা একাডেমিক বেংক একাউন্ট থাকিব । সেই একাডেমিক বেংক একাউন্টত তেওঁ গুৱাহাটী ইউনিৰ্ভাচিটিত এটা টপিকত অধ্যয়ণ কৰি আছে তাৰ পিচত তেওঁ এটা ব্ৰেক লৈ ডিব্ৰুগড় ইউনিৰ্ভাচিটিত গৈ আন এটা টপিকত অৰ্থ্যাৎ যিটো গুৱাহাটী ইউনিৰ্ভাচিটিত নাই। সেইটো টপিকত ডিব্ৰুগড় বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি তাতে তেওঁ এটা গ্ৰেডিট ল'লে আৰু সেই ক্ৰেডিটটো ডিব্ৰুগড় ইউনিৰ্ভাচিটিৰ পৰা ট্ৰেন্সপাৰ হৈ আহি গুৱাহাটী ইউনিৰ্ভাচিটি লৈ আহিব। তাৰ পিচত তেওঁ যেতিয়া চাৰ্টিফিকেট পাব, তেওঁৰ ক্ৰেডিট তৃতীয় এখন বিশ্ববিদ্যালয়ে যেতিয়া চেক কৰিব । তৃতীয় বিশ্ববিদ্যালয়ে একেলগে যিহেতু তেওঁ ৫ পইন্ট ডিব্ৰুগড় ইউনিভাৰ্চিটিৰ পৰা পাইছে তেতিয়া ৫ পইন্ট গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পাইছে তেতিয়া এই তৃতীয় বিশ্ববিদ্যালয়খনে তেওঁৰ ১০ পইন্টটোক স্বীকৃতি দিব। যাতে ছাত্ৰগৰাকীৰ সহায়ক হয়। Multy diciplinary Education Institution বিলাক হ'ব গুৱাহাটী আই আই টি কোৰ্চবিলাক আপোনালোকে গুগল কৰি যদি চায়, আই আই টি মানে আমি বুজি পাওঁ যে ইণ্ডিয়ান ইনষ্টিটিউট অব টেকন'ল'জি গতিকে এইটো এটা হাই লেভেলৰ ইঞ্জিনিয়াৰিং ইনষ্টিটিউট- ইয়াত কেৱল ইঞ্জিনিয়াৰিং শিক্ষা হয় বুলি বহুতৰে ধাৰণা আছে কিন্তু আই আই টিত গুৱাহাটীত এম এ ইন ডেভ'ল'মেন্টেল ষ্টাডিছ অৰ্থ্যাৎ আৰ্টছ বিষয় আছে। তাত হিউমেনিটিছ আছে। তাত কেৱল বি.টেক, এম . টেক নহয় এনে নহয় তাত এম এ, এম এচ চি ডিগ্ৰিয়ো প্ৰদান কৰে। মেথেমেটিক্সও আছে। মাল্টি ডিচিপ্লিনেৰী ইনষ্টিটিউট - আই আই টি, গুৱাহাটী। আজি আমাৰ যিবিলাক ইনষ্টিটিউশ্যন সেইবিলাক ইষ্টিটিউশ্যনৰ স্কোপ অফ ষ্টাডিছ যাতে মেডিকেল পঢ়া মানুহ এজনৰ যদি কিবা আৰ্টচ ফেকাল্টি আছিলেও, তেওঁৰ যদি আৰ্টচ বা কমাৰ্চৰো কিবা প্ৰতিভা আছিল , সেইখিনিৰ পৰা আঁতৰি গৈ চিকিৎসা ব্যৱস্থাৰ মাজত সোমাই যায়, চোচাইটীৰ পৰাও বহু পৰিমানে আঁতৰি যায়। গতিকে

ছাত্ৰজনে যাতে চোচাইটীৰ  লগত সংস্পৰ্শ থাকে আৰু সকলো বিষয়ৰ লগত জড়িত হৈ থাকে আৰু প্ৰয়োজন সাপেক্ষে যাতে অধ্যয়ণ কৰিব পাৰে তাৰ বাবে এই  মাল্টি ডিচিপ্লিনেৰী ইনষ্টিটিউট বিলাক কৰিব বিচৰা হৈছে।  আৰু ইয়াৰো কোৰ্চ কেৰিকুলাম কেনেকুৰা হ'ব সেই বিষয়ে বিভিন্ন পৰ্য্যায়ত আলাপ আলোচনা হৈ আছে। অসমতো আমি আলোপ আলোচনা কৰিছো। অহা ২৮ তাৰিখে আমাৰ প্ৰাইভেট বিশ্ববিদ্যালয়কে ধৰি আটাইকেইখন বিশ্ববিদ্যালয়ক সামৰি তাৰে যিসকল মাননীয় উপাচাৰ্য্য আছে তেখেতসকলক লগত লৈ আমি আলোচনাত বহিম। যে আমাৰ ইয়াতে কোৰ্চ কেৰিকুলাম কেনেকুৰা হ'ব ইনফ্ৰাচট্ৰাকচাৰটো কেনেকুৰা হ'ব। লগতে গ্ৰেজুৱেট কোৰ্চ, পোষ্ট গ্ৰেজুৱেট কোৰ্চ কেনেকুৰা হ'ব এই গোটেই খিনি ৰূপৰেখা প্ৰস্তুত কৰাৰ কাৰণে আমি আলোচনাত মিলিত হ'ম। যাতে আমি ষ্টুডেন্ট ফ্ৰেণ্ডলী ব্যৱস্থা এটা দিব পাৰো। ক্লাষ্টাৰ কলেজ বা ইউনিভাৰ্চিটিৰ কথা কৈছে, অটোনোমাচ কলেজৰ কথা কৈছে। এতিয়া আমাৰ ইয়াত ইউনিৰ্ভাচিটিৰ যিটো কনচেপ্ট আছে তাৰ ৰুল কি  ? আমাৰ ইউনিভাচিৰ্টিৰ অধীনত কলেজবিলাক থাকে , এই কলেজবিলাকক কওঁ এফিলিয়েটেড কলেজ  । এফিলিয়েটেড ৰ মিনিঙটো  হ'ল যে  কলেজ বিলাক ইউনিৰ্ভাচিটিৰ নহয় কিন্তু এই কলেজবিলাকৰ ডিগ্ৰি প্ৰদানটোহে ইউনিৰ্ভাচিটিৰ হাতত থাকে।  ইউনিৰ্ভাচিটিৰ কামটো হ'ল পৰীক্ষা পতা আৰু তাৰ পিচত ডিগ্ৰি দিয়া। অন্যধৰনৰ দায়বদ্ধতা নাথাকে।  যেতিয়া আমি কনষ্টিটুৱেন্ট কলেজ বুলি কওঁ সেইখন কনষ্টিটুৱেন্ট কলেজখন হ'ল ইউনিৰ্ভাচিটি খনৰ নিজা কলেজ। আমি যেতিয়া "Mahapurush Sankar Dev University, (amendment) Bill  টো আনিছো তাত তেওঁলোকে ৪ টা কনষ্টিটুৱেন্ট ইউনিট চেন্টাৰ বনাব খুজিছে । অৰ্থ্যাৎ য'ত য'ত চেন্টাৰ বনাব সেইবিলাক শংকৰদেব ইউনিভাৰ্চিটিৰ নিজা ক'লেজ হ'ব। এইকেইখন তেওঁলোকৰ এফিলিয়েটেড নহয়। কাৰণ এইখন প্ৰাইভেট ইউনিভাচিৰ্টিয়ে এফিলিয়েশ্যন দিবই নোৱাৰে গতিকে তেওলোকে নিজৰ কলেজ কৰিব লাগিব। এই ডিগ্ৰি দিয়া  ইউনিৰ্ভাচিটি  কেৱল ইউনিভাৰ্চিটিৰ হাততেই কিয় সীমাবদ্ধ থাকিব লাগে। এতিয়া অটোনোমাচ কলেজ বুলি যদি কওঁ এই অটোনোমাচ কলেজৰ বেচিক আইডেনটিটিটো হ'ল - দিছ আৰ ডিগ্ৰি গিভিং ইনষ্টিটিউট, অটোনোমাচ কলেজখনে  ডিগ্ৰি প্ৰদান কৰিব পাৰিব। এতিয়া নৰ্থ লক্ষীমপুৰ অটোনোমাচ কলেজ, নগাওঁ অটোনোমোচ কলেজ, জগন্নাথ  বৰুৱা অটোনোমাচ  কলেজ হৈছে ।  অৰ্থ্যাৎ তেওলোকে আৰু এতিয়া  ইউনিভাচিটি  এফিলিয়েটেড কলেজ নহয়। তেওলোকে নিজে পৰীক্ষা পাতি নিজেই ডিগ্ৰি প্ৰদান কৰিব কিন্তু তাতো এটা টিছিং প্ৰব্লেম  আছে।  তেওলোক যিহেতু  নতুনকৈ হৈছে।

**শ্ৰীভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** তাৰ মানে চিষ্টেমটোত মাল্টিপুল এন্ট্ৰি  আৰু  মাল্টিপুল এক্সিট কৰা হৈছে।

**ডঃ ৰণোজ পেগু (শিক্ষামন্ত্ৰী) ঃ** হয় , সেইটোকে কোৱা হৈছে-  মাল্টিপুল এন্ট্ৰি  আৰু মাল্টিপুল এক্সিট  । ধৰি লওঁক ডিপ্ল'মা কৰি লৈ ডিগ্ৰীও কৰিব পাৰে। তেওঁ মাজত সোমাই যায় লেটাৰেল এন্ট্ৰি বুলি কৈ দিওঁ  । অৰ্থ্যাৎ এই যে, মাল্টিপুল এন্ট্ৰি আৰু মাল্টিপুল এক্সিট  তেওৰ  ডিগ্ৰি কোৰ্চত পোষ্ট  গ্ৰেজুৱেট কোৰ্চত বিভিন্ন পৰ্য্যায়ত  মাজতেই সোমাব পাৰিব  । বৰ্ত্তমান ফাৰ্ষ্ট ইয়েৰত সোমাব লাগে  কিন্তু নতুন এডুকেশ্যন চিষ্টেমত পাষ্ট এডুকেশ্যনৰ ওপৰত বেচ কৰি  ডাইৰেক্ট চেকেণ্ড ইয়েৰ বা থাৰ্ড ইয়েৰতো সোমাব পাৰিব  । যদি কোনোবা ছাত্ৰৰ ডিপ্ল'মা কোৰ্চটো কৰি থোৱা আছে। কিন্তু  এই কথা খিনি মই ধাৰণামূলক কথা কৈছো ।  কাৰণ ইয়াৰে চুডান্ত ৰূপটো অহা ২৮ তাৰিখৰ মিটিঙৰ পিচতহে হ'ব।

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** এতিয়া আৰু আপোনাৰ লগত  তেওঁলোকৰ কোনো ধৰণৰ

যোগাযোগ নাথাকিব। সেই ট্ৰেইনিং খিনি তেওঁলোকক দিলে নে কেনেধৰণৰ কথাখিনি হ'ল, তেওলোকেটো এতিয়া সেই ব্যৱস্থাৰ আগতে।

**ডাঃ ৰণোজ পেগু (শিক্ষামন্ত্ৰী) ঃ** তেওঁলোকে বৌদ্ধিক সক্ষমতা কৰিছে ইতিমধ্যে, কৰিছে কাৰণে অটোনামাচটো পাইছে। সকলো কলেজে অটোনমাচ কলেজ নাপায়। তাত আন্তঃগাঁথনি আছে, অন্য ধৰণৰ বৈদ্ধিক সক্ষমতা আছে, নিৰ্দিষ্ট কিছুমান Criteria আছে তাৰ ভিত্তিতহে এই অটোনমাছ কলেজ ষ্টেটাছটো তেওঁলোকে পাইছে। এতিয়া চলোৱাৰ ক্ষেত্ৰত এতিয়াও, মই জানো নগাঁও মহাবিদ্যালয়ক গুৱাহাটী বিশ্ববিদ্যালয়ে সহায় কৰি আছে। মানে hand holding এটা পৰ্য্যায়লৈকে এটা hand hold কোনোবা বিশ্ববিদ্যালয়ে কৰিব লাগিব, Finally তেওঁলোক independent হৈ যাব।

**শ্ৰীদুৰ্গা দাস বড়ো (কলাইগাঁও) ঃ** ৩০ শতাংশ নিজা সমল ল'ব পাৰে, এই নিজা সমলটো কি কৈছে?

**ডাঃ ৰণোজ পেগু (শিক্ষামন্ত্ৰী) ঃ** নিজা সমল মানে যদি আমি খবৰ কৰো, বহু মহাবিদ্যালয়ে তেওঁলোকে তেওঁলোকৰ নিজস্ব ৰিচোৰ্জ নিজস্ব ৰাজহ কেৱল চৰকাৰৰ ওপৰত Dependent নোহোৱাকৈ বা কেৱল ছাত্ৰ-ছাত্ৰীৰ মাচুলৰ ওপৰত ভিত্তি নকৰি নিজা সমল সৃষ্টি কৰিব লাগে। বকো মহাবিদ্যালয় আছে, বকো মহা বিদ্যালয়ে খুব সুন্দৰ ৰবাৰ খেতি কৰিছে বহু পইচা তেওঁলোকে উপাৰ্জনো কৰিছে। তেনেকুৱা বহু কেইখন মহাবিদ্যালয় আছে তেওঁলোকে নিজস্ব ৰিচোৰ্জ তেওঁলোকে উন্নয়ন কৰিছে, যাতে কলেজখন self sustaining হ'ব পাৰে। সেই কথাখিনি অটোনমাচ কলেজৰ লগত আছে। মাননীয় ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই জানিব বিচাৰিছিল যে Cluster University . বহু ঠাইত ৪-৫ খন কলেজ মিলি এখন বিশ্ববিদ্যালয় হব পাৰে। ৪-৫ খন কলেজ মিলি তেওঁলোকে এটা ক্লাচটাৰ ফৰ্ম কৰিলে, জম্মুত আছে ইতিমধ্যে Cluster University .

**শ্ৰীৰকিবুল হুছেইন (চামগুৰি) ঃ** এইটোত কোনে দিব?

**ডাঃ ৰণোজ পেগু (শিক্ষামন্ত্ৰী) ঃ** UGC য়ে। এতিয়ালৈকে UGC আছে, UGC য়ে দিব। কিন্তু লাহে লাহে নতুন শিক্ষা নীতিত এইটো কৈছে যে UGC ও নাথাকিব। ইয়াতে Higher Educatoin Commission ৪ টা হ'ব। Academic control, Administrative regulation বেলেগ বেলেগ সন্থাই কৰিব। Immediately UGC দিব।

**শ্ৰীদিগন্ত বৰ্মন (বৰক্ষেত্ৰী) ঃ** চাৰ, UGC ৰ পৰা নাগটো বাহিৰ হৈ গ'লে বেলেগ এটা কমিচন হ'ব নেকি?

**ডাঃ ৰণোজ পেগু (শিক্ষামন্ত্ৰী) ঃ** হয়, UGC ৰ ঠাইত ৪ টা নতুন কমিচনাৰ।

**শ্ৰীদিগন্ত বৰ্মন (বৰক্ষেত্ৰী) ঃ** আৰু M phil টো গুচি যাব। নেকি?

**ডাঃ ৰণোজ পেগু (শিক্ষামন্ত্ৰী) ঃ** M. Phil টো এতিয়া নাইয়ে আৰু। ইয়াৰ লগে লগে শিক্ষক শিক্ষাটোত নতুন শিক্ষা নীতিয়ে যথেষ্ট গুৰুত্ব প্ৰদান কৰিছে। যিসকলে শিক্ষকতা কৰি আছে সেই শিক্ষকতা কৰি থকা সকলৰ কাৰণে ৫০ ঘন্টাৰ ট্ৰেইনিং তেওঁলোকৰ বাবে বাধ্যতামূলক কৰা হৈছে আৰু এই ৫০ ঘন্টাৰ ট্ৰেইনিঙৰ ৰূপৰেখাটো প্ৰস্তুত কৰা হৈছে। এতিয়া শিক্ষক হ'বৰ কাৰণে আমাক ডি এল এড লাগে প্ৰাথমিক শিক্ষাৰ কাৰণে, অন্য শিক্ষাৰ কাৰণে বি এড লাগে। আপোনালোকে শুনি আছে যে এতিয়া বি এডৰ ঠাইত Intrigrated B. ed হ'ব। কিন্তু Intrigrated B. ed হ'ব আৰু ডি এল এড নাইকিয়া হৈ যাব বুলি কৈছে। কোনেও এইটোত আতংকিত হ'ব নালাগে।

এইটো Fresh manner ত যাব। ২০৩০ চনৰ পিছত ডি এল এড ডিপ্লমাটো আৰু প্ৰয়োজন নহয় বা সেইটো কাৰ্য্যকৰীও নহয়। ২০৩০ চনৰ পাছত যদি ডি এল এড লৈ কোনেও চাকৰি যদি নাপায় তেনেহলে শেষ নামভৰ্ত্তি ডি এল এড ৰ হয়তো ২০২৬ বা ২০২৭ চনলৈকে হ'ব। ২০২৭ ত হোৱা সকল ওলাই আহিব তেওঁলোকে সেই Last batch ত যি সকলে নামভৰ্ত্তি পালে, পালে। ঠিক তেনেকৈ বি এড ডিগ্ৰীৰ কাৰণেও আমাৰ প্ৰত্যেকখন কলেজত Intrigrated B. ed Course বা অন্য বি এড কোৰ্চ, বি এ বিএড, বি এচ চি বি এড, সেই খিনিৰ কাৰণে আমি প্ৰস্তুত কৰি তুলিব লাগিব, তাৰ আমি প্ৰস্তুতি কৰিছোঁ। বি এড কলেজ বিলাকৰ কি হ'বঙ্গ যিহেতুকে বি এড কলেজ বিলাকে তেওঁলোকে অন্যান্য বিষয়, বিভাগ, তেওঁলোকে আয়ত্ব কৰি লৈ কলেজ খনত খুলি সেইকেইখন একো একোখন জেনেৰেল কলেজ হৈ যাব। মূলতঃ তেওঁলোকে Intrigrated B. ed Course এই কলেজখিনিয়ে চলাব পাৰিব। কিন্তু সেইটোৰ কাৰণেও আমাৰ যিটো টাইমলাইন দিয়া আছে সেই টাইমলাইনটো হ'ল ২০৩০ চনলৈকে, অৰ্থাৎ ২০৩০ চনৰ আগত এই গোটেইখিনিৰ তেওঁলোকে প্ৰস্তুতি সম্পূৰ্ণ কৰি ল'ব লাগিব। এতিয়া মই শেষ কথাটোলৈ আহো। কাৰণ গোটেইখিনি কথা দুই আঢ়ৈ ঘন্টা নহ'লে মই ক'ব নোৱাৰো। বিত্তৰ কথাটো বহুতে প্ৰশ্ন কৰি আছে, বিত্ত কোনে দিব কেনেকৈ হ'ব, আজি কেবিনেটো আছে। Existing আমাৰ যি ৰিচোৰ্জ আছে existing resource টোৰ optimizition টোত আমি প্ৰাথমিক গুৰুত্ব প্ৰদান কৰিছোঁ। Existing resource কি আছেঙ্গ Early childhood education ৰ কাৰণে existing resource আছে অঙ্গনাবাড়ীৰ কৰ্মী, অঙ্গনাবাড়ীৰ সহায়িকা। তেওঁলোকৰ কাৰণে আপোনালোকে কৈ গ'ল। প্ৰশিক্ষণৰ ব্যৱস্থা, প্ৰশিক্ষণৰ ৰূপৰেখা প্ৰস্তুত হৈ গৈছে, যি সকল প্ৰশিক্ষক তেওঁলোকৰ প্ৰশিক্ষক তেওঁলোকৰ প্ৰশিক্ষণ হৈ গৈছে। প্ৰথমতে, প্ৰশিক্ষক সকলৰ প্ৰশিক্ষণ হ'ব লাগিব, সেই প্ৰশিক্ষণ আমাৰ আৰম্ভ হৈ গ'ল আৰু বহুখিনি ট্ৰেইনিং অনলাইন ব্যৱস্থাৰ যোগেদিয়ে তেওঁলোকক আমি প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিম। এইটো অকল নহয় যে কেৱল অনলাইন হ'ব। অনলাইন অফলাইন আমি combined কৰি প্ৰশিক্ষণ দিম। বাকী আমাৰ যি শিক্ষক আছে, Teacher pool আছে, এই Teacher pool ৰ optimizition টো আমি প্ৰথম কৰিম আৰু optimizition ৰ জৰিয়তে আমি সমস্যাখিনি সমাধান কৰিবৰ কাৰণে চাম। আন্তঃগাথনিত মই ইতিমধ্যে কৈছো যে চৰকাৰে এক বৃহৎ পুঁজি বিনিয়োগ এই ২০২১-২২, ২০২২-২৩ বৰ্ষত বৃহৎ পুঁজিৰ বিনিয়োগ চৰকাৰ খনে কৰিব আৰু মাননীয় বিধায়ক সকলক মই অনুৰোধ জনাম যে আপোনালোকৰ হাতত য'ত যেনেকুৱা তথ্য থাকে যিখিনি আপোনালোকে মোক ফিডবেক দিব বিচাৰে সেইখিনি Whatsapp, facebook messenger যোগেও সেই তথ্যখিনি দিবৰ কাৰণে মই আপোনালোকক অনুৰোধ জনাইছোঁ।

**শ্ৰীভৰত চন্দ্ৰ নৰহ (নাওবৈচা) ঃ** ৰাভা, মিচিং আদিৰ শিক্ষাৰ ক্ষেত্ৰত।

**ডাঃ ৰণোজ পেগু (শিক্ষামন্ত্ৰী) ঃ** শিক্ষাৰ মাধ্যমটোত মই এটা কথা প্ৰথমতে স্পষ্ট কৰি দিওঁ মই সিদিনা গোপীনাথ বৰদলৈ হলত মই কৈছো যে শিক্ষাৰ বাবে ভাষা, ভাষাটোৰ বাবে শিক্ষা নহয়। এই কথাটো ক্লিয়াৰ থাকিব লাগে। ছাত্ৰ-ছাত্ৰীক শিক্ষা দান কৰিবলৈ আমাক ভাষাটো লাগে, ভাষাৰ কাৰণে ছাত্ৰ-ছাত্ৰীতো নহয়। এই প্ৰিন্সিপ'ল লৈ ইতিমধ্যে আমাৰ বিভিন্ন সাহিত্য সভা সমূহৰ লগত আলোচনা অনুষ্ঠিত হৈ গৈছে, দুই লানি আলোচনা অনুষ্ঠিত হৈ গৈছে, আৰু তেওঁলোকৰ লগত আমি আলোচনা সাপেক্ষে পাঠ্যপুথি প্ৰস্তুতকৰণৰ কাম আমাৰ আগবাঢ়িছে। আমাৰ প্ৰত্যেকটো ভাষা আনকি কোনো অঞ্চলৰ কঠিত ভাষাটোতো আমি প্ৰথম প্ৰৰ্য্যায়ত প্ৰাক-প্ৰাথমিকত তেওঁলোকক

শিক্ষা দান কৰাৰ কাৰণে আৰু তাৰ কাৰণে প্ৰথম শিকন সামগ্ৰী প্ৰস্তুত কৰাৰ কাৰণে সকলো কাৰ্য্য ব্যৱস্থা আমাৰ State Education Council Research & Training তেওঁলোকে আৰম্ভ কৰিছে। এই কথাখিনি মই আপোনালোকক জনালো আৰু শিক্ষা ব্যৱস্থাটো ঠিক কৰিব লাগে ইয়াতটো আৰু কোনো ৰাজনীতি নাই। গতিকে যেনেকৈ দিগন্ত বৰ্মন ডাঙৰীয়াই কৈছে, মই সকলো বিধায়ককে প্ৰয়োজনীয় তথ্য বিলাক যোগান ধৰি থাকো আৰু আপোনালোকৰ পৰাও যিখিনি প্ৰয়োজনীয় ফিডবেক থাকে সেই ফিডবেকখিনি মোলৈ সময়ে সময়ে পঠিয়াই দিবৰ কাৰণে মই অনুৰোধ জনালোঁ। আজি যি সকলে লিখিত বক্তব্য দাঙি ধৰিছিল সেইখিনিও মোক দিবলৈ অনুৰোধ জনালোঁ আৰু যি সকলে মৌখিক ভাৱে ক'লে তেওঁলোককো ক'লো কথা কেইটা মোক লিখি দিলে আমাৰ টিম আছে টিমত আলোচনা কৰি সেইখিনিক আমি গুৰুত্ব কৰিম, সেই প্ৰতিশ্ৰুতি মই ৰাখিছো আৰু এই কথাকেইটা কৈ আপোনালোক সকলোকে দিহা পৰামৰ্শৰ বাবে ধন্যবাদ জনাই মোৰ বক্তব্য সামৰণি মাৰিছোঁ।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ** মন্ত্ৰী ডাঙৰীয়া, এটা clarification লাগে পাঠ্যপুথিৰ সম্পৰ্কত, পাঠ্যপুথিটো চেন্ট্ৰেলি কৰিব, কিন্তু আমি দেখিছো বিদেশত আমেৰিকা আদিত কাৰিকোলামটো চেন্ট্ৰেলাইজ হয়, কিন্তু পাঠ্যপুথিটো আমাৰ ইয়াত কোৱা হৈছে national & local flavour. এতিয়া local flavour কোন পৰ্য্যায়লৈকে যাব আৰু national যদি হয় হয়তো national দি কাৰিকুলামটো থাকক, পাঠ্য পুথিটো যদি হয়।

**ডাঃ ৰণোজ পেগু (শিক্ষামন্ত্ৰী) ঃ** পাঠ্যপুথি চি আৰ টিয়ে প্ৰস্তুত কৰে পাঠ্যপুথি আমাৰ চেবা হায়াৰ চেকেণ্ডাৰীৰ শিক্ষা পৰিষদ তেওঁলোকে পাঠ্যপুথিটো প্ৰস্তুত কৰে। আমাৰ টেক্সবুক কৰপৰেচন আছে তেওঁলোকে প্ৰিন্ট কৰি বিতৰণ কৰে। যোৱাবাৰ কভিড পৰিস্থিতিৰ মাজত মই বিশেষ জিলা প্ৰশাসনৰ পৰা অনুমতি লৈ বিভিন্ন স্থানৰ পৰা বাইণ্ডাৰ বিলাক আনি মই তেওঁলোকক কাম কৰাই সময়মতে কিতাপ খিনি যোগান ধৰিছো। এইবাৰো কিতাপ বিলাক পাব । কিন্তু ষ্টেটৰ পৰা জিলালৈকে কিতাপ.....

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ** মন্ত্ৰী ডাঙৰীয়া মই সেইটো সমস্যাৰ বিষয়ে কোৱা নাই , সমস্যাটো মোৰ বেলেগ । এই নতুন শিক্ষানীতিত যিটো পাঠ্যপুথি কৰিব, সেইটো এন চি আৰ টিয়ে কৰিব। কিন্তু মোৰ কথাটো হৈছে তাত যিটো আছে National and local......

**শ্ৰী ৰণোজ পেগু (মন্ত্ৰী) ঃ** NCERT য়ে আৰ্হিটো প্ৰস্তুত কৰে।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ (সৰভোগ) ঃ** ৰাজ্য চৰকাৰে যদি পাঠ্যপুথি তৈয়াৰ কৰে তেতিয়াহ'লে মোৰ আপত্তি নাই । নহ'লে আমাৰ ল'ৰা-ছোৱালীয়ে বুৰঞ্জী শিকিব নাপাব ।

**শ্ৰী ৰঞ্জিত কুমাৰ দাস (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা কওঁ যে আজি এই বিষয়টো উলিওৱাৰ বাবে ধন্যবাদ জনাইছো আৰু লগতে এটা আহ্বান কৰিব বিচাৰিছো যে বিষয়টোত সন্দৰ্ভত আমি প্ৰতি গৰাকী সদস্যই বহু কথা জানিব লগীয়া আছে, আজি সদনৰ মজিয়াত উপস্থিতিৰ সংখ্যাও কম আগন্তুক দিনত এটা প্ৰথম হাফট যদি কাৰ্য্যসূচীতো লয় তেতিয়াহ'লে আমি বহুতো শিকিব পাৰিম বুলি মই ভাবো। মই আহ্বান জনাইছো আকৌ এই বিষয়টো ৰিপিট কৰিব লাগে ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এইবাৰ অধিবেশনটোৰে এনেকুৱা আছিলে যে শুক্ৰবাৰ পৰিলে, যিটো মাজত আমাৰ গেপ থাকে আৰু ইয়াৰ লগতে লোকসভাৰ মাননীয় অধ্যক্ষ ডাঙৰীয়াই অহাৰ কাৰণে ১ ঘন্টা পলমকৈ বহিব লগীয়া হ'ল । আহি থকা দিনটোত আমি অন্য দিনত কৰিম আৰু শেষৰ দিনত নহয়, পাৰিলে ২-৩ দিন আগতে কৰি লম । এতিয়া আমাৰ ইতিমধ্যে বিভাগীয় মন্ত্ৰী

ডাঙৰীয়াই উত্তৰ দিলে কিন্তু ইয়াৰ বাহিৰেও আমাক ৯০ দিনৰ ভিতৰত বিভাগৰ পৰা লিখিত যিখিনি ষ্টেটমেন্ট দিব আৰু মন্ত্ৰী মহোদয়কো মই অনুৰোধ কৰিছো যে ৯০ দিনৰ ভিতৰত ইয়াৰ ওপৰত যিটো ষ্টেটমেন্ট সেইয়া যেন সময় সাপেক্ষে পায় আৰু সকলো সদস্যক যাতে বিতৰণ কৰি দিব পাৰো। পৰৱৰ্তী কাৰ্য্যসূচীত আমাৰ বিল আছে।

The Assam Micro, Small and Medium Enterprise..... কিবা ক'ব নেকি ?

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** আমাৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে ক'বলৈ সন্মতি প্ৰদান কৰিছে। আমি যোৱা পৰহি আমি সৰ্বদলীয় প্ৰতিনিধিৰ দল এটা গৈছিলো, দুৰ্গা দাস বড়োৱে প্ৰথমে পদক্ষেপ লৈছিল, পিছত আমি গৈছিলো, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক আমি ল'গ কৰিছিলো। ল'গ কৰি তিনিটা অনুৰোধ কৰিছিলো এটা হ'ল আমাৰ যিটো সুহৃদ আঁচনিৰ আগৰ ধন পৰি আছিলে সেই খিনি চৰকাৰে ঘূৰাই বিচাৰিছিলে আমি অনুৰোধ কৰিলো যে আগৰ খিনি আপুনি ঘূৰাই নিব নালাগে। মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাম যে ল'গে ল'গে তেওঁ অফিচাৰক মাতি আনি ইচু কৰক যে এই খিনি ঘূৰাই আনিব নালাগে । আৰু আপোনাৰ যোগেদি সংসদীয় পৰিক্ৰমা মন্ত্ৰীকো দ্বায়িত্ব দিছো খুব পজিটিভলি মুখ্যমন্ত্ৰী ডাঙৰীয়াই এম এল এ ফাণ্ডটো বঢ়োৱাৰ কথা কৈছে, মই আগতীয়াকৈ ধন্যবাদ জনাইছো যে তেওঁ এই ক্ষেত্ৰত চালে যে বহু বছৰ বঢ়া নাই গতিকে আগতীয়াকৈ আমাৰ ফালৰ পৰা এটা যিহেতু আজিৰ পৰা নহ'ব আৰু আমি ধন্যবাদ জনাইছো । তেখেতে কৈছে যে সুহৃদ আঁচনিটো মই চালিজাৰি চাম যদি হয় সেই খিনিও দিয়াৰ ব্যৱস্থা কৰিম। এম এল এ ফাণ্ডটো কমিটমেন্ট কৰিছে আৰু এইটো অৰ্ডাৰ দিছে, গতিকে এইটোৰ কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া "The Assam Micro, Small and Medium Enterprises (Facilitation of Establishment and Operation) (Amendment) Bill, 2021" সদনত উত্থাপন কৰিবলৈ আহ্বান জনালো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam Micro, Small and Medium Enterprises (Facilitation of Establishment and Operation) (Amendment) Bill, 2021" দফায়ে দফায়ে আলোচনা কৰাৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মই প্ৰস্তাৱটো সদনত ডাঙি ধৰিলো, সেইটো হ'ল - "The Assam Micro, Small and Medium Enterprises (Facilitation of Establishment and Operation) (Amendment) Bill, 2021" বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে,

তেখেত সকলে কওঁক "হয়"

যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক "নহয়"

মই ভাৱো "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে।

প্ৰস্তাৱটো সদনত গৃহীত হল।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ৩। বিধেয়ক খনৰ ২, ৩, আৰু ৪ নং দফা তিনিটাৰ সংশোধনী প্ৰস্তাৱ নাই। এতিয়া মই বিধেয়ক খনৰ বিধেয়ক খনৰ ২, ৩, আৰু ৪ নং দফা তিনিটা সদনৰ মজিয়াত ডাঙি ধৰিলো। প্ৰশ্নটো হ'ল- ২, ৩, আৰু ৪ নং দফা তিনিটা বিধেয়ক খনৰ অংশ হব।

যি সকল মাননীয় সদস্য সদস্যা
দফা কেইটাৰ সপক্ষে আছে, তেখেত সকলে কওঁক "হয়"
যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক "নহয়"
মই ভাৱো "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে।
২, ৩, আৰু ৪ নং দফা তিনিটা বিধেয়ক খনৰ অংশ হ'ল।

বিধেয়ক খনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰাম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই।এতিয়া মই বিধেয়ক খনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰাম্ভণ সদনত দাঙি ধৰিলো।
প্ৰশ্নটো হ'ল- বিধেয়ক খনৰ ১ নং দফা সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰাম্ভণ বিধেয়ক খনৰ অংশ হ'ব।

যি সকল মাননীয় সদস্য সদস্যা
দফাটোৰ সপক্ষে আছে, তেখেত সকলে কওঁক "হয়"
যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক "নহয়"
মই ভাৱো "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে, "হয়"ৰ সপক্ষে।
বিধেয়ক খনৰ ১ নং দফাৰ সংক্ষিপ্ত নাম, পৰিসৰ আৰু আৰম্ভণ বিধেয়ক খনৰ অংশ হ'ল।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় উদ্যোগ, বাণিজ্য মন্ত্ৰীক বিধেয়কখন পাৰিত কৰিবৰ কাৰণে অনুৰোধ জনালো।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** চাৰ, ইয়াত "The Assam Micro, Small and Medium Enterprises (Facilitation of Establishment and Operation) (Amendment) Bill, 2021" আনিছে, মই সেই বিলখনৰ সন্দৰ্ভত মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে- Notified Industrial Area and deem Industrial Area ত যি উদ্যোগ স্থাপন কৰা হ'ব তেখেতসকলৰ কাৰণে এইটো অনা হৈছে নেকি। যিবিলাকৰ মাটি Notified Industrial Area বা deem Industrial Area ত নাই, কিন্তু Commercial Land আছে, তেখেতসকলে উদ্যোগ প্ৰতিষ্ঠা কৰিব বিচাৰিলে তেখেতসকলে কি দৰে সুবিধা লাভ কৰিব সক্ষম হব?

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অচলতে অইখন MSME Act, 2021 খন অসম বিধান সভায়ে পাছ কৰিছে। দৰাচলতে, Except Fire and Electricity ৰ বাহিৰে আৰম্ভণিৰ ৩ বছৰ কোনো ধৰণৰ অনুমতি ল'ব নালাগে। কেৱল উদ্যোগ বিভাগৰ অয়ুক্তক নিজা মাটি থকা কথাটো জনাই এখন আবেদন কৰিলেই বিচৰা উদ্যোগটো প্ৰতিষ্ঠা কৰিব পাৰিব। কিন্তু তিনি বছৰৰ পাছত তেখেতে সকলো বিলাক অনুমতি ল'ব লাগিব। এটা উদ্যোগ প্ৰতিষ্ঠা কৰিবলৈ বহুতো নথি-পত্ৰ জমা দিব লগা হয়। দ্বিতীয়তে, Notified Area টো হ'ল Indusrtial Area অৰ্থাৎ উদ্যোগ প্ৰতিষ্ঠান থকা অঞ্চল, যেনেদৰে আমাৰ তেজপুৰ, বামুণীমৈদাম, মাটিয়া, দৰং আদি ঠাইত আছে বা deem Industrial Area টো হ'ল যেনে ছয়গাওঁৰ ছাতাবাৰী অঞ্চল, তাত বহুত Industry আছে। সেই এৰিয়াবিলাক ব্যক্তিগত মাটি কিনি তেওঁলোকে কৰিছে, সেইবিলাক ইণ্ডাষ্ট্ৰিয়েল এৰিয়া নহয়। গতিকে আমি সেই উদ্যোগিক এৰিয়াসমূহ 'ডিম ন'টিফাইড' বুলি কৈ দিওঁ। এইটো কোৰাৰ উদ্দেশ্যটো হ'ল, যেতিয়া ডিম ন'টি ফাইড এৰিয়াত কোনোবাই এটা উদ্যোগ কৰিব তেতিয়া ইমানবোৰ চাৰ্টিফিকেট

মানুহজনে বিচাৰি ফুৰিব নালাগে, কোনো ডিপাৰ্টমেন্টত ঘুৰি ফুৰিব নালাগে। ইয়াতে যিবিলাক ন'টিফাইড এৰিয়া আছে আৰু ডিম ন'টিফাইড এৰিয়া আছে, তাত এজন মেনেজাৰ থাকিব, District Manager, Industries & Commerce, ডি আই জি এমৰ ৰেঙ্কৰ হ'ব। যিজনে ডিম ন'টিফাইড এৰিয়াত ইণ্ডাষ্ট্ৰি কৰিব তেওঁৰ তাত দৰ্খাস্তখন দিব আৰু ন'টিফাইড অফিচাৰজনে প্ৰত্যেকটো বিভাগৰ ন'ডেল ন'টিফাইড অফিচাৰলৈ ইণ্ডাষ্ট্ৰি খোলাৰ বাবে ৩০ দিনৰ ভিতৰত পাৰ্মিশ্যন দিব লাগে বুলি চিঠি দিব। ৩০ দিনৰ ভিতৰত নিদিলে একচেপ্ট ফায়াৰ আৰু ইলেক্ট্ৰিচিটিৰ বাহিৰে বাকী বিলাক ডিম এপ্ৰোভ বুলি কোৱা হ'ব।তাৰ মানে অট'মেটিকেলি এপ্ৰোভ কৰা হ'ল। আপুনি কোৱামতে তাত পল্যুচনটো আছে। গতিকে এইটো ডিম এপ্ৰোভ হ'ব। আপোনাৰ শংকাটো মই বুজি পাইছো, কিয় আপুনি মোক এইটো সুধিছে। কিছুমান পল্যুটেড ইণ্ডাষ্ট্ৰি আছে , কোক্ ইণ্ডাষ্ট্ৰি বা অন্যান্য পল্যুটেড ইণ্ডাষ্ট্ৰি আছে সেইবিলাক নিগেটিভ লিষ্টত আছে, সেইবোৰ সাধাৰণতে উদ্যোগ বিভাগে পাৰ্মিশ্যন নিদিয়ে।

**শ্ৰীভৰত চন্দ্ৰ নৰহ (নাওঁবৈচা) ঃ** ইয়াত যিটো সংশোধনী আহিছে, সেইটো টি বোৰ্ডেও নামানে,কিয়নো টি বোৰ্ডৰ কণ্ডিশ্যন বেলেগ। টি বোৰ্ডে ৰাজ্যচৰকাৰক কৈছে এইবিলাক ,এইবিলাক লাগিব।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী, উদ্যোগ আৰু বাণিজ্য বিভাগ) ঃ** মই কব বিচাৰিছো যে আপুনি টি ফেক্টৰীত বটলিং ফেক্টৰী এটা যেতিয়া কৰিব , ইণ্ডাষ্ট্ৰিয়েল ডিম এৰিয়াত যদি কেইবাটাও ইণ্ডাষ্ট্ৰি আছে তাত আপুনিও কৰিব,তেতিয়া আপুনি বেলেগত যাব নালাগে। তাত যিজন জি,এম থাকিব,তেওঁৰ ওচৰত গ'লে হ'ল। লাইচেন্সও পাব। টি বোৰ্ডে আগতে লাইচেন্সৰ ক্ষেত্ৰত বহুত ৰেষ্ট্ৰিকশ্যন আনিছিল। যোৱা এটা বছৰৰ পৰা সেই ৰেষ্ট্ৰিকশ্যনবিলাক মই নিজে কষ্ট কৰি লাগি নাইকীয়া কৰিছো। গতিকে বটলিং ফেক্টৰী যদি আপুনি স্থাপন কৰে আপোনাৰ কোনো অবজেকশ্যন নাই। বৰ্তমান আই আৰ এছ অফিচাৰ এগৰাকী তাত দিয়া আছে, ই ডি, । গতিকে আপুনি বটলিং ফেক্টৰীৰ বাবে পাৰ্মিশ্যন পাব, ন' ইচ্যু ফৰ ডেট।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া, আপুনি নৰহ ডাঙৰীয়াৰ ওচৰত এজন অফিচাৰ পঠাই দিব,তেওঁ নৰহ ডাঙৰীয়াক বুজাব। হ'ব, ঠিক আছে। এতিয়া মই মাননীয় উদ্যোগ আৰু বাণিজ্য মন্ত্ৰীক বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী, উদ্যোগ আৰু বাণিজ্য বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়,"The Assam Micro, Small and Medium Enterprises (Facilitation of Establishment and Operation) (Amendment)Bill, 2021" পাৰিত কৰাৰ বাবে মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল- "The Assam Micro, Small and Medium Enterprises (Facilitation of Establishment and Operation) (Amendment)Bill, 2021" পাৰিত কৰা হওঁক।

যিসকল মাননীয় সদস্য, সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো পাৰিত কৰা হ'ল, বিধেয়কখনো পাৰিত কৰা হ'ল।

সন্মানীয় সদন, এতিয়া ঘোষণা আছে - অসম বিধান সভাৰ প্ৰাক্কলন সমিতিৰ সাময়িকভাৱে খালী হোৱা এটা সদস্য পদৰ বিপৰীতে নিৰ্বাচনৰ বাবে মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে যোৱা

ইংৰাজী ২০-১২-২০২১ তাৰিখে অসম বিধান সভাৰ মজিয়াত এটা প্ৰস্তাৱ উত্থাপন কৰিছিল।

একল সংক্ৰমণীয় ভোটেৰে আনুপাতিক প্ৰতিনিধিৰ নীতি অনুসৰি সদস্য সকলৰ মাজৰ পৰা সদনৰ দ্বাৰা এই সমিতিৰ সদস্য-সদস্যা সকলক নিৰ্বাচিত কৰা হয়।

সেইমতে, অসম বিধান সভাৰ প্ৰাক্কলন সমিতিৰ সাময়িকভাৱে খালী হোৱা সদস্য পদৰ বাবে ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ মাননীয় সদস্য শ্ৰী দিগন্ত বৰ্মনে মনোনয়ন পত্ৰ দাখিল কৰে। পৰীক্ষা কৰাৰ পিছত সদস্য গৰাকীৰ মনোনয়ন পত্ৰ বৈধ বুলি বিবেচিত হয়।

উক্ত সমিতিৰ সাময়িকভাৱে খালী হোৱা পদৰ সংখ্যা আৰু প্ৰতিদ্বন্দ্বীৰ সংখ্যা একে হোৱা বাবে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ১৯৪ বিধিৰ ৩নং উপ-বিধি আৰু ২৪৪(১) মতে মই শ্ৰী দিগন্ত বৰ্মনক প্ৰাক্কলন সমিতিৰ সদস্য নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰিলো। তেখেতে সমিতিৰ কাৰ্য্যকালৰ বাকী থকা সময়ছোৱাৰ বাবে তৎকালীনভাৱে কাৰ্য্যকৰী হোৱাকৈ কাৰ্য্যনিৰ্বাহ কৰিব।

অসম বিধান সভাৰ অন্যান্য পিছপৰা শ্ৰেণী আৰু অ্‌ধিক অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ সমিতিৰ সাময়িকভাৱে খালী হোৱা এটা সদস্য পদৰ বিপৰীতে নিৰ্বাচনৰ বাবে মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে যোৱা ইংৰাজী ২০-১২-২০২১ তাৰিখে অসম বিধান সভাৰ মজিয়াত এটা প্ৰস্তাৱ উত্থাপন কৰিছিল।

একল সংক্ৰমণীয় ভোটেৰে আনুপাতিক প্ৰতিনিধিৰ নীতি অনুসৰি সদস্য সকলৰ মাজৰ পৰা সদনৰ দ্বাৰা এই সমিতিৰ সদস্য-সদস্যা সকলক নিৰ্বাচিত কৰা হয়।

সেইমতে, অসম বিধান সভাৰ অন্যান্য পিছপৰা শ্ৰেণী আৰু অ্‌ধিক অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ সমিতিৰ সাময়িকভাৱে খালী হোৱা সদস্য পদৰ বাবে ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ মাননীয় সদস্যা শ্ৰীমতী শিৰামণি বৰাই মনোনয়ন পত্ৰ দাখিল কৰে। পৰীক্ষা কৰাৰ পিছত সদস্য গৰাকীৰ মনোনয়ন পত্ৰ বৈধ বুলি বিবেচিত হয়।

উক্ত সমিতিৰ সাময়িকভাৱে খালী হোৱা পদৰ সংখ্যা আৰু প্ৰতিদ্বন্দ্বীৰ সংখ্যা একে হোৱা বাবে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ১৯৪ বিধিৰ ৩নং উপ-বিধি আৰু ২৬০(ছ) (১)মতে মই শ্ৰীমতী শিৰামণি বৰাক অন্যান্য পিছপৰা শ্ৰেণী আৰু অ্‌ধিক অন্যান্য পিছপৰা শ্ৰেণীসমূহৰ কল্যাণ সমিতিৰ সদস্যা নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰিলো। তেখেতে সমিতিৰ কাৰ্য্যকালৰ বাকী থকা সময়ছোৱাৰ বাবে তৎকালীনভাৱে কাৰ্য্যকৰী হোৱাকৈ কাৰ্য্যনিৰ্বাহ কৰিব।

যোৱা ইং ২০-১২-২০২১ তাৰিখে মাননীয় গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰীয়ে সদনত উত্থাপন কৰা প্ৰস্তাৱমৰ্মে নগৰ আৰু গ্ৰাম্য পৰিকল্পনা উপদেষ্টা পৰিষদলৈ নিৰ্বাচিত হ'ব লগা সদস্যৰ সংখ্যা আৰু প্ৰাৰ্থীৰ সংখ্যা একে হোৱাত মই নগৰ আৰু গ্ৰাম্য পৰিকল্পনা উপদেষ্টা পৰিষদলৈ নিৰ্বাচিত হোৱা নিম্নোলিখিত মাননীয় সদস্য তিনিগৰাকীৰ নাম ঘোষণা কৰিলো।

(১) শ্ৰী প্ৰশান্ত ফুকন।

(২) শ্ৰী কৌশিক ৰায় ।

(৩) শ্ৰী আব্দুছ ছোৱাহান আলী চৰকাৰ।

যোৱা ইং ২০-১২-২০২১ তাৰিখে মাননীয় শিক্ষা মন্ত্ৰীয়ে সদনত উত্থাপন কৰা প্ৰস্তাৱমৰ্মে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ পৰিচালনা পৰিষদলৈ নিৰ্বাচিত হ'ব লগা সদস্যৰ

সংখ্যা আৰু প্ৰাৰ্থীৰ সংখ্যা একে হোৱাত মই কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ পৰিচালনা পৰিষদলৈ নিৰ্বাচিত হোৱা নিম্নোলিখিত মাননীয় সদস্য দুগৰাকীৰ নাম ঘোষণা কৰিলো।

(১) শ্ৰী পৰমানন্দ ৰাজবংশী ।
(২) শ্ৰী ৰকিবুল হুছেইন।

এতিয়া মই অসম বিধান সভাৰ হৈ বিভিন্ন ক্ষেত্ৰত ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই অনা নিম্নলিখিত সন্মানীয় ব্যক্তিসকলক অভিনন্দন জনাবলৈ ওলাইছো।

জ্ঞানপীঠ বঁটা, ২০২০ প্ৰাপক - শ্ৰী নীলমণি ফুকন
শান্তি স্বৰূপ ভাটনাগৰ বঁটা, ২০২১ প্ৰাপক -- ড০ বিনয় কুমাৰ শইকীয়া
পদ্মভূষণ বঁটা, ২০২১ প্ৰাপক --- তৰুণ গগৈ (মৰণোত্তৰভাৱে)
পদ্মশ্ৰী বঁটা প্ৰাপক -- শ্ৰীমতী বিজয়া চক্ৰৱৰ্তী, শ্ৰীমতী লখিমী বৰুৱা, শ্ৰীগোপীৰাম বৰগায়ন বড়াভকত, শ্ৰী দুলাল মানকী, শ্ৰীমতী বিৰুবালা ৰাভা, শ্ৰীৰোমান শৰ্মা, শ্ৰীমঙ্গল সিং হাজোৱাৰী, শ্ৰীইমৰাণ শ্বাহ।

মেজৰ ধ্যানচান্দ খেলৰত্ন বঁটা প্ৰাপক --- লাভলীনা বৰগোঁহাই
অসম বৈভৱ বঁটা প্ৰাপক ---- ৰতন নাভেল টাটা
অসম সৌৰভ বঁটা প্ৰাপক --- কমলেন্দু দেৱ ক্ৰোৰী, ড০ লক্ষ্মনন এচ, অধ্যাপক দীপক চান্দ জৈন, লাভলীনা বৰগোঁহাই, নীলপৱন বৰুৱা ।
অসম গৌৰৱ বঁটা প্ৰাপক --- মুনিন্দ্ৰ নাথ নাটে, বসন্ত হাজৰিকা, আকাশ জ্যোতি গগৈ, মনোজ কুমাৰ বসুমতাৰী, ববী হাজৰিকা, খৰচিং টেৰাং, হেমপ্ৰভা চুটীয়া, নমিতা কলিতা, বৰনীতা মমিন, ধৰণীধৰ বড়ো, কৌশিক বৰুৱা, কল্পনা বড়ো, আছিফ ইকবাল।

বিভিন্ন শিতানত সাহিত্য অকাডেমী বটা প্ৰাপক অসম অপূৰ্বব কুমাৰ শইকীয়া, ধৰনীধৰ ওৱাৰী, দ্বিজেন দাস, নিউটন কুমাৰ বসুমতাৰী, মাধুৰিমা ঘৰফলীয়া, অজিত বড়ো।

দেশ তথা ৰাজ্যখনলৈ সন্মান কঢ়িয়াই অনা সুযোগ্য ব্যক্তি সকলক তেখেত সকলৰ অন্যান্য কৃতিত্বৰ বাবে অসম বিধান সভাই অভিনন্দন জ্ঞাপন কৰে।

**শ্ৰী আমিনুল ইছলাম (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত আৰু ২/১ টা include কৰিব পৰা যায় নেকি? আমাৰ ৰূপহীহাট সমষ্টিৰ যেনেকৈ নাজনিন ইয়াচমিন নামৰ এজনী ছোৱালী M.Tech. degree তেজপুৰ বিশ্ববিদ্যালয়ৰ পৰা লৈছে, তেওঁ কনিষ্ঠ বিজ্ঞানী হিচাপে (ISRO) ৰ পৰা নিবাৰ্চিত হৈছে, এই নামটো include কৰিলে ভাল হয়।
**মাননীয় অধ্যক্ষ ঃ** সেইটোত অকল এজন নহয় আৰু এজন আছে আৰু এনেকুৱা ধৰণৰ তথ্য বিচাৰি থকা হৈছে। এই নাম জনাই দিলে হ'ল, কাৰ্য্যবিৱৰণীত অন্তৰ্ভুক্ত হ'ব। প্ৰধান সচিব ডাঙৰীয়াই পৰিয়ালবৰ্গক জনাই দিব।
**এতিয়া এটা ঘোষণা ঃ** সদনৰ চলিত কাৰ্য্যসুচীৰ মাজত মই বিধায়িনী সমিতিসমূহৰ কাম-কাজ সন্দৰ্ভত এটা অতি গুৰুত্বপূৰ্ণ বিষয় মাননীয় সদস্য-সদ্যসা সকলৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো।

সংসদীয় বিধি ব্যৱস্থাত বিধায়িনী সমিতি সমূহৰ গুৰুত্ব আমাৰ সকলোৱে অৱগত ।

মই অনুভৱ কৰো যে সন্মানীয় সদস্য-সদস্যা সকলে এই বিষয়ত জ্ঞাতে বা অজ্ঞাতে সমিতিৰ সভাসমূহত অনুপস্থিত থাকিব পাৰে। আমি সকলোৱে অৱগত যে বিধান সভাৰ প্ৰক্ৰিয়া আৰু পৰিচালনা কাৰ্য্যাৱলীৰ নিয়মাৱলীৰ নিয়ম ২০১ মতে অনুমতিবিহীন ভাৱে একেৰাহে দুখন বা তাতোকৈ অধিক বিধায়িনী সমিতিৰ বৈঠকত অনুপস্থিত থাকিলে সমিতিৰ সদস্য পদ খাৰিজ হৈ যায়। এনে পৰিস্থিতিৰি পৰিপ্ৰেক্ষিতত মই সকলো মাননীয় সদস্য-সদস্যাক অনুৰোধ জনাওঁ যাতে অৰ্পিত পদ মৰ্য্যদা তথা বিধায়িনী বিধি ব্যৱস্থা অনুযায়ী সমিতি সমূহৰ পৰৱৰ্ত্তী পৰ্য্যয়ৰ বৈঠকত উপস্থিত নিশ্চিত কৰে।

আমাৰ সমিতি সমূহৰ বহুত কাম কৰিব লগীয়া আছে। সেই কাৰণে যিমান সোনকালে পাৰে সমিতি সমূহৰ প্ৰতিবেদন সমূহ আমাক দাখিল কৰিব লাগে।

এতিয়া অধ্যক্ষৰ সামৰনি বক্তব্য -

পঞ্চদশ অসম বিধান সভাৰ তৃতীয় তথা শীতকালীন অধিৱেশন ইংৰাজী ২০-১২-২০২১ তাৰিখে আৰম্ভ হৈ মুঠ ৫ দিন সদনৰ কাৰ্য্যক্ৰমণিকা সম্পন্ন হোৱাৰ অন্তত আজি ২৪-১২-২০২১ তাৰিখে অন্ত পৰিল।

৫ দিনীয়া কৰ্মদিনৰ ভিতৰত ৪ টাকৈ দিনত চৰকাৰী কাৰ্য্যসূচী সম্পাদন কৰাৰ বিপৰীতে ১ টা দিনত বেচৰকাৰী কাৰ্য্যসূচী সম্পাদিত কৰা হয়।

এইবাৰ অধিৱেশনৰ প্ৰথম দিনাৰ পৰাই সদনত অসমীয়া, বড়ো আৰু ইংৰাজী ভাষাৰ ভাষানুবাদ ব্যৱস্থাৰে অধিৱেশনৰ কাৰ্য্য ক্ৰমণিকা আৰম্ভ কৰি অসম বিধান সভাৰ ইতিহাসত যুগান্তকাৰী পৰিৱৰ্তনেৰে অসম বিধান সভাৰ কাৰ্য্যপ্ৰণালী 'ডিজিটেলাইচেশ্যন' কৰা হয়। এইবোৰৰ ভিতৰত বিধান সভাৰ বিষয়া আৰু কৰ্মচাৰীসকলৰ বায়'মেট্ৰিকছ্‌ৰ জৰিয়তে এটেনডেন্স লোৱাৰ ব্যৱস্থা, ই-পাছ ব্যৱস্থা, বিধান সভা অধিৱেশনৰ কালছোৱাত জাননী, প্ৰশ্ন আৰু উত্তৰসমূহ 'অনলাইন' পদ্ধতিৰে দিয়াৰ ব্যৱস্থা, ডিজিটেল লাইব্ৰেৰীৰ ব্যৱস্থা, ডিজিটেল ফাইল ট্ৰেকিং ব্যৱস্থা ইত্যাদি অন্যতম।

অসম বিধান সভাৰ আটাইকেইদিনৰ কাৰ্য্যসূচীত ৰাজ্যখনৰ জলন্ত সমস্যাকে আদি কৰি গুৰুত্বপূৰ্ণ বিষয়সমূহৰ ওপৰত শাসকীয় আৰু বিৰোধী উভয় পক্ষৰ মাননীয় সদস্য, সদস্যাসকলে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীত সন্নিৱিষ্ট নিয়মৰ জৰিয়তে সদনত উত্থাপন কৰি আলোচনা কৰাৰ সুযোগ লাভ কৰে আৰু উক্ত বিষয়বোৰৰ ওপৰত চৰকাৰী পক্ষৰ পৰাও চৰকাৰে গ্ৰহণ কৰা কাৰ্য্য-ব্যৱস্থাৱলীৰ বিষয়ে সদনক অৱগত কৰে।

আজিৰ দিনটোত আমি গৌৰান্বিত হৈছো, কিয়নো অসম বিধান সভাৰ শীতকালীন অধিৱেশনৰ আজিৰ দিনটোত ভাৰতৰ মাননীয় লোকসভাৰ অধ্যক্ষ শ্ৰীওম বিৰলা ডাঙৰীয়াই আমাৰ মাজত উপস্থিত থাকি মূল্যবান অভিভাষণ আগবঢ়ায়। অসম বিধান সভাৰ পৱিত্ৰ মজিয়াৰ পৰা সদনে মাননীয় লোকসভাৰ অধ্যক্ষ শ্ৰীওম বিৰলা ডাঙৰীয়াক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

অধিৱেশনৰ কালছোৱাত মাননীয় সদস্যসকলৰ পৰা পোৱা সৰ্বমুঠ ৫৮৬ টা প্ৰশ্নৰ ভিতৰত ৯৮ টা প্ৰশ্ন মৌখিক আৰু ২৪৫ টা লিখিত প্ৰশ্নৰ ৰূপত গৃহীত কৰা হয়।

অধিৱেশনৰ কালছোৱাত নিয়ম ৫৪ৰ অধীনত ২ খন জাননী, ৩০১ ৰ অধীনত ৫ খনকৈ জাননী সদনত আলোচনাৰ অন্তত উত্তৰ দান কৰা হয়। আনহাতে, নিয়ম ৫০ ৰ অধীনত প্ৰাপ্ত

হোৱা ৩ খন জাননীৰো সদনত আলোচনাৰ অন্তত উত্তৰ দান কৰা হয়। নিয়ম ৪৮ ৰ অধীনত তাকৰীয়া সময়ৰ ১৯ খন জাননী প্ৰাপ্ত হয় আৰু ৭ খন জাননী নিয়মানুসাৰে সদনত আলোচনাৰ অন্তত উত্তৰ প্ৰদান কৰা হয়। নিয়ম ২৬৪ৰ অধীনত স্থগিত সংকল্প প্ৰস্তাৱ ১ খন সদনত উত্থাপন কৰি আলোচনা কৰা হয়।

বেচৰকাৰী সদস্যৰ কাৰ্য্যসূচীৰ অধীনত "সদস্যৰ সময়" শিতানত গৃহীত হোৱা ৩ খন জাননীত অন্তৰ্ভূক্ত থকা ৮ টা বিভাগৰ সন্দৰ্ভত আলোচনা কৰাৰ অন্তত বিভাগীয় মন্ত্ৰীয়ে উত্তৰ প্ৰদান কৰে।

সদনৰ শূন্যকালীন সময়ছোৱাত ৬ খনকৈ জাননী উত্থাপিত হোৱাৰ অন্তত উত্তৰ প্ৰদান কৰা হয়।

তেনেদৰে পৰৱৰ্তী সময়ত ২০ ডিচেম্বৰ, ২০২১ তাৰিখে ২০২১-২২ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী আৰু পৰিপূৰক বিনিয়োজনৰ তালিকা উপস্থাপন কৰা হয় আৰু ২২ ডিচেম্বৰ, ২০২১ তাৰিখে ভোটদান শিতানত কৰ্তন প্ৰস্তাৱ উত্থাপনৰ যোগেদি আলোচনা কৰাৰ অন্তত 'দি আসাম বিনিয়োজন (নং-III) বিধেয়ক, ২০২১' খন পাৰিত কৰা হয়। কৰ্তন প্ৰস্তাৱৰ এই আলোচনাত সৰ্বমুঠ ১৩ গৰাকীকৈ মাননীয় সদস্যই অংশগ্ৰহণ কৰে।

চলিত বিধান সভাৰ কালছোৱাত উত্থাপিত হোৱা ১৫ খনকৈ চৰকাৰী বিধেয়ক সদনে দফাই দফাই বিবেচনা কৰাৰ অন্তত পাৰিত কৰে। বিধেয়কসমূহৰ ভিতৰত ১৪ খনকৈ সংশোধনী বিধেয়ক অন্তৰ্ভুক্ত আছিল।

অধিৱেশনৰ পঞ্চম দিনা অৰ্থাৎ ২৪ ডিচেম্বৰ, ২০২১ তাৰিখে অধ্যক্ষৰ উদ্যোগ শিতানত নতুন শিক্ষা নীতিৰ ওপৰত বিশেষ আলোচনা অনুষ্ঠিত কৰা হয়।

অধিৱেশনৰ কালছোৱাত অসম বিধান সভাৰ ৰাজহুৱা উদ্যোগ সমূহৰ সমিতিৰ ৩ খন প্ৰতিবেদন, অসম বিধান সভাৰ ৰাজহুৱা হিচাপ সমূহৰ সমিতিৰ ১৭০ আৰু ১৭১ তম্ প্ৰতিবেদন, ৩ খন বাৰ্ষিক প্ৰতিবেদন, ১৩ খন বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদন, ২ খন পৃথক হিচাপ পৰীক্ষকৰ প্ৰতিবেদনকে ধৰি কেইবাখনো প্ৰতিবেদন সদনত দাখিল কৰে।

অসম বিধান সভাই গঠন কৰি দিয়া সমিতিৰ উজনি অসমৰ ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলা অধ্যয়ণমূলক ভ্ৰমণৰ প্ৰথম প্ৰতিবেদন "গ্ৰুপ এ" দলৰ দলপতি তথা মাননীয় বিধায়ক শ্ৰীদিগন্ত কলিতাই সদনত দাখিল কৰে লগতে "গ্ৰুপ চি" দলৰ দলপতি তথা মাননীয় বিধায়ক ড০ পৰমানন্দ ৰাজবংশী ডাঙৰীয়াই বৰাক উপত্যকা ভ্ৰমণৰ প্ৰতিবেদন দাখিল কৰে।

অসম বিধান সভাৰ শীতকালীন অধিৱেশনৰ কালছোৱাত ১৪ খন অসাধাৰণ ৰাজপত্ৰ অধিসূচনা দাখিল কৰা হয়।

অধিৱেশনৰ সময়ছোৱাত মুঠ ২৪ গৰাকী বৰেণ্য ব্যক্তিৰ বিয়োগত শোক প্ৰস্তাৱ পাঠ কৰি প্ৰয়াত ব্যক্তিসকলক শ্ৰদ্ধাঞ্জলি নিবেদন কৰি শোক প্ৰস্তাৱ পাঠ কৰা হয়।

অধিৱেশনৰ সকলো কাৰ্য্যসূচী সফলতাৰে সম্পন্ন কৰাৰ ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰীকে প্ৰমুখ্য কৰি মন্ত্ৰী পৰিষদ, শাসক-বিৰোধী উভয় পক্ষৰ মাননীয় সদস্য, সদস্যাই আগবঢ়োৱা সহযোগিতাৰ বাবে মই আন্তৰিকতাৰে ধন্যবাদ জনাইছো। বিধান সভাৰ প্ৰধান সচিবৰ লগতে এই সচিবালয়ৰ প্ৰতিগৰাকী বিষয়া-কৰ্মচাৰী, ৰাজ্যখনৰ মুখ্য সচিবকে আদি কৰি ৰাজ্য চৰকাৰৰ বিষয়া-কৰ্মচাৰী সকল, আৰক্ষী সঞ্চালক প্ৰধানকে ধৰি বিষয়া-জোৱানসকল আৰু প্ৰচাৰ মাধ্যমৰ বন্ধু সকলক অসম

বিধান সভাৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।

এই পৱিত্ৰ সদনে মোৰ ওপৰত ন্যস্ত কৰা গুৰু দায়িত্ব পালন কৰোতে অসম বিধান সভাৰ মাননীয় সদস্য, সদস্যাসকলে আগবঢ়োৱা সকলো প্ৰকাৰৰ দিহা-পৰামৰ্শ আৰু সহযোগিতাৰ বাবে মই পুনৰবাৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জনালো। পৱিত্ৰ খ্ৰীষ্টমাচৰ লগতে আগন্তুক ইংৰাজী নৱবৰ্ষ উপলক্ষে সদনত উপস্থিত সকলোলৈকে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

ধন্যবাদ

জয় হিন্দ

The House adjourned sine die.